কাণে কাণে কৈ যাওঁ

দিনেশ শৰ্ম্মা

জ্যোতি প্ৰকাশন
পাণবজাৰ : গুৱাহাটী-৭৮১ ০০১

KANE KANE KAI JAO
A Novel in Assamese written by Sri Dinesh Sarmah, 'Rupajali', Kharghuli, Guwahati-781 004, Published by Ila Sarmah, Jyoty Prakashan, Guwahati, Assam

কাণে কাণে কৈ যাওঁ
দিনেশ শৰ্মা

প্ৰথম প্ৰকাশ : ১৯৬৬ চন
দ্বিতীয় প্ৰকাশ : ১৯৯৩ চন
লিখকৰ দ্বাৰা সৰ্ব্বস্বত্ব সংৰক্ষিত
কৃতজ্ঞতা প্ৰকাশ : সুকুমাৰ বৰদলৈ
প্ৰকাশক : ইলা শৰ্মা, : জ্যোতি প্ৰকাশন : গুৱাহাটী-৭৮১ ০০১
প্ৰচ্ছদ : চন্দন চুতীয়া, গুৱাহাটী
মুদ্ৰক : পি. আৰ. প্ৰিণ্টাৰ্চ
বিষ্ণুৰাভা পথ : মঙ্গলদৈ
মূল্য ১৫ ০০ টকা মাত্ৰ

চমুকৈ ……….. …

বহু বছৰৰ মূৰত দ্বিতীয় প্ৰকাশ ওলোৱা বাবে আনন্দ লাগিছে। কাণে কাণে কৈ যাওঁ-ৰ সৌন্দৰ্য্য আপোনাৰ মৰমৰ ওপৰত বাৰুকৈ নিৰ্ভৰ কৰিব।

কিতাপখনৰ প্ৰথম সংস্কৰণৰ প্ৰকাশক আছিল শ্ৰীবিন্দু শৰ্ম্মা, নৰ্থ ইষ্টাৰ্ণ প্ৰেছ, শিলং। বেটুপাত আঁকিছিল যোৰহাটৰ শ্ৰীউমেশ গোস্বামীয়ে।

ইয়াত থকা ঘটনাবোৰ যদি আপুনি সঁচা বুলি ভাবে অথবা মোৰ ডায়েৰীৰ এখিলা পাত বুলিও ভাবে তেনেহলে মোৰ উপায় নাই। মোক টঙনিয়াই মাৰিলেও মুখ খুলি এনে। নকওঁ। যি কব লাগে কিতাপখনতে কৈছোঁ। ইয়াত যদি নকবলগীয়া কিবা কথা আছে তেন্তে সেয়া মোৰ বয়সৰ দোষ—কাৰণ কলেজত পঢ়ি থকা অৱস্থাতে লিখা আৰু প্ৰকাশ হোৱা এইখন মোৰ প্ৰথম কিতাপ। নমস্কাৰেৰে—

লেখক।

মৰমৰ মনিকা।

এই যে নীলা আকাশখন দেখিছা সেইখন দেখাত নীলা আৰু নামত আকাশ হলেও আচলতে ই কিন্তু নীলাও নহয় বা আকাশ বোলা কোনো পদাৰ্থও নহয়। শূণ্য। এটা ডাঙৰ শূণ্য। অথচ এই শূণ্যৰ তলতে কিমান ঘটনা ঘটি আছে। অহল্যা সেহীয়ে আঙ্গাত তেল মাৰোতে জুই উঠাৰে পৰা দ্বিতীয় মহাসমৰৰ লেখীয়া ঘটনা এইখন পৃথিবীতে ঘটি আছে। পিছে, তোমা-মোৰ লেখীয়া প্ৰাণীৰ জীৱনৰ ঘটনাবোৰ তেনেই নিষ্প্ৰভ। নহয় জানো? তথাপি জীৱনৰ উজুটিবোৰৰ কিছুমান তোমাক আজি কাণে কাণে কৈ যাওঁ বুলি ভাবিছো। পৃথিবীৰ অন্য মানুহে কিন্তু ইয়াৰ একনো গমকে নেপায় যেন। সঁচা, কোৱাৰ বেদনাতকৈ নোকোৱাৰ বেদনা বেছি। হ'ক বাৰু। নোকোৱাৰ

বেদনা বুকুত সাৰতি মই যদি ইমান দিন কটাই দিব পাৰিলো তেন্তে তুমিও নোৱাৰাৰ কোনো কাৰণ নাই। আহা বাৰু। মোৰ অতীত হৈ যোৱা শৈশৱ কালৰ ঘটনাৰ পৰাই কৈ যাওঁ—

: ওঁ, কওঁক বাৰু।

: কম। তোমাক বহুত নোকোৱা কথা কম বুলিয়েই আজি মই দৃঢ় প্ৰতিজ্ঞ। তেতিয়া তুমি বুজিবা, কিহৰ তাড়নাত মই সততে আনৰ সঙ্গ ত্যাগ কৰি চলো। আনকি তোমাৰো। আজি সম্পূৰ্ণ ডেৰবছৰৰ মূৰত আৰু দীপাৰ জন্মৰ এবছৰৰ পিচত তোমাৰ স'তে কথা পাতিব পৰাটো সঁচাকৈয়ে মোৰ বাবে বৰ সৌভাগ্যৰ কথা। কিন্তু দীপাৰ মৃত্যুৱে ?? এৰা, অনেক প্ৰশ্নই মোক আগুৰি ধৰে। এইবোৰ যেন প্ৰশ্নবোধক চিন নহয়,—একো একোডাল ফণা তোলা ফেঁটি সাপহে। আৰু এই প্ৰশ্নবোৰৰ উত্তৰৰ উৱাদিহ পাবৰ আশাৰেই অতীত-শৈশৱৰ দিনবোৰলৈ উভতি চালো।—

মোৰ অলপ অলপ মনত পৰে। ৺নৰেন ককাইদেউৰ লগত পাঠশালা স্কুললৈ গৈছিলো। বাটত ভৰিৰ বিষ উঠিলে মই ককাইদেউৰ পিঠিতো উঠি গৈছিলো। আমাৰ ঘৰৰ পৰা প্ৰায় তিনি মাইল আঁতৰত স্কুলখন। তেতিয়া ৺নৰেন ককাইদেউ ওপৰৰ শ্ৰেণীত পঢ়িছিল বাবে তেওঁলোকক দেৰিকৈ ছুটী দিছিল। আমাক অলপ সোনকালে ছুটী দিলেও মই ককাইদেউৰ লগতহে আহিছিলো। তেওঁৰ মোৰ প্ৰতি মৰম আছিল—অকৃত্ৰিম। পঢ়াৰ প্ৰতি মোৰ আছিল অশেষ ধাউতি। ককাইদেৱে গাই যোৱা কবিতাবোৰ আৰু সৰু-নেওঁতা-খন মই গান গোৱাৰ নিচিনাকৈ গাইছিলো। কিন্তু এনেকৈ সুখৰ দিন আৰু বেছিদিন নগ'ল। এদিন নৰেন ককাইদেউৰ মৃত্যু হ'ল। ঘৰৰ সকলোবোৰ প্ৰাণীৰ আৰ্ত্তনাদে বুজাইছিল—জীৱনটো মিছা। বছৰৰ বুকুৰ পৰা দিনবোৰ সৰি সৰি পচি গ'ল। লগে লগে আমিও ডাঙৰ হৈ আহিলো। খেলিলো, পঢ়িলো, দুষ্টামি কৰিলো। কিন্তু তেতিয়াৰ পৰাই মোৰ মনত এটা সন্দেহে ঠাই ললে। মই যেন এটিও ভাল বস্তু নেদেখো, এটাও ভাল কথা শুনো। জগতৰ সকলোবোৰ বেয়া কাৰ্য্যহে মই যেন দেখিবলৈ পাওঁ। মুঠতে ভালটোতকৈ বেয়াটোৰ প্ৰতিহে মোৰ চকু যায় আগতে। হাঁহি হাঁহি কথা কোৱা মানুহ এজন দেখিলেও মই ভয়ত সিয়ঁৰি উঠো, সন্দেহ কৰো। কিয় জানো? মনতে ভাবো—এই হাঁহি থকা মানুহ জনেও এদিন কান্দিব আৰু নিশ্চয়, তেওঁবো এদিন মৃত্যু-মুখত পৰিব।

৺নৰেন ককাইদেউৰ মৃত্যুৰ পাচতো মই স্কুললৈ গৈ আছিলো।

অকলশৰীয়া মনটোৱে যেন বহু কথা জানিবলৈ ব্যগ্র হৈ উঠিছিল। প্রথমতে স্কুলত দেখিলো—শিক্ষকজন স্কুললৈ আহি মেজৰ ওপৰত মূৰটো থৈ এঘুমটি মাৰিহে স্কুল ছুটী দিয়ে। টোপনি যোৱা আগমুহূৰ্ত্তলৈকে মূৰ পিটিকি দিয়া, পকা চুলি উঘলা আদি কাম আমি ছাত্রবোৰে কৰি দিব লাগে। পঢ়াৰ নামত গণ্ডগোলেহে ঠাই পায়। অতিপাত গণ্ডগোল হলে শিক্ষকজনে সাৰ পায় আৰু সেই কেঁচা ঘুমটিৰ ওৰ পেলায়—আমাৰ পিঠিত বেটৰ কোবেৰে। এদিন হানিফ বোলা ল'ৰা এজনৰ জেপত হাত ভৰাই খৰিমাটি বুলি উলিয়াই আনি দেখে যে এমুঠি বান্দৰ বিড়ি। হানিফে দুই-চাৰিটা চেকনীৰ কোব খাইছিল যদিও শিক্ষকে বিড়ি কেইটাৰ সোৱাদ লোৱাত বেয়া পোৱা নাছিল। সদায় হোকা খোৱা মানুহৰ এটা বিড়ি পালেই বৰ ভাল বস্তু পোৱা যেন লাগে। পণ্ডিতবো ঠিক তেনেই হৈছিল। পৰীক্ষাত নম্বৰ বেছি পাই উত্তীর্ণ হোৱা নিয়ম নাছিল। বড়ালাউ, হাঁহকণী, জলকীয়া, কবি, ধপাত আদিয়ে প্রয়োজনত সহায় কৰিছিল। এবছৰৰ মূৰত এদিন ডি, আই চাহাব আহিছিল স্কুল পৰিদৰ্শন কৰিবলৈ। তেখেত আহি পোৱাৰ দুহদিনমান আগৰে পৰা আমি স্কুলৰ চৌহদৰ বন উভালিব লাগিছিল। কেঁচুমটাবে ভৰা স্কুলঘৰটোৰ ভেঁটিটো সাৰিব লাগিছিল। কেইদিনমান পাচত ডি, আই চাহাব আহিছিল। তেখেতে আমাৰ শিক্ষক আৰু গাৱঁৰে গণ্যমান্য কেইজনমান মানুহক কিবা কৈছিল নে নাই আমি জনা নাছিলো। পিচে, গাৱঁৰ পৰা ভাল দৈ কেইসেৰমান, চেনিচম্পা কল এথোক, জহা চাউল, বৰা-চাউল আদিৰ যে টোপোলা বান্ধি লৈ গৈছিল তাক হলে আমি দেখা পাইছিলো।

অতীতে আমাক বহুত কথাই পাহৰাই দিয়ে। মস্নে নিশ্চয় বহুত কথাই পাহৰি গৈছো।—এদিন মই হাইস্কুলত ভর্ত্তি হলোগৈ। আমাৰ অর্থনৈতিক অৱস্থা বৰ ভাল নাছিল বাবেই মই ঘৰ এৰি যাব লগা হ'ল—নগৰেবালৈ। সিদিনা আছিল—ইং ১৯৫৪ চনৰ আগষ্ট মাহৰ চৌবিছ তাৰিখ। হাঁহি হাঁহি মই নগৰেবালৈ গৈছিলো, আৰু যাবও পাৰিছিলো এই কাৰণেই যে নহলে মোৰ আৰু গত্যান্তৰ নাছিল। হাঁহি মুখে মই নগৰেবা পাইছিলোগৈ যদিও, মই তাত হাঁহি হাঁহি থাকিব পৰা নাছিলো। কাৰণ মই আছিলো গাৱঁৰ ল'ৰা। গাৱঁৰ শীতল মধুৰ বতাহ চহৰৰ উষ্ণ বতাহতকৈ অনেক গুণেই ভাল। সেয়ে নগৰেবাৰ উতলা বতাহবোৰ মোৰ বৰ অসহ্য লাগিছিল। অনেক চিন্তাই মোক জুমুৰি দি ধৰিছিল। ৰাতি পুৱালেই মনত পৰে—আমাৰ বাৰীৰ মালভহীয়া আমগছ জোপাৰ তলত যেন বহুত আম সৰি পৰি আছে। আৰু

সেই মালদহীয়া আমবোৰকে ওচৰৰ বাঁৰেনইঁতে চুৰ কৰি নিবলৈ আহিছে। ডুপৰীয়া মনত পৰে—সাতুৰি-নাডুৰি গা ধোৱা আমাৰ ঘৰৰ কাষৰ নৈ খনলৈ। গধূলি মনত পৰে—খাঁৰঁতী বঙা গাইজনীয়ে যেন তেতিয়াও পথাৰতে হেৰেলিয়াই আছে। তাইক পথাৰৰ পৰা আনিবলৈ যেন কাৰো সাৰ্-সুৰেই নাই। তাইৰ পোৱালিজনীয়ে যেন মাক বুলি ভাবি অন্য গৰুৰ পালৰ লগত গুচি গৈছে। মই যেন পোৱালিজনীক বিচাৰি আনি হেৰেলিয়াই থকা বাঙীজনীৰ ওচৰতে ঠিয় কৰাই দিম! তেতিয়া বাঙীয়ে হয়তো মোলৈ সহানুভূতিৰ দৃষ্টিৰে চাব আৰু পোৱালিজনীক চেলেকি চেলেকি মৰম কৰিব। তেতিয়া মই সেই দৃশ্য চাই ওচৰতে হাঁহি থাকিম।...কিন্তু মিছা। চহৰত থাকি কল্পনাহে কৰিব পাৰি। মুঠতে ুক বিহঙ্গমৰ দৰে তাত ফুৰিবলৈ নেপালো কাৰণ, মোৰ অভিভাৱকজনৰ আছিল চোকা নজৰ। অৱশ্যে তাৰ কাৰণেই কিজানি আজি মই জীৱনৰ জখলাত উঠিবলৈ সাহস পাইছো।

মনবোৰ যেতিয়া পুৰণি হয়, সমাজৰ লগত খাপ খুৱাবলৈ বেছি দিন নেলাগে। মইও খাপ খাই পৰিলো—সেইখন সমাজৰ লগত। তেতিয়াই মোৰ চিনাকি—প্ৰভা, মীনা, মামনি আৰু নাজিমাইঁতৰ লগত। তাৰ পাছত আৰু বহুতৰ লগত। সিহঁতে কি ভাবিছিল কব নোৱাৰো, কিন্তু মই হলে 'ভনী' 'ভনী' গোন্ধ এটা সিহঁতৰ মাজত পাইছিলো। মনত আছেনে বাৰু? তোমাৰ সৈতে মোৰ চিনাকি হৈছিল—যোৱা ১৯৫৭ চনৰ বাইশ ডিচেম্বৰৰ এটা মধুৰ সন্ধিয়াত। তেতিয়া মই আছিলো সপ্তম মান শ্ৰেণীৰ ছাত্ৰ। সিদিনা ৰাতি-য়েই মই এটা খুউব লাজ লগা সপোন দেখিছিলো। তুমিও সেই একে দিনাই ঠিক তেনে এটা সপোন দেখা বুলি মোক কৈছিলা। তাৰ পাছত ক্ৰমে মই অনুভৱ কৰিছিলো যে নাজিমাইঁতক ভাল পোৱাৰ দৰে তোমাক ভালপোৱা নাছিলো। তোমাৰ প্ৰতি থকা ভালপোৱাখিনি যেন অলপ বেলেগ ধৰণৰ আছিল। সেয়ে মাজে মাজে মোৰ ভয় হৈছিল—কিজানি মই নগৰেৰা এৰি যাব লাগে! আৰু, এৰি যাব যাতে নালাগে তাৰ বাবে মই ব্যৱস্থাও কৰিছিলো অৱশ্যে। সেইবোৰ তুমিও নিশ্চয় জানা। এৰা, দুটাকৈ টিউশ্যন লোৱাৰ উদ্দেশ্যও আছিল সেয়ে। চাহ-ভাত সিজাই, খৰি ফালি, বল খেলি, থিয়েটাৰ কৰি আৰু লগতে পঢ়া-শুনাও ঠিক ৰাখি মই কোনো ওপৰ অধিকাৰী হবলৈ বিচৰা নাছিলো। তুমি তেতিয়া কৈছিলা—মই সকলোকালে আছো বুলি। আচলতে মোৰ তেনেকুৱা লক্ষ্য নাছিল। মই কাম কৰি ভাল পাইছিলো। বিশেষকৈ শাৰিৰীক কামবোৰত মোৰ অলপ বেছি আগ্ৰহ। এনেকৈ থাকিও

মোৰ এদিন থকা-খুন্দা লাগিছিল —মোৰ অভিভাৱকজনৰ লগত। শাৰিৰীক শাস্তি কঠোৰ কিন্তু মানসিক শাস্তি কঠোৰতৰ। মোৰ ভালৰ কাৰণে যদি কোনোবাই শাস্তি দিয়ে তাৰ কাৰণে মোৰ অকনো আক্ষেপ নাই, কিন্তু আক্ষেপ আছে কোনবোৰত জানা? যেতিয়া তিতা-কথাৰে মোক অভিশাপ দিয়ে। সেই আক্ষেপে মোক বাধ্য কৰাইছিল—এজন শিক্ষকৰ ঘৰত আশ্ৰয় লোৱাৰলৈ। তোমাৰ দেউতাৰাই বাৰে বাৰে কোৱা স্বত্বেও মই তোমালোকৰ ঘৰত নথকাৰ কাৰণ কি জানা? গুপুত কথা এটা প্ৰকাশ হৈ যাব আৰু তাৰ চেলু লৈয়ে মোৰ ওপৰত পৰিব শত-সহস্ৰ অভিশাপ। য'ক বাৰু সেইবোৰ কথা। ইং ১৯৬২ চনৰ দিনবোৰ নেযায় নেযায় যেন লাগিছিল। ইতিমধ্যে তোমালোক গুচি আহিলা গুৱাহাটীলৈ বুলি। সেইবাৰেই মই উচ্চ মাধ্যমিক পৰীক্ষা দি গুচি আহিছিলো—কাঁহিকুছিত থকা ককাইদেউৰ ওচৰলৈ। তাত থাকিবলৈ লোৱাত ককাইদেৱে ভাল পাইছিল নে বেয়া পাইছিল, নেজানিলো। কিন্তু তোমালোকৰ ঘৰলৈ সঘনে গৈ থাকিবলৈ পাই আৰু তোমাক চকুৰ আগত দেখিবলৈ পাই মনটো আনন্দমুখৰ হৈ উঠিছিল। "খাওঁক" "খাওঁক" বুলি তুমি ওচৰতে থাকি "আৰু অলপমান দিওঁ" বুলি তোমাৰ মাৰাই যেতিয়া ভাত খুৱায় তেতিয়া মোৰ পেটে ত্ৰিভুৱন দেখিছিল। কাঁহিকুছিলৈ উভতি আহি নবৌক কবলৈ বাধ্য হৈছিলো—মোৰ ভোক নাই বুলি। নবৌৱে বেছিকৈ মৰম কৰিছিল বাবেই-নেকি, মোক দুনাই খাবলৈ জোৰ নকৰিছিল। দুমাহমান পিছত এদিন মই শিলঙলৈ আহিবলৈ ওলোৱাত তোমাৰ দেউতাৰাই চাহ-মেলৰ আয়োজন কৰি মোক নিমন্ত্ৰণ কৰিছিল। দেউতাৰাৰ নিমন্ত্ৰণ ৰক্ষা কৰি মই শিলং পাইছিলোহি। সেয়া ১৯৬২ চনৰ ১৬ আগষ্টৰ কথা। দেউতাৰাই মোক গুৱাহাটীতে থাকি পঢ়িবলৈ কৈছিল ময়ো অৱশ্যে সেইটোকে ভাবিছিলো। কিন্তু যাৰ য'ত ভাত আছে সি কলৈ যাব? চাকৰি এটা পাই শিলঙতে থাকিবলৈ ললো।

এতিয়া আহা, শিলঙখনত কি ঘটিব ধৰিছে অলপ ঘূৰি-পাকি চাই লওঁ। মই তোমাক আগতেই কৈছো যে মোৰ বেয়া ফালটোহে চকুত পৰে। গতিকে শিলঙৰ কথা কওঁতে বেয়া কথাখিনিহে বেছিকৈ কোৱা হব পাৰে। আনহাতে মোৰ বয়সো সম্পূৰ্ণ শৈশৱ। সেয়ে মোৰ দৃষ্টি ভঙ্গী অনেক সময়ত হয়তো কিবা এটা বিষয়-বস্তুতে বেছিকৈ আবদ্ধ হৈ থাকিব পাৰে, তাৰবাবে মাজে মাজে মোক তুমি সজাগ কৰি দিবা। নিজ চকুৰে মই যি দেখিছো তাকেহে আজি তোমাক কবলৈ ওলাইছো।

এয়া শিলং। Queen of the hill stations ৰ গ্ৰীষ্মৰ ৰবমুখ আৰু

শীত-কালৰ কুঁৱলীৰ বাবে সকলো সময়তে 'ভিজা-ভিজা' গোন্ধ এটা পাই থাকিব পাৰি। ভাল লগা বা বেয়া লগাটো অৱশ্যে নিজৰ ওপৰতে নির্ভৰ কৰে। কাৰোবাৰ গা-মন ভালে থাকিলে তেওঁ হয়তো ৰৰষুণজাককে ভাল বুলি ধৰাগিব আৰু কাৰোবাৰ গা-মন বেয়া হৈ থাকিলে ধৰাং বতৰটোকে আপদীয়া বুলিব। নহলেনো একেজন মানুহেই গৰমত ঠাণ্ডা ভাল আৰু ঠাণ্ডাত গৰম ভাল বুলি কয়নে? থোৰতে কবলৈ হলে শিলঙৰ কথাবোৰ এনেকুৱা—

শিলঙত দুটা কাম কৰিবলৈ টান লাগে—এটা গা-ধোৱা আৰু আনটো খোজকঢ়া। ইয়াত দুটা কাম কৰিবলৈ ভাল লাগে— শুবলৈ আৰু শুই শুই কিছুমান কল্পনাত ৰহণ সানিবলৈ। ইয়াত ৰবিবাৰে দুবিধ মানুহক কামত ব্যস্ত থকা দেখা যায়—মুচী আৰু মগনীয়া। ইয়াত কিছুমান মানুহ আছে যিবোৰে তিনিটামান বেলুন, তিনিগজমান ৰিবন লৈ বাটে বাটে ঘূৰি ফুৰে। প্রকৃততে, সিঁহতৰ ব্যৱসায় সেইটো নহয়। সিঁহতৰ প্ৰধান ব্যৱসায় হৈছে— কানি আৰু ভাং চোৰাং বজাৰত বিক্ৰী কৰাহে। আজিৰ দিনত তিনি-চাৰিটা বেলুন বিক্ৰী কৰি পেট প্ৰৱৰ্ত্তাৱ পাৰিলেতো কথাই নাছিল। প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ বোলা কথাষাৰ শিলঙৰ ক্ষেত্ৰত কিমান প্ৰযোজ্য তাক মই আলোচনা কৰিবলৈ নেযাওঁ। প্ৰাকৃতিক সৌন্দৰ্য্য আছে, কিন্তু প্ৰকৃতিৰ লগত যেন আমি অকনো সহযোগ কৰিব পৰা নাই। সহযোগৰ অভাৱ হোৱা হেতুকে ইয়াৰ সৌন্দৰ্য্য এতিয়াও ম্লান হৈ আছে যেন লাগে। প্ৰথমতে আহিয়েই সৰলগছবোৰ দেখি মোৰ বৰ ভাল লাগিছিল। আপোন ৰূপত মুগ্ধা কোনো গাভৰুৱে আৰ্চিত চাই চাই সেঁাহাতেৰে বেণীত ধৰি বাওঁহাতৰ তলুৱাত হাঁলি-জালি কোবাই নাচি থকাৰ দৰে সৰলেও বতাহৰ চেৱে চেৱে হাঁলি-জালি নাচে। ৰিব্ ৰিব্ মলয়াত সৰলৰ পাতৰ চিৰ চিৰণী। কোনে কয়—এই সুৰৰ মূৰ্চ্ছনাই নিঃসঙ্গ ৰাতিক ভেদ্ কৰিব নোৱাৰে বুলি? ঠিক নতুনকৈ অহা ৰৰষুণ জাকৰ দৰেই এটা আমেজ লগা সুৰ। সেই সুৰ শুনি শুনি নিদ্ৰা দেৱীৰ কোমল হাতৰ পৰশত গা-মন জুৰ পৰে। সেয়া ক্লান্ত দেহৰ শান্ত মৰম। ইয়াৰ বিদন, বিচপ আৰু এলিফেন্ট্ জলপ্ৰপাত চাইছো। সেয়া যেন জলপ্ৰপাত নহয়,— একো একোজনী অশ্ৰুমতী নাৰী। যুগ যুগ ধৰি চকুলোৰে বোৱাই আছে জলৰাশি। অৱহেলিত সিঁহতৰ আজিও যেন কান্দোন শেষ হোৱা নাই।

প্ৰথম কেইদিনমান থাকিয়েই মোৰ এটা ধাৰণা হৈছিল যে শিলং এখন সোনকালৰ ঠাই। ইয়াত সোনকালে চাকৰি পায় (আজি কালি নাপায় অৱশ্যে) সোনকালে ৰাতি হয়, সোনকালে জোতাৰ তলুৱা ক্ষয় যায়, সোনকালে ভোক

লাগে, সোনকালে love অত পৰে, সোনকালে চুলি সৰে আৰু সোনকালে পইছা শেষ হয়। চাকৰি সোনকালে হলেও অসমীয়া লৰাই চাকৰি পাবলৈ বহুতো লটি-ঘটি খাব লগা হয়। চাকৰীয়ালৰ সৰহ সংখ্যক ইয়াত বঙালী। ইয়াৰ কাৰণ কি জানা? স্বাধীনতাৰ বহুত বছৰ আগৰে পৰাই ইয়াত বঙালী কিছুমানে চাকৰি কৰিবলৈ আহিছিল। সেই সময়ত দুই এজন মুষ্টিমেয় অসমীয়াইহে এই দুৰ্গম ঠাইত চাকৰি কৰিবলৈ আহিছিল। দুৰ্গম ঠাই আজি নহলেও তেতিয়াৰ দিনত আছিল। কিয়নো হাবি-জঙ্গলৰ মাজে মাজে ঘোঁৰাৰ গাড়ীৰেহে ইয়ালৈ আহিব লাগিছিল আৰু সেই কাৰণে ইয়াত চাকৰি কৰাটোও অসমীয়াৰ বাবে বৰ কঠিন আছিল। অসমীয়া মানুহে যথেষ্ট দুখ-কষ্ট কৰিব পাৰে যদিও ঘৰৰ ওচৰত আৰামত থাকিবলৈ বিচাৰে। তাৰোপৰি অসমীয়া মানুহৰ অৱস্থা তেতিয়া আজিকালিৰ দিনতকৈ বহুত পৰিমাণে ভাল আছিল। স্বাধীনতাৰ আগতে হৈ যোৱা মহাযুদ্ধৰ ভয়াবহ পৰিণামে অসমীয়াবিলাকক আজিৰ অৱস্থালৈ আনিলে। যিয়েই নহওঁক, স্বাধীনতাৰ পিছত যেতিয়া নতুন অফিচ খোলা হ'ল আৰু ইয়াৰ গুৰুত্ব বাঢ়িবলৈ ধৰিলে তেতিয়া সেই মানুহবোৰৰে অঙহী-বঙহীবিলাকক মাটি আনি ইযাতেই কামত মকৰল কৰা হ'ল। সেই সোঁতে এতিয়াও খিলঙৰ অফিচবোৰত উচ্চ পদবিৰ পৰা পিয়নলৈকে গ্ৰাস কৰি আছে। তদুপৰি চাকৰি পাবৰ কাৰণে বঙালী বা আন জাতিৰ লৰাই যেনেকৈ কৰ্তৃপক্ষক খাতিৰ কৰিব পাৰে অৰ্থাৎ তেল দিব জানে, অসমীয়া লৰাই নেজানে। আৰু জানিলেও লোকৰ শৰণাপন্ন হোৱাটোত লজ্জা বা অপমান বোধ কৰে। উচ্চ বিষয়া এজনে অসমীয়া লৰা এজনক পিয়নৰ চাকৰী নিদি বিহাৰী, নেপালী বা বঙালী এজনক দিয়াৰ কাৰণ হৈছে—অসমীয়া ল'ৰাই বজাৰ কৰি নিদিয়ে, কাপোৰ ধুই নিদিয়ে আৰু বিষয়াজনৰ ঘৈণীয়েকৰ খেচ্‌খেচনি শুনিব নোৱাৰে। সেয়ে সিহঁতৰ কপালত চাকৰিও নাই। আনপিনে নিজৰ আত্মীয় কুটুম্বৰ কোনোবা থাকিলেও অসমীয়া অফিচাৰে নিজৰ ডিপাৰ্টমেণ্টত চাকৰি দিবলৈ টান পায়। তাৰ কাৰণটো হ'ল—ডিপাৰ্টমেণ্টত সম্বন্ধীয় ল'ৰা এজন থাকিলে অফিচাৰৰ নিজৰ দোষখিনি জানিব পাৰিব। আনহাতে সৰ্বভাৰতীয় স্বাৰ্থৰ খাতিৰত যদি অসমীয়া খলুৱা লোকে উপযুক্ততাৰ অভাৱত চাকৰি নাপায় তেনেহলে এই মনোবৃত্তি অসমৰ দৰে সকলো প্ৰদেশেই মানি লোৱা উচিত। নহলে অসমে হাত সাৰতি বহি থাকোতে বিদেশীয়াৰ ভাগত বহু নগৰাৰ দৰে আনক বিলাওঁতেই নিজে বঞ্চিত হব লাগিব। তেনেদৰে বস্তুৰ মূল্যৰ ক্ষেত্ৰটো সেই একে কথাই খাটে। বস্তুৰ দাম কমিলে সকলো প্ৰদেশতে কমাব লাগিব।

অকল এভোখৰ ঠাইত দাম বঢ়া মানে লাভখোৰৰ সংখ্যা বৃদ্ধি কৰা। স্বাধীন ৰাষ্ট্ৰ হিচাবে দুটা কথাই আমি প্ৰধানকৈ বিচাৰো—এটা হ'ল দুবেলা দুমুঠি খাবলৈ পোৱা আৰু ব্যক্তি স্বাধীনতাক অগ্ৰাধিকাৰ দিয়া। কিন্তু দুৰ্ব্বলতাৰ সুযোগ লৈ ব্যক্তি স্বাধীনতাৰ ওপৰত হাত দিয়া লোকৰ অভাৱ হোৱা নাই। বৰ্ত্তমান চৰকাৰে 'পাৰ্চনেল পিয়ন' গুচাই দিছে যদিও, আগতে তেওঁলোকে যি কাম কৰিছিল এতিয়াও তাকেই কৰিব লাগে (অফিচত নামত ৰাখিলেও)। মানে, অফিচাৰৰ ঘৰত কাম কৰিব লাগে। কোনোবাই নকৰো বুলিলে চাকৰিও ইস্তাফা দিব লাগিব। পিয়ন এজনে অফিচাৰৰ ঘৰত কাম কৰে বুলি কোনো প্ৰমাণ দিব নোৱাৰিব কিন্তু অফিচাৰজনে পিয়নজনৰ পৰা ভাল কাম নেপায় বুলি অতি সহজেই প্ৰমাণ দিব পাৰিব।

: আপুনি দেখোন কিবা বোৰহে কবলৈ ধৰিলে। নগৰেৰাৰ কেইটামান ঘটনাৰ বিষয়ে কব খুজিছিল, কতা? নকলে দেখোন?

: অ'! কম, কম। নিশ্চয় কম। তোমাকে নকৈ কম কাক? সেইবোৰো একো একোটা অদ্ভুত কাহিনী। শুনা বাৰু, এটা এটাকৈ কৈ যাওঁ।

* * *

নগৰেৰাৰ জীৱন বোলা লৰাজন আচলতে নিৰুদ্দেশ হোৱা নাছিল। [illegible]য়া ইং ১৯৫৮ চনৰ জানুৱাৰী মাহৰ ৫ তাৰিখে জীৱন আমাৰ লগতে বালিভাত খাবলৈ গৈছিল। আমি নাৱেৰে যাত্ৰা কৰিছিলো। নগৰেৰাৰ পৰা ব্ৰহ্মপুত্ৰেৰে পাঁচমাইল উজাই গৈ বালিচৰ এটাত খোৱালোৱাৰ বন্দোবস্ত কৰা হৈছিল। গন্তব্যস্থান পোৱাৰ পিচতেই আমি আটাইবোৰ লৰাই লুইতৰ বুকুত খুউব সাঁতুৰিছিলো। জীৱনেও আমাৰ লগতে সাঁতুৰি আছিল। তেতিয়াই তাৰ কাল উপস্থিত হৈছিল। লুইতৰ সোঁতত সি হেৰাই গৈছিল। পিচত আমাৰ দলটোৱে একমত হৈ সি আমাৰ লগতে নগৰেৰালৈ উভতি অহা বুলি সকলোকে জনাইছিলো। তেতিয়া জীৱনৰ মাক-বাপেকে হয়তো ভাবিছিল—বালিভাত খাবলৈ 'নাযাবি নাযাবি' বোলা কথাষাৰে জীৱনৰ মনত আঘাট দিলে। সেয়ে, সি ঘৰ এৰি কৰবালৈ গুচি গ'ল। দিন, মাহ, বছৰ এটি এটিকৈ কালৰ সোঁতত লোপ পালে, জীৱন কিন্তু ঘূৰি নাহিল। মাক-বাপেকে হয়তো এতিয়াও আশা কৰি আছে জীৱন ঘূৰি অহা দিনটোলৈ।

* * *

কুঞ্জলতা ৰকবা কাওন মাহৰ সোতৰ তাৰিখে প্ৰচণ্ড ধুমুহাটোৰ পিচত নোহোৱা হোৱা কথাষাৰ সম্পূৰ্ণ মিছা। সন্তান-সম্ভৱা কুঞ্জলতা ৰকবাই বিহ খাই

আত্মহত্যা কৰিছিল। আৰু, সেই পাপৰ কলঙ্ক ঢাকিবলৈকে সেউতাক জগত বৰুৱাই সেই ধুমুহাৰ ৰাতিয়েই তাইৰ মৃত দেহটো ব্ৰহ্মপুত্ৰৰ বুকুত উটুৱাই দিছিল। জগত বৰুৱাৰ ঘৰত কাম কৰা নিপোটল স্বাস্থ্যৰ নেপালী ল'ৰাটোৰ কি হৈছিল জানা? তাক কোবাই কোবাই আধামৰা কৰি ঘৰৰ পৰা খেদি দিয়া হৈছিল।

: সঁচা?

: ও, আধামৰা দেহ এটাৰে সি কঁাহিকুছি কাৰ্ম্মত বহুৰা হিচাবে সোমাইছিলহি। কিন্তু আচলতে তাৰ দোষ আছিল জানো? ঘৰৰ নালাগে, কুঞ্জলতা বৰুৱাই নিজৰ কামখিনিও তাৰ হতুৱাই কৰাইছিল। আনকি বাথৰুমত সোমাইও তাই নেপালী ল'ৰাটোৰ হতুৱাই মেখেলাখন, পেটিকোটটো, চেন্দেলজোৰ আনিব পাহৰা বুলি অনাই লয়। সি বিনা আপত্তিত সেইখিনি নিয়াৰিকৈ কৰি গৈছিল। নহলে তাৰ উপায়ো নাছিল। জগত বৰুৱাৰ লগতে মৰমী জীয়েক কুঞ্জলতা বৰুৱাৰো সি আছিল চাকৰ। সিবিলাকৰ কাম কৰাই যদি চাকৰৰ কৰ্ত্তব্য হয়, সিও নিশ্চয় কৰ্ত্তব্যকে কৰিছিল। এদিনাখন কি হৈছিল জানা? কাপোৰজোৰ দিয়াৰ লগতে নেপালী ল'ৰাটোৱে কুঞ্জলতা বৰুৱাৰ বগা, মিহি পিঠিখনো ভোলৰ চোচেৰে ঘঁহি দিছিল। বন্ধ বাথৰুমটোত ডেকা তেজৰ সোঁতে আৰু এজনী ৰূপহী গাভৰুৰ বতাহ বলীয়া কৰা গোন্ধে তাৰ সৰ্ব্বশৰীৰ কঁপাই তুলিছিল। ঠিক তেনে এটা দুৰ্ব্বল মুহূৰ্ত্তত কুঞ্জলতা বৰুৱাই তাক হেচামাৰি ধৰিছিল। চাকৰ হিচাবে কুঞ্জলতা বৰুৱাক কৰিবলগা কৰ্ত্তব্যকণ সি অতি কম মুহূৰ্ত্তৰ ভিতৰতে কোনেও নজনাকৈ কৰি দিব লগা হৈছিল। ...সেই মুহূৰ্ত্তৰ পৰা সি কুঞ্জলতাক 'বাইদেউ' বুলি মাতিবলৈ ভয় কৰিছিল, যদিও তাৰ কৰ্ত্তব্যখিনি কোনেও নজনাকৈ কৰি আছিল। এই ঘটনাৰ প্ৰায় সাত মাহৰ পাছত আছিল সেই আপদীয়া সোতৰ ফাগুনৰ দিনটো। আৰু·

: নকব না সেইবোৰ। মোৰ বৰ লাজ লাগে পায়।

: লাজ? কিহৰ লাজ? জানো, তিৰোতাৰ লাজ আছে। কিন্তু তুমি যি লাজৰ কথা কৈছা সেই লাজ হৈছে তিৰোতাৰ বাহ্যিক লাজ। তিৰোতাই বাহিৰত বৰ লাজ দেখুৱাব জানে। স্পৰ্শ কৰিলে লাজুকী লতাইও লাজতে মুচকচ্ যায়। সেইবুলি লাজুকী লতাৰ জানো সঁচাকৈ লাজ আছে? সিঁহতৰ সেইয়া লাজ নহয়, সেইয়া ভাঁজ। দেহৰ ভঁাজতকৈ তিৰোতাৰ কথাৰ ভঁাজ বেছি। কথাৰ ভাজেৰে মানুহক কুকুৰিকনা কৰিব পাৰে, যেনেকৈ তুমিও মোক নচুৱাবলৈ আৰম্ভ কৰিছিলা।

: ধৰিলে আপুনি আমাৰ বদনাম গাবলৈ। বাৰু। কওঁকচোন, হলৈয়াৱাইতৰ

সেই যে মাক বাপেক নোহোৱা চাকৰণী ছোৱালীজনী আছিল, তাইক কিয় গাৰঁত নিথকৱা কৰি থৈ আহিছিল ? তাইক হেনো বিয়া দিব বুলি ঘৰৰ কামবন কৰিবলৈ দলৈমামাই লৈ আহিছিল।

: অ', তাইৰ কথা। মানে অন্য বিশেষ একো নহয়। ছোৱালীজনী ডাঙৰ হৈ অহাৰ লগে লগে মামাৰ ডাঙৰ ল'ৰা দুজনে কাম-বনত কিবা দোষ দেখিলে তাইক আগৰদৰে ভুকুটো চৰটো মাৰে যদিও চৰৰ লগতে দুই আঙুলিৰে গালখন টানে। ভুকুবোৰো আগতে পিঠিত পৰিছিল, কিন্তু তাইৰ বুকুখন বাঢি অহাৰ লগে লগে বুকুতহে পৰা হ'ল।

: আপদীয়াটো কৰবাৰ। এনেবোৰ কথাওযে কব পাৰে আপুনি। লাজো নেপায়।

: মই অকনো বহণ সানি কোৱা নাই। দলৈমামাই এইবোৰ দেখি শুনি সহিব নোৱাৰিলে আৰু সেইবাবেই তাইও খেদা খাব লগা হ'ল। ছোৱালীজনীয়ে খাবলৈ নাপায় মৰক, তাত তেওঁৰ ক্ষতি নাই। কিন্তু ল'ৰা দুজনৰ চৰিত্রত চেকা পৰিলে তেওঁৰ ক্ষতি হব যথেষ্ট।

অসময়ত প্রসৱ হোৱা কলেজ হোষ্টেলৰ ছোৱালীজনীৰ বিচাৰ একো নহ'ল। 'কিয় নহ'ল ?' —এই প্রশ্ন আজিও নগৰেৰাৰ বাহুজৰ মনত জাগি উঠে। পিচে, সেই মৃত সন্তানটিৰ পিতৃ কোন আছিল জানা ? পঞ্চাশৰ দেওনা পাৰ হোৱা হোষ্টেল চুপাৰিনটেন্‌দেণ্ট মাননীয় শ্রীপ্রসন্নজিৎ দুৱৰা। কিন্তু তেখেত আজিও নগৰেৰাবাসীৰ মাজত গণ্য-মান্য ভদ্রলোক হৈয়েই আছে।

তুমি জানানে (?) শান্তি পুখুৰীৰ পূব পাৰত থকা লিলি সেনে কিয় এমাহৰ পিচতেই গিৰিয়েকৰ ঘৰৰ পৰা গুচি আহিব লগা হ'ল ? আই, এ পাচ লিলি সেনে বিয়া কৰোৱা বি, এচ্‌-ছি, এম্‌-বি, বি-এচ্ ডাক্তৰজন হেনো আচলতে ডাক্তৰ নাছিল—সি আছিল কলিকতাৰ বয়েল ষ্ট্রীটৰ দক্ষিণ ফাললৈ নামি যোৱা এটা গলি ৰাস্তাৰ ওচৰত বাসকৰা এজন লম্পট। 'অমৃত বজাৰ পত্রিকা'ত 'পাত্রী চাই' শিৰোনামাত বিজ্ঞাপন দি লিলি সেনক বিয়া কৰাই নিছিল—কিছুমান মিছা, মানে নকল চাৰ্টিফিকেট দেখুৱাই। লিলিৰ বাপেক-মাকইতক দেখুৱা থকা ঘৰটো আছিল—কোনোবা কোম্পানীৰ নতুনকৈ সাজিবলৈ লোৱা ঘৰহে। বিয়া কৰাই লৈ গৈ লিলিৰ সকলোবোৰ সোণৰ অলঙ্কাৰ বাজেয়াপ্ত কৰিছিল। ৰাতি ৰাতি অদ্ভুত কিছুমান মানুহৰ আগমনে লিলিৰ মনত সন্দেহৰ সৃষ্টি কৰিলে। নানা ধৰণে তাইৰ ফটো তুলি বজাৰত বিক্রী কৰা হ'ল। যিদিনাখন তাইক সম্পূর্ণ নঙঠা কৰি ফটো তুলিবলৈ লৈছিল,

লিলি সেইদিনা বেহুচ্‌ হৈ পৰিছিল। জোৰকৈ তাইক বিবস্ত্ৰ কৰা হৈছিল আৰু তাইৰ স্বামী নামৰ লম্পটজনে এক বিকৃত যৌন-ক্ষুধাৰ ভঙ্গীত এই ফটো লৈছিল। এইবোৰ ফটো বেলেগ বেলেগ ঠাইত চপা কৰাই বিক্ৰী কৰিছিল। কাৰণ তেনে ফটো কিনোতাৰ অভাব নাছিল।

জ্ঞান ঘূৰাই পাই লিলি সেনে দেখিছিল যে তাই এখন চিকিৎসালয়ত। সকলো কথা মনলৈ অহাত তাই মনে মনে বেজাৰত কান্দিছিল। তাৰ পিচ-দিনা তাই হাস্পতালখনৰ পৰা পলাই আহি ঘৰ পাইছিলহি। এইবোৰ তাই মোক নিজেই কৈছিল। তাই আকৌ কৈছিল—'বুজিছে শৰ্মাদা, আপুনি হৈছে লিখক। গল্প লিখে আপুনি। কিন্তু মোৰ এই 'ট্ৰেজেদি'টো লিখি ছুলিয়াৰ নেই। আনকি গল্পৰ আকাৰেও। নহলে—স্বামীৰ লগত মনৰ অমিল হোৱা বুলি মানুহক ফাঁকি দিয়াটো ওলাই পৰিব। পৃথিৱীত যে একশ্ৰেণীৰ লোকে কেৱল আনক ঠগাই খাই আছে, তাক কোনেও নেজানেনে বাৰু? ইঁহতক ধৰাৰ উপায় একো নাইনে? ইঁহতে চলায়—business without capital. মই মোৰ বিবাহিত জীৱনটোৰ ওচৰত হাৰ মানিছো, শৰ্মাদা। সেয়ে এতিয়া শিক্ষয়িত্ৰী হৈ সোমাইছো—অকʼমান শান্তি পাম বুলি।" o o o

যোৱা ১৯৬০ চনৰ ১৫ নবেম্বৰ তাৰিখে শ্ৰীযুত গোস্বামীৰ ঘৰত খোৱা বিয়াখনৰ কথা তোমাৰ নিশ্চয় মনত আছে। সেই বিয়াৰ ৰাতিয়েই মোৰ অন্তৰঙ্গ বন্ধু তপন ডেকা মূৰ্চ্ছা গৈছিল। মানুহে ভাবিছিল—তাক কোনোবা দুষ্ট লোকে আছদি কৰিলে বুলি। কিছুমানে আকৌ কৈছিল—'ৰাতি পুৱাবে পৰা কাম কৰি কৰি বেচেৰা মূৰ্চ্ছা গৈছে।' কিন্তু আজি বহুত দিনৰ মূৰত আচল ঘটনাটো শুনি তুমি নিশ্চয় আচৰিত হবা। বাৰু, কওঁ শুনা—

ৰাতি ১২ মান বজাত তপনে খাপ লৈ আছিল—বিয়াঘৰৰ পিচফালে থকা সামান্য বেৰাবে আওৰা বাথৰুমটোৰ ভিতৰত। সি দেখা পাইছিল এন্ধাৰৰ মাজেৰে এজনী গাভৰুৱে আলফুলকৈ খোজকাঢ়ি আহি বাথৰুমটোত সোমোৱা। তপনৰ তেতিয়া তাইনো কোন (?) তাৰি চাবৰ সময় নাছিল। তাৰ মনে বিচৰা বস্তুটোকে পাই সাবট মাৰি ধৰিছিল। কিন্তু গাভৰুজনীয়ে যেতিয়া 'তপন ককাইদেউ' বুলি বিকট চিঞৰ মাৰি উঠিছিল তেতিয়া মূৰ্চ্ছা গৈছিল—তপন। নিতৌ ব্লক্ প্ৰিন্ট মালাই সেইদিনা লগৰ ছোৱালীবে সৈতে মেখেলা-চাদৰ পিন্ধি আহিছিল—বিয়া ঘৰলৈ। তপনে বুজোতে ভুল কৰিছিল যে সেইজনী তাৰেই সহোদৰা ভনীয়েক মালা। মালাৰ চিঞৰত ৰভাঘৰৰ মানুহ গোট খাইছিল তাত। মালাই ভয় আৰু আশঙ্কাত মুখেৰে একো ক'ব পৰা নাছিল। মানুহে

ভাবিছিল যে আন্ধাৰত নিশ্চল হৈ পৰি থকা কঙ্কালেকক দেখি মালাই তেনেকৈ চিঞৰি উঠিছে। ০ ০

: আপোনাক অপদেৱতাই ধৰা ঘটনাটো তেতিয়াই ঘটা নেকি ?

: অ'। তেতিয়াই। আৰু ইয়েই হ'ল আমাৰ জীৱনৰ বিধাক্ত কীট। এয়াহ মানৱ পাছৰ কথা। সেইদিনা আছিল অমাৱস্যা। নগৰবেৰাত মই থকা মানুহ ঘৰৰ গাতে লাগি থকা ভলুকা পাহাৰখন। ৰাতি প্ৰায় একমান বজাত মোক কোনোবাই মতা যেন পালো। ভালকৈ উমান্ লৈ কাণপাতি শুনিলো। হয়, সেয়া নাৰীৰ কণ্ঠস্বৰ এটাই মোকেই মাতিছে। হাতত সাৰে ভৰিত সাৰে লাহেকৈ দুৱাৰখন খুলি মই বাহিৰলৈ ওলাই আহিলো। দেখিলো—আমাৰ ঘৰৰ মালিকৰ ছোৱালী—ইন্দুমতী। মই কিবা এটা সুধিব খোজোতেই মোৰ মুখত তাইৰ সোঁহাতখন দি মোক কথা কবলৈ বাধা দিলে। তাৰ পিছত মোৰ চোলাৰ সোঁহাতখনত ধৰি পাহাৰৰ ওপৰলৈ লৈ গ'ল। সেই সময়ত মই সকলো পাহৰি গৈছিলো। মাত্ৰ কণা-বোবা মানুহৰ দৰে তাইৰ পিছে গৈ আছিলো। কিছুদূৰ গৈ পাহাৰৰ ওপৰত এচটা ডাঙৰ শিল পালো। শিল চটাৰ কাষতে এখন ডাঙৰ ফুলনী। সেয়া যেন ফুলৰ সমাৰোহ। অলেখ ফুলৰ উজ্জলতাই [illegible]ৰ বিবাই আছে। ফুলে ফুলে হৈছে জাতিষ্কাৰ। ফুলবোৰ যেন গছত ফুলা ফুল নহয়, কোনোবাই মালাহে গুঠি থৈছে। সেইয়া এখন প্ৰমোদ-কানন। মাজে মাজে কিহবাই কিৰীলি মাৰি উঠে। অদূৰত কিঙ্কিণী বাজে। ফুলনি-খনৰ সোঁমাজলৈ মোক লৈ গ'ল। হঠাতে মোৰ বুকুখন কঁপি উঠিল। মই সচকিত হৈ উঠিলো। মই কলৈ আহিছো ? কিয় আহিছো ?? মোৰ মুখত তেতিয়া পানী নোহোৱা হৈছিল। ভয়তে মোৰ উশাহ বন্ধ হোৱা যেন লাগিছিল। 'ইন্দু' 'ইন্দু' বুলি চিঞৰিব খুজিও মই চিঞৰিব পৰা নাছিলো। দৌৰিবলৈ খুজি দেখিলো যে ইতিমধ্যে মোক বনৰীয়া লতাবে বান্ধি থৈছে। কোনোবাই যেন মোক নাগ-পাশেৰে আৱদ্ধ কৰি ৰাখিছে। দেখিলো—মোক এইমাত্ৰ লৈ অহা ইন্দুমতী যেন ইন্দু নহয়, এইজনী স্বৰ্গৰ অপ্সৰা। তাইৰ খোজবোৰ দেখোন মাটিত নপৰে। ভয়তে মোৰ পেপুৱা লাগিল। অপদেৱতাৰ কথা আগতে শুনিছিলো, কিন্তু সিদিনা নিজ চকুৰেই দেখা পালো। মই দেখিছিলো যে মোৰ ঠিক সন্মুখতে এটা পকী চন্দুক। তাত প্ৰায় দুইসেৰ ওজনৰ তলা এটা লগোৱা আছে। ছোৱালীজনীয়ে তলাটো খুলিলে। সক দুৱাৰৰ দৰে কিবা এখন খুলি চন্দুকটোৰ ভিতৰৰ পৰা কিতাপ উলিয়াই আনিলে। তাৰ পিছত মোৰ সন্মুখত কিতাপখন মেলি ধৰি কিছুমান কথা কৈ

প'ল। যিখিনি মনত আছে তাকেহে তোমাক কম। শুনা—

"তই পূৰ্ব্বজন্মত জোনাবী ষ্টেট'ৰ জমিদাৰৰ ল'ৰা আছিলি। এবাৰ চিকাৰলৈ য'ওঁতে তই এজনী গাভিনী পহুক গুলিয়াই মাৰিছিলি। কিন্তু, তাৰ অলপ পাছতে তোকো হত্যা কৰিছিল দুটা গুলিৰেও নিহত নোহোৱা প্ৰকাণ্ড ঢেঁকীয়াপতীয়া বাঘে। এনেদৰে তিনিটা প্ৰাণীৰ তাতে মৃত্যু হৈছিল। চিকাৰী হিচাবে হৰিণী এজনীৰ যেনেকৈ তোৰ প্ৰয়োজন আছিল, চিকাৰী বাঘটোৰো প্ৰয়োজন আছিল—তোক। পৃথিৱীৰ সকলো প্ৰাণীয়ে সকলো প্ৰাণীৰ ওপৰত ভৰষা কৰি চলে। বুদ্ধিত শ্ৰেষ্ঠ বাবে মানুহজাতি এইবিষয়ত কিছু আগবঢ়া। কিন্তু প্ৰাণীৰ ভিতৰত মানুহৰেই আটাইতকৈ বেছি অশান্তি। মানুহৰ জ্ঞানৰ সীমা যিমানেই বহল হৈ যাব ধৰিছে সিমানেই অশান্তিও বাঢ়ি যাব ধৰিছে। সকলোৱে একেমুখে কোৱা 'শান্তি' শব্দটোৱেই এসময়ত অশান্তিকৰ হৈ উঠিব।

"নগবেৰাৰ গাম্ভীৰ্য্যদানৰ পৰা পাগলাৰ টেকলৈ ব্ৰহ্মপুত্ৰৰ কঢ়াল গ্ৰাসত পৰিব আৰু যেতিয়াই ইয়াত দিনে-ৰাতি পানীৰ খলকনি উঠিব তেতিয়াই অসমত এটা নতুন উন্নতিৰ যুগ আৰম্ভ হব। ইয়াৰে চাৰ্কিত হাউচৰ কাষতে ব্ৰহ্মপুত্ৰলৈ ওলমি পৰা পৰো হৈ থকা জোঙা শিলছটা কেতিয়াও পৰি নেযায়। শিলছটা পাহাৰৰ এটা বৃহত শিলৰ অংশ বিশেষ।"

ঘিটমিট এক্কাৰৰ সামান্য পোহৰ হোৱা ঠাই খিনিত মই চাই আছিলো—সেই অপৰূপা নাৰী মূৰ্ত্তিটোলৈ। অলপ বৈ আকৌ তাই কবলৈ ধৰিলে—"তোক আজি ইয়ালৈ কিয় মাতি আনিছো, জান? পঞ্চলিছ বছৰৰ পৰা পচপন্ন বছৰ বয়সলৈ তোৰ জীৱনৰ কালছোৱা হব—দেশকৰ্মীৰ জীৱন। সেইখিনি সময়তে পৃথিবীৰ চাৰিওফালে যুদ্ধৰ বিভিষিকাই মূৰ তাঙি উঠিব। সেই সময়ছোৱাত ভাৰতৰ পৰা বহুত দূৰৈত থকা ডুথন দেশে নগবেৰা আৰু নগা-পাহাৰত দুটা চকি বনাবলৈ যত্নপৰ হৈ উঠিব। অৱশ্যে এই প্ৰচেষ্টা এতিয়াৰ পৰাই চলি আছে তিনিজন মানুহৰ দ্বাৰা। পৃথিবীৰ কিছুমান আচৰিত আচৰিত খবৰ—এই তিনিজন মানুহে সংগ্ৰহ কৰে—খেলুৱৈ, ভ্ৰমনকাৰী আদিৰ দ্বাৰা। পৃথিবীৰ বিভিন্ন ৰাষ্ট্ৰত ঘূৰা ফুৰা খেলুৱৈয়ে হওঁক, ৰাজনীতিবিদেই হওঁক বা ভ্ৰমনকাৰীয়েই হওঁক আটায়ে ৰাজনীতি দিশটোলৈহে বেছিকৈ চকু দিয়ে। এইবোৰ অত্যন্ত গোপনীয় কাম। মানুহৰ হিংসাত্মক কাৰ্য্যবোৰ যেতিয়া গোপনীয় হয় তেতিয়া আৰু বেছি ভয়াবহ হয়। তোৰ জীৱনটোও তেনেদৰে ভয়াবহ হৈ উঠিব। আনক তই যথেষ্ট সুখ দিব পাৰিবি সচা, কিন্তু নিজে

তিলমানো সুখ ভোগ কৰিবলৈ নেপাব।

ভাৰতবৰ্ষত বিপদৰ উপৰি বিপদ আহি থাকিব যদিও ই অতি সহজতে সমাধা হব। কিয়নো ভাৰতত কোনোদিনেই উপযুক্ত দেশনেতাৰ অভাৱ নহয়। আনহাতে ভাৰতৰ ডেকা শক্তিটোৱে নতুন উৎসাহ আৰু নতুন প্ৰেৰণা লৈ আহিছে। এই শক্তিটোৱে এদিন পৃথিৱীৰ চকুত আদৰ্শনীয় শক্তি হৈ থিয় দিব।" আৰু কি কলে জানা? কলে—"তই মানুহৰ মাজত প্ৰচাৰ কৰিবি যে ভগবান বুলি মাটিৰ মূৰ্ত্তিক পূজা কৰাৰ পৰা কোনো লাভ নাই। প্ৰত্যেক মানুহে প্ৰত্যেক মানুহক পূজা কৰাটোহে সকলোৰে কৰ্ত্তব্য। মানৱ ধৰ্ম্মহে প্ৰকৃত ধৰ্ম্ম। যুগে যুগে ধৰ্ম্মপ্ৰচাৰক সকলে প্ৰচাৰ কৰি যোৱা বিভিন্ন ধৰ্ম্মৰ নিয়মবোৰ দেৱতাৰ বাবে নহয়, মানুহৰ বাবেহে। ভগবানক চিন্তা কৰি কপালক ধিয়াই কিবা হব বুলি ভাবি থকাটো মানুহৰ অন্ধবিশ্বাস। মানুহৰ কৰ্ত্তব্য হৈছে ইজনে সিজনৰ বাবে কাম কৰাটোহে। ভগৱানৰ বাবে কাম কৰাত নহয়। কোনো এটা কামৰ ভাল ফল পোৱা নগ'ল বাবে কপালত নাই বুলি ভাবি বহি থকাটো মূৰ্খামি। কি কাৰণত ভাল ফল পোৱা নগ'ল সেইটো ভবাহে উচিত। তোৰ মনটোৱে মানুহৰ বাবে চিন্তা কৰে, মানুহৰ দুখত কান্দে আৰু সেইবাবেই তোক আজি ইমানখিনি কথা কব লগাত পৰিলো। কথাবোৰ মনত ৰাখিবি। অ,' তই এতিয়া যাব পাৰ'।"......কিন্তু, ইকি? ইন্দু দেখোন তৎক্ষনাত নাই-কিয়া হৈ গ'ল। মোক বান্ধি থোৱা লতাবোৰো দেখোন নাই। ইমানপৰে ভয়তে লৰচৰ নোহোৱা দেহটোৱে পাৰে মানে ঘৰলৈ দৌৰিবলৈ ধৰিলে। দৌৰি, দৌৰি আমাৰ ঘৰৰ দুৱাৰ মুখতে অচেতন হৈ পৰিলো। যেতিয়া মই জ্ঞান ফিৰাই পাইছিলো তেতিয়া ৰাতি পুৱাইছিল। মই জানো—আজি তোমাক কব খোজা কথাবোৰৰ লগত ইন্দুমতীয়ে মোক কোৱা ভৱিষৎ বাণীৰ কোনো সম্বন্ধ নাই। তথাপি তোমাক কলো। কাৰণ, নকলে ইন্দুমতীৰ বিষয়ে অসম্পূৰ্ণ হৈ ৰব।

ইন্দুমতীৰ প্ৰেতাত্মাই কোৱা কথাবোৰ প্ৰথমতে মিছা আৰু যুক্তিহীন বুলিয়েই ভাবি লৈছিলো। কিন্তু যিদিনা খিলঙতো এদিন তাই মোক ক্ৰ্যুটচ গাৰ্ডেন'লৈ ৰাতি লৈ গৈছিল সেই দিনাহে বুজিছিলো যে তাইৰ কথাবোৰ মিছা হলেও তাই কিন্তু মিছা নহয়। সিদিনা তাই মোক হত্যা কৰিবলৈ যত্ন কৰিছিল। ডাঙৰ ৰাস্তাটোৰ কাষতে থকা ক্ৰ্যুটচ গাৰ্ডেন'ৰ বেৰখনত আছিল এখন লোহাৰ গেট্। সেই গেট্খনত এটা লোৰ তলা লগোৱা আছে এতিয়াও।

সিদিনা আছিল ১৯৬৪ চনৰ ১২ চেপ্তেম্বৰ। নিশা দহবজাত ইন্দুমতীয়ে মোক লগ দিছিল। বন্ধু এজনৰ নিমন্ত্ৰণ ৰক্ষা কৰি মই মোৰ মেচলৈ উভতিছিলো—'হাৰেল বোড'ৰে। পীড়ৰ প্ৰকোপত এটি প্ৰাণীও বাটত নাই। বাটতে ইন্দুমতীক লগ পাইছিলো। তাই মোৰ লগত কথা পাতিছিল। মাতত জড়তা। তাইক বৰ করুণ করুণ লাগিছিল। তাই কৈছিল—

: মোৰ অতৃপ্ত আত্মাক তৃপ্তি দিয়ক।

: কিন্তু কিহেৰে ? কেনেকৈ ??

: আপুনি মোৰ স'তে মিলি গৈ।

: ....।

: কি ভাবিছে ?

: ভাবিছো—তোমাৰ পৰা কোনদিন নো মুক্ত হব পাৰিম।

: আহক, মই সেই মুক্তিৰ পথ দেখুৱাই দিম।

তাৰ পাছত ইন্দুমতীয়ে মোক লৈ গ'ল 'ক্ৰুট্চ গাৰ্ডেন'লৈ। মই যন্ত্ৰচালিতৰ দৰে তাইৰ কাষে কাষে গৈ আছিলো। গেট্খনৰ সিপিনে পকী কৰা খট্খটি কেইটামান আছে। খট্খটিৰে নামি গৈ পানীৰ মাজত থিয় হৈ তাই যেতিয়া মোক বাৰে বাৰে নামি যাবলৈ কৈছিল তেতিয়া মই লোৰ গেট খনত থকা তলাটোত খামুচি ধৰি মূচকচ্ গৈছিলো। সাৰ পাই দেখো যে মই মোৰ বিচনাত শুই আছো। মোৰ দুয়োকাষে আমাৰ আটাইবোৰ মেচ্ মেম্বাৰ। মেচৰে ল'ৰা এজনে মুৰ পিটিকি পিটিকি মোৰ কাষত বহি আছে। সৰ্ব্ব শৰীৰত শিলগুটিৰে কৰা আঘাটৰ চিনবোৰ তেতিয়াও জিলিকি আছিল। মোৰ জীৰ্ণ শৰীৰটো বৰকৈ বিষাইছিল। মেচৰ আটাইবোৰ ল'ৰাই ভাবিছিল যে মোক কোনোবা গুণ্ডাই হে খুন কৰিছে। হয়াৰে কেইদিনমান আগতে তাই মোক মাতি নিছিল বিষ্ণুপুৰৰ কাষতে থকা ওখ পাহাৰখনলৈ। তাত এডাল বিৰাট সৰলগছ পৰি আছিল। উভালি পৰা গছ ডালৰ গাঁতটোত দেখিলো—পাহাৰীয়া বজাৰ কিছুমান অস্ত্ৰ-শস্ত্ৰ, কিছুমান নথি-পত্ৰ আৰু এটা নৰকঙ্কাল। গাঁতটোৰ পাৰত থিয় হৈ মই এটা ভেঁকেটা-ভেঁকেট গোন্ধ পাইছিলো। তাই মোক গাঁতটোত সোমাবলৈ কৈছিল। মই কিন্তু নোসোমালো। বৰ জোৰ কৰাত দৌৰি গুচি আহিলো। তেতিয়া তাই খিলখিলাই হাঁহিছিল। সিদিনা আছিল ১৯৬৫ চনৰ ১৬ এপ্ৰিল, সন্ধিয়া। তাৰ ঠিক তিনিদিন পিছত সন্ধিয়া 'ওৱাৰ্ডলেক'ত তাই আকৌ মোক লগ দিছিল। আঙঠি এটা পানীত পৰা বুলি তাই মোক বিচাৰি দিব কৈছিল। মই মোৰ নিজৰ আঙঠিটোকে তাইৰ

পালৈ দলিয়াই দি বেগাই গুচি আহিছিলো।

ইন্দুমতীয়ে মোক এতিয়াও লগ দিয়ে। বিশেষকৈ সন্ধিয়াৰ নিৰ্জনতাৰ সুযোগ লৈ তাই মোৰ ওচৰ চাপে। প্ৰায় তিনি হাতমান আতৰে আতৰে তাই কথা কৈ আহি থাকে। কথাবোৰত তোমাক অলপ আগতে কৈ অহাৰ দৰেই, কোনো লাগ বান্ধ নোহোৱা। বিশ্বাস কৰিবৰ মন নেযায়। কথা কৈ আহি থাকোতে মই যদি তলমুৱাকৈ নেমাতি আহি থাকো অকণমানি ছোৱালীজনীৰ দৰেই তাই ঠেঁহ পাতে। যঁতে আছে তাতেই বৈ যায়। মই ঘূৰি চালেই তাই আকৌ দৌৰি আহে। তাইৰ পিন্ধন উৰণত বগলীৰ পাখি যেন বগা এখন কাপোৰ। কাপোৰখন কি কাপোৰ মই আজিলৈকে ধৰিব পৰা নাই। প্ৰথম কেইদিনমান মই খুব ভয় খাইছিলো। এদিন সাহস গোটাই লৈ সুধিছিলো—

: ইন্দু, তুমি যে মোৰ কাষে কাষে ঘূৰি ফুৰা, মোৰ ওচৰত তোমাৰ কি পাব লগা আছে বাৰু ?

: মৰম।

: মৰম ? মইতো মৰম দিব নেজানো। তুমি অন্য ঠাইলৈ গুচি নোযোৱা কিয় ?

: ইহ্ আপুনি নেজানে যদি কোনে জানে ? মই আজি আপোনাৰ নিচেই ওচৰলৈ যাব নোৱাৰো বাবেই মোক তেনেকৈ কৈছে। আজিৰ পৰা আপোনাক নেমাতো।

তাই ঠেহ পাতি ফেকুঁৰি ফেকুঁৰি কান্দিবলৈ ধৰে। মোৰও বেয়া লাগে। মনটো সেমেকি উঠে। পোটেঁহ বাতিটো কটাই দিওঁ—ইন্দুমতীৰ কথা ভাবি। দুখাৰ চকুলোৰে গাৰুটো তিতি যায় অজ্ঞাতে। .... আমি যেতিয়া সৰু আছিলো, অলপমান কাজিয়া লাগিলেই ইন্দুমতীয়ে প্ৰায়েই মোক কৈছিল—"আপোনাক নেমাতো।" এই কথাবাৰেই তাইৰ মুখৰ পৰা আজিও সৰি পৰা নাই। মই ডাঙৰ হলো। কিন্তু ইন্দু সেই তেৰ বছৰীয়া ইন্দু হৈয়েই থাকিল।

ইন্দুমতীক মোৰ বাহিৰে কোনেও নেদেখে। ইন্দুক দেখিবৰ প্ৰয়াসে মোৰ কেইজনমান বন্ধুক লগত লৈ গৈ দেখুৱাইছিলো। কিন্তু কোনেও নেদেখে। তুই এজন বন্ধুই মোৰ মতিভ্ৰম হোৱা বুলি বন্ধুমহলত প্ৰচাৰো কৰিলে। বাইদেউৰ ছোৱালীজনীয়ে এদিন মোক পাগল বুলিয়ে কৈ পেলালে। সিহঁতে সেইয়া মোৰ মানসিক ৰোগ বুলিয়েই ধৰি লৈছিল। কিন্তু মগজুৰ বিকৃতি হোৱা মানুহ এজনে জানো নিজৰ মানসিক ৰোগ হোৱা বুলি জানে ? পাগলে

পাগল হোৱা বুলি জানিলে কেতিয়াও পাগল হ'ব নোৱাৰে। মহো পাগল হোৱা নাছিলোঁ। ইন্দুমতীৰ প্ৰেতাত্মাৰ কথা মোৰ বন্ধুমহলে বিশ্বাস নকৰে। এৰা, অপদেৱতাৰ কথা শুনিলে যদিও ভয় লাগে, বিশ্বাস কৰিবৰ হলে মন নেযায়। আনহাতে, অপদেৱতা নিজে নেদেখিলে মানুহৰ কথাত পতিয়ন যাব-লৈও টান লাগে। সেয়ে মোৰ কথা কোনেও বিশ্বাস কৰা নাছিল।

: আৰু নকব না। মোৰ বৰ ভয় লাগে।

: ভয়। এৰা, ভয় মোৰো লাগিছিল। এতিয়া পিছে সেই ভয় আতৰি গৈছে। মই অভ্যস্ত হৈ পৰিছো। কিন্তু, কিন্তু এই চলনাময়ী নাৰী কোন আছিল জানা? নগৰেৰাত আমি ভাড়া লৈ থকা ঘৰৰ মালিকৰ দ্বিতীয়া কন্যা শ্ৰীমতী ইন্দুমতী। সামান্য অপৰাধত মাকে কাঠখৰি এডাল পালৈ মাৰি পঠিওৱাত ইন্দুমতীৰ বুকুত লাগে আৰু লগে লগে তাইৰ মৃত্যু হয়। মায়েকে জীয়েকক হত্যা কৰো বুলি কাঠখৰিডাল মাৰি পঠিওৱা নাছিল, খঙৰ আলাভহে মাৰি পঠাইছিল। কন্দা-কটাৰ চলতে মায়েকে মৃত জীয়েকৰ গলত জৰী লগাই আওহতীয়া ঠাইত ওলোমাই থৈহে পুলিচত খবৰ দিয়াইছিল। আৰু ডাক্তৰৰ লগত পৰামৰ্শ কৰি লিখাই লৈছিল যে ইন্দুমতীয়ে আত্মহত্যা কৰিছে।

এই ইন্দুমতীয়েই আছিল মোৰ আদি-যৌৱনৰ প্ৰথম পোহৰ দেখুৱাওঁতা। চতুৰ্থ শ্ৰেণীৰ পৰা ষষ্ঠ শ্ৰেণীলৈকে ইন্দুমতী আছিল মোৰ একেজেকো এৰা নিদিয়া খেলৰ লগৰী মনৰ লগৰী। এইজনী ইন্দুমতীয়েই ষষ্ঠ মান শ্ৰেণীৰ পৰা মোক অলপ বেলেগ ধৰণে মৰম কৰিবলৈ ধৰিছিল; কিন্তু সেই মৰম গাঢ় হৈ উঠাৰ আগ-তেই তাই চিৰদিনৰ বাবে গুচি গৈছিল।

: বাৰু তাইনো কি এনে ডাঙৰ দোষ কৰিছিল যে মায়েকে তাইৰ পালৈ কাঠ-খৰিডাল মাৰি পঠিয়ালে?

: কাৰণ, তাই উজ্জ্বল হাজৰিকাৰ ঘৰলৈ গৈছিল। সেইখন চহৰতে থকা আটাইতকৈ ধনী মানুহ আছিল—উজ্জ্বল হাজৰিকা। 'মিনতী' হাজৰিকাৰ একমাত্ৰ ছোৱালী। এই মিনতীয়েই আছিল—তোমাৰো একেজেকো এৰিব নোৱাৰা লগৰী। এসময়ত ময়েই তোমাক মানা কৰি দিছিলো—মিনতীৰ লগত ফুৰিবলৈ। কাৰণটো তেতিয়া অৱশ্যে তোমাক কোৱা নাছিলো। তথাপি তুমি মোৰ কথা অগ্ৰাহ্য কৰা নাছিলা। শুনা, আজি কওঁ সেই মিনতী হাজৰিকাৰ কথা। —'দুলাল' মিনতীৰ মাহীয়েকৰ ল'ৰা। পঢ়া-শুনা হাইস্কুলৰ

কোনোবা এটা শ্ৰেণীতেই শেষ কৰি সি থাকিবলৈ লৈছিল—জেঠায়েকৰ লগত। একোটা বংশত তিনিধৰণে বংশধৰসকল আছে। প্ৰথমতে এটা বংশই অশেষ কষ্ট স্বীকাৰ কৰি ধন-সম্পত্তি আৰ্জে। ইহঁতক বুলিব পাৰি 'কিনাৰাম'। ইহঁতৰে ল'ৰা-ছোৱালীবিলাক আছে—ভোগ কৰিবলৈ। ইহঁতক বুলিব পাৰি—'ভোগীৰাম'। ইহঁতে গোটেই জীৱনটো বাপেকৰ সম্পত্তিৰ ওপৰতে আৰামেৰে ভোগ কৰে। মানুহ অতি ভোগত উন্মত্ত হলে চৰিত্ৰৰ অধঃপতন হয়। এই ভোগীৰামহঁতৰ চৰিত্ৰকে অনুকৰণ কৰে—সিহঁতৰ ল'ৰা-ছোৱালীবোৰে। ইহঁতক কব পাৰি—'বেচাৰাম'। ইহঁতে সম্পত্তি বেচি-খাই তহিলং কৰে।

হাতীৰে হাতী ধৰাৰ দৰে দুলাল হাজৰিকায়ো মিনতীৰ দ্বাৰা বহুত মিনতী ধৰিব পাৰে। সেয়েহে চহৰৰ ধুনীয়া-ধুনীয়া ছোৱালীবোৰৰ লগত মিনতীৰ বন্ধুত্ব প্ৰগাঢ় হৈ উঠে আগতে।

এই দুলাল হাজৰিকাই নগৰেৰাত "জে, বি, ক্লাব" স্থাপন কৰে। যেনেকৈ তোমাৰ নামটো 'মনিকা শৰ্ম্মা' চুবুলি চমুকৈ ইংৰাজী আখৰত "এম, শৰ্ম্মা" বুলিব পাৰি, ঠিক তেনেকৈ 'জিন্দেগী বৰ্ব্বাত' ক্লাবৰ চমু নাম হল—'জে, বি, ক্লাব। অৱশ্যে গণ্য-মান্য মানুহক কবলৈ হলে—'জ্যোতি বিকাশ ক্লাব' বুলিহে কয়। এই ক্লাবৰে সভাপতি হ'ল—মিষ্টাৰ দুলাল হাজৰিকা। এই ক্লাবত 'মেম্বাৰচিপ,' লাভ কৰিবলৈ হলে তলত দিয়া গুণবাশিৰ কমেও পাঁচটাৰ অধিকাৰী হব লাগে। গুণ কেইটা হল—

১। চুঙা পেণ্ট, হাইহিল পইণ্টেড্ জোতা পিন্ধি বেকাকৈ চিগাৰেটৰ টান দিব জানিব লাগিব।

২। বিশ্ববিদ্যালয়ৰ পৰীক্ষাত উত্তীৰ্ণ হব নোৱাৰি failure is the pillar of success হৈ ঘূৰি ফুৰিব লাগিব। অৱশ্যে 'ড্ৰপ' দিয়াবোৰকো consider কৰি চোৱা হব।

৩। হেন্দেলত নধৰাকৈ চাইকেল চলাই বাটৰ মানুহক খুন্দিয়াই যাবপৰা সাহসী হব লাগিব।

৪। থিয়েটাৰ কৰিবলৈ বুদ্ধি পাৰ্ডি ধুনীয়া ধুনীয়া ছোৱালীবোৰক ক্লাবলৈ কেনেকৈ আনিব পৰা যাব তাৰ পূৰা অভিজ্ঞতা অৰ্থাৎ full-knowledge থাকিব লাগিব।

৫। গান ভালকৈ গাব নেজানিলেও ক্ষতি নাই। কিন্তু গানৰ নামত চিঞৰিব পৰা হব লাগিব। তবলাৰ অলপ 'আইদিয়া' হলেই হব। তবলা বজোৱৰ সময়ত অভিজ্ঞ বাদকৰ দৰে মূৰ হালি জালি 'পক্ক' দিব জনাটো

নিতান্ত দৰ্কাৰ।

৬। 'ফাইটিঙ'ত বাকৈয়ে পাকৈত হব লাগিব। গাত বল নাথাকিলেও বক্সিংৰ পৰা 'পঞ্চ' লৈ ভাল বন্ধাৰ হব লাগিব। ক্লাবৰ অহিত চিন্তা কৰা লোকৰ ওপৰত প্ৰতিশোধ লোৱা আৰু ক্লাবৰ কোনোবা মেম্বাৰক পৰীক্ষাত নকল কৰোতে উলিয়াই দিলে গাৰ্ডৰ ওপৰত 'ৰিভেঞ্জ' লোৱাটো বিশেষ কৰ্তব্য।

৭। চহৰৰ গণ্য-মান্য লোকক অপমান কৰা আৰু ছোৱালী জোকাব পৰাটো Extra-curricular activities হিচাবে ধৰা হব।

৮। সুৰা-পান কৰা, ফিচ্ বা ক্লাচ্ খেলিব পৰাটো Other Qualification হিচাবে ধাৰ্য্য কৰা হব।

ক্লাবত মেম্বাৰ হৈ লোৱাৰ পিছত তেওঁলোকৰ ওপৰত কিছুমান ডাঙৰ দায়িত্ব আহি পৰে। ক্লাবৰ ঘৰটো ভাল কৰিব লাগে বুলি বা কিতাপ কেই-খনমান কিনিব লাগে বুলি চাৰি নম্বৰ বহী এখন লৈ ঘৰে ঘৰে চ'াদা বিচাৰিব লাগে। বছৰৰ মূৰত ক্লাবৰ বছৰেকীয়া অধিবেশনখন পাতিব লাগে। তেতিয়া দুই এজন ভদ্ৰলোকক মাতি নি সভাপতি আৰু প্ৰধান অতিথিৰ আসন আগবঢ়াব। এইবোৰ ভদ্ৰলোকক দুটা কাৰণে মতা হয়। এটা কাৰণ হ'ল— ক্লাবৰ কাৰণে মোটা চ'াদা আদায় কৰা আৰু আনটো হ'ল—'ভেৰাইটিচ্ শ্ব' নাইবা থিয়েটাৰ কৰিবলৈ জীয়েকহঁতক অনাৰ সুচল ব্যৱস্থা কৰা। এই ক্লাবত কেতিয়াবা ছোৱালী নহলেও থিয়েটাৰ কৰা হয়। তেতিয়া ল'ৰাই ছোৱালী সাজি নাট কৰিব লগা হয়। গজেন বোলা এজনৰ মতে আজি কালি 'কো-এক্টিং' নহলে নাটক নজমে। এবাৰ এটা চুৰ্ৰীয়া ঘটনাও ঘটি গৈছিল। মানে গজেনক 'ডিৰেক্শ্যন দিয়া হৈছিল যাতে সি থিয়েটাৰত হোৱা তাৰ প্ৰেমিকাজনীক (ল'ৰা সাজি হোৱা) বিদায়ৰ মুহূৰ্ত্তত সাবতি ধৰে আৰু লাহেকৈ এটি চুমা খায়। কিন্তু সময়ক্ষেত্ৰত গজেনে প্ৰেমিকাক সাবতি নধৰিলে আৰু চুমাও নেখালে। গজেনৰ এই কাৰ্য্যত সন্তুষ্ট নহৈ নাট পৰিচালকে ভনে কৈছিল— "কিহে গজেন, গোটেই খিনি দেখোন পানী কৰি দিলা।" গজেনে উত্তৰ দিছিল— "গদ্ গদ্ কৰে ডেকা ল'ৰা ডালক কি সাবতি ধৰিবা আৰু তকান মুখখনত কি চুমা খাবা? মই অভিনয় কৰিয়েই ইন্টাৰেষ্ট পামনে দৰ্শকে চাইয়েই 'ইন্টাৰেষ্ট' পাব?"

এই ক্লাবত সহ-অভিনয় কৰিবলৈ ছোৱালী নাহে এই কাৰণেই যে ছোৱালী এজনী কৰবাত কেনেবাকৈ যোগাৰ কৰিলেও 'হিৰো'ৰ পাৰ্টটো লবলৈ ক্লাবৰ মেম্বাৰবোৰৰ হেতা ওপৰাখন লাগে। ফলত লটাৰী কৰিব লগাত

পৰে। থিয়েটাৰত ছোৱালীক গ্ৰীন ৰুমত পেইণ্ট, কৰি দিবলৈ মানুহৰ অভাব নাই। কোনোবাই কপালৰ তিলকটো দিবলৈ ঘুঁজি ঘুঁজি এঘণ্টামান কটাব। কোনোবাই 'হেয়াৰ পিন' দুটাকে লগাই দিব আধাঘণ্টামান জুৰি। তাই নিজেই লগাই লব পাৰিম বুলিলেও ইহঁতে কব—"তোমাকনো ইমান কষ্ট কৰিবলৈ দিমনে আমি থাকোতে ?" কোনোবাই আকৌ 'চাদৰখন এনেকৈ লব লাগে' বুলি ছোৱালীজনীৰ উঠন বুকুখনৰ ওপৰেৰে হাতখন বুলাই দিব। এই সুখকনেই বা আহে কব পৰা ? এনেবোৰ কাৰণতে বহুতো অভিভাবকে ছোৱালীক এই ক্লাবলৈ আহিবলৈ নিদিয়ে। নিদিয়ে যেতিয়া কোনে জোৰ কৰি আনে ? সেয়ে ছোৱালী অনা বুদ্ধি হৈছে বাপেকহঁতক ক্লাবৰ সভাপতি বা প্ৰধান অতিথি হিচাবে প্ৰথমতে আদৰনি জনোৱা তাৰ পিছত জীয়েকহঁতৰ অলপ গুন-গান গোৱা। যেনে—বীনাজনীয়ে খুব ধুনীয়া নাচে, বীনাৰ গ'লা পৰিষ্কাৰ, আৰু বেণু জনীৰ অভিনয়ে সচাঁকৈয়ে ভবিষ্যত পোহৰাব ইত্যাদি। বাপেকহঁতে গোফৰ তলত এটা গৌৰৱৰ হাঁহি মাৰি ছোৱালীৰ মাকৰ পিনে চাব ! ইয়াতে যদি মায়েকৰ সন্মতি আহিল তেনেহলে তেওঁৰ ছোৱালীয়ে অভিনয় কৰিব বুলি থাটাং হৈ গ'ল। গতিকে এনেহেন অঞ্চলত ভাল ছোৱালী এজনীৰ বাপেকক সভাপতিৰ আসন আগবঢ়োৱা বা নিৰ্দ্দিষ্ট বক্তা হিচাবে মাতি অনাত ক্লাবৰ সকলো মেম্বাৰৰে স্বাৰ্থ আছে। সভাপতিৰ বক্তব্যত থাকিব—"স্বাধীনতা পোৱাৰ পিছৰে পৰা উঠি অহা ডেকাসকলৰ সন্মুখত বহুতো কৰ্ত্তব্য আহি পৰিছে। তেওঁলোক সু-শিক্ষিত হৈ সমাজৰ কামত আগবাঢ়ি যাব লাগিব। আজিৰ ল'ৰাই দেশৰ ভবিষ্যত নাগৰিক।" লগে লগে অজস্ৰ হাত চাপৰিৰে সভা ভঙ্গ হব। তাৰ পিচত থাকিব ভোজন, এই ভোজনত যাৰে যি ইচ্ছা তাকেই খাব পাৰিব।

তাৰ পিচত আছে সৰস্বতী পূজা। বছৰৰ মূৰত সৰস্বতী পূজাভাগ কৰাটো ধৰা-বন্ধা নিয়ম। এই পূজাত ঘৰে-ঘৰে আৰু অফিচে অফিচে চাঁদা তুলি পইচা সংগ্ৰহ কৰা হয়। নগৰৰ অইন-অইন গোসানীৰ মূৰ্ত্তিৰ তুলনাত ক্লাবৰ সৰস্বতীজনী হব লাগিব—অতিকৈ সুন্দৰী। "বৈজয়ন্তীমালা' বা "হেলেন'ৰ নাচৰ ভঙ্গীমাত সৰস্বতীৰ মূৰ্ত্তি সজোৱা হব। তদুপৰি সৰ্ব্বশৰীৰ ওলাই জিলিকি থকা 'নাইলন' বস্ত্ৰ পৰিহিতা হব লাগিব। পুৰোহিতে উপায় নেপাই নাচৰ ভঙ্গীমাত থকা সৰস্বতীৰ ভগিনাতে পূজা কৰি থৈ আহিব। সেয়ে সৰস্বতী দেবীক বিদ্যাৰ অধিষ্ঠাত্ৰী বুলি নকৈ প্ৰেমৰ অধিষ্ঠাত্ৰী বুলি কবৰহে মন যায়। শ্ৰীশ্ৰীসৰস্বতীৰ শ্লোক জে, বি, ক্লাবত এনেদৰে গালেহে বেছি প্ৰযোজ্য হব—

ওঁ সৰস্বতী মহাভাগে প্ৰিয়ে কমললোচনে ।
বিশ্বৰূপে বিশালাক্ষি প্ৰেমং দেহি প্ৰিয়ত্তমে ॥

নামমাত্ৰ টকা পূজাত খৰচ কৰা হয় যদিও খোৱা লোৱাত আৰু থিয়েটাৰ কৰাত যথেষ্ট টকা খৰচ কৰা হয় । থিয়েটাৰত দৰ্কাৰ হোৱা পিন এটাৰ দাম পৰে তিনিটকা বাৰ পইচা । কাৰণ, পিনটোৰ দাম বাৰ পইচা আৰু পিন আনিবলৈ টেক্সিৰে বজাৰলৈ অহা-যোৱা কৰোঁতে খৰছ হয় তিনিটকা । মুঠ তিনিটকা বাৰ পইছা । পুৰোহিতক দেৰটকা দক্ষিনা দিবলৈ পইচা নোহোৱা হয় ; কিন্তু 'মাইকৰ' বাবে 'এড্ভান্স' বিশ্ টকা ইতিমধ্যে দিয়া হৈ যায় ।

বৰ্তমান সমাজখনত পূজাক কেন্দ্ৰ কৰি বং-তামোচাৰ্ই প্ৰতিহে বেছি চকু দিয়া হয় । বিশেষকৈ ডেকা-গাভৰু মানত । তলত দিয়া ঘটনাটোৰ পৰাই ইয়াৰ সাৰ্থকতাৰ প্ৰমাণ পোৱা যায়—

ডুজনী বুঢ়ীয়ে ছুই জীয়েৰেক লৈ পূজা চাবলৈ গৈছিল । পূজা চাই ঘূৰি আহোতে বুঢ়ী ডুজনীয়ে বাটে বাটে মেল মাৰি আহিছিল ।—কোনখন গোসানীৰ মূৰ্তি কেনে হৈছে, কোনখন পূজাত মানুহৰ হেঁচা-ঠেলাৰ কাৰণে ভালকৈ সেৱা এটা জনাব নোৱাৰিলে, নিৰ্ম্মালি লওঁতে গোসানীৰ উদ্দেশ্যে দিয়া সিকিটো থালখনত পৰিলেনে নাই ইত্যাদি । পিছে পিছে থাকওঁতে ডুজনীকৈ ছুই জীয়েকে আকৌ মেল মাৰিছে—ক'ত ক'ত হেমন্তদাই মানুহৰ ঠেলা-হেঁচাত পৰি যোৱা যেন দেখুৱাই তাইক সাবতি ধৰিছিল, পঙ্কজদাক নীলা টাইডালেৰে আজি খুব ধুনীয়া দেখাইছে, নগৰ বিউটী, দৰ্শকীইতে কেনেকৈ নিজৰ নিজৰ 'লাভাৰ'ক লৈ পূজা চাইছে । আমিহে বুঢ়ী ডুজনীৰ লগত ঘূৰি মৰিব লগা হ'ল । পঙ্কজদাই কালিলৈ ক'ত লগ ধৰিব কৈছে, ইত্যাদি ।

স'চাকৈ মনিকা, সময়ে আমাৰ দৃষ্টি-ভঙ্গীও বেলেগ কৰি পেলাইছে । বৰা, এইবাৰ আমাৰ গাওঁবোৰৰ কিছুকথা তোমাক কম । নগৰবোৰৰ ওচৰে-পাজৰে থকা গাওঁবোৰতো মই বহুতবাৰ ঘূৰিছো । এই গাওঁবোৰত কি কি ঘটি আছে, তাবে সম্পূৰ্ণ কৈ নোৱাৰিলেও কিছু আভাস অন্ততঃ তোমাক দিব পাৰিম—

চহৰৰ ওচৰৰ গাওঁবোৰে অতি ভয়ানক ৰূপ লয় । এই ৰূপৰ বং পৰে প্ৰথমে ডেকা-গাভৰু মানত । চহৰৰ 'ফেশ্যন' মিলাব খুজি হইত হৈ পৰে—চহৰ আৰু গাওঁৰ দোমোজাত । যৰৰ তামোল-পান বিক্ৰী কৰি হলেও খুন্তীখন এৰি লংপেন্টটো পিন্ধিব লাগিবই । লংপেন্টটো হব লাগিব অতি টেঙ্ক, চুঙাৰ দৰে । এই চুঙা-পেন্টবোৰ পিন্ধি ইহঁতে কয়—"আজি-কালি খুন্তী কোনে পিন্ধে,

কিবা জলছ মাৰ্কা দেখি। ধুতীতকৈ চুঙাপেণ্ট বহুত গুণে ভাল।"

সন্ধিয়া পঢ়া-শুনা নাইবা মৰণা মৰা কাম এৰি থৈ চহৰলৈ ইহঁতে চিনেমা চাবলৈ যাব। তাৰ পৰা ঘূৰি আহি গাওঁৰ আলিয়ে পদূলিয়ে হিন্দী গানৰ কলি কেইটামান বেসুৰাকৈ গাই ফুৰিব। ইহঁতৰে কিছুমানে আকৌ পুঁথিভঁৰাল পাতে। পুঁথিভঁৰালটোৰ নাম ৰাখিব—মহাত্মা, বাপু, গান্ধী, জৱাহৰ আদি মহাপুৰুষসকলৰ নামেৰে। পুঁথিভঁৰালটো হব লাগিব—নৈৰ পাৰত নাইবা গাওঁৰ ডাঙৰ পুখুৰীটোৰ পাৰত, য'ত গাওঁৰ জীয়ৰী-বোৱাৰীহঁতৰ সমাগম অলপ বেছি হয়। পুঁথিভঁৰালত থাকিব কেইখনমান খুজি অনা পুৰণি (মাজে মাজে পাত নোহোৱা) পুঁথি। কিতাপবোৰ সজাই থোৱা হব কেইখনমান বাঁহৰ চাঙৰ ওপৰত। পুঁথিভঁৰাললৈ আহি কিতাপ ধাৰে লোৱা নাইবা কিতাপ পঢ়াৰ ছলেৰে বহিব আড্ডা। এই আড্ডা তাচৰ হব পাৰে। পুঁথিভঁৰালৰ সন্মুখতে ইতিমধ্যে বিড়ি-চিগাৰেটৰ এখন দোকান বহিছে কিন্তু। গতিকে পুঁথিভঁৰালটো বিডি-চিগাৰেটৰ ধোঁৱাই ধুৰলি-কুৰলি হৈ থকাটো নিত্যান্ত স্বাভাৱিক। ইয়াত কোনো অভি-ভাৱকে দেখাবো সুবিধা নাই। পানী নিবলৈ অহা জীয়ৰী-বোৱাৰীহঁতে দেখিলেও গোপাল-নৰেশ্বৰহঁতে মুখত বেকাকৈ চিগাৰেটটো লৈ পুঁথিভঁৰালৰ বেৰত থিয়ৈ থিয়ৈ মুতিব। কিয়! চহৰলৈ যাওঁতে এইবোৰ দেখি আহিছে নহয়? চহৰৰ মানুহবোৰে থিয় হৈ যদি মুতিব পাৰে, গাৱঁৰবোৰে ইমান 'বেকৱাড' হৈ থাকিব কিয়? কেতিয়াবা আকৌ হাতখন ওপৰলৈ তুলি হিন্দী গানৰ টান এটা বেসুৰাকৈ মাৰি পানী নিবলৈ অহা মালতীজনীলৈ চাই এটা 'পজ' লব। তাই বেচেৰীয়ে লাজতে ভলমুৱাকৈ বেগা-বেগীকৈ ঘৰলৈ খোজ দিব। গোপালে ভাবিব—তাই তালৈ চাইহে অৰ্থপূৰ্ণ হাঁহি মাৰিছে। তাকে নৰেশ্বৰহঁতৰ আগত দহগুণ কৰি বৰ্ণাব—"জান ভাই, মালতীয়ে আজি মোলৈ কেৰাহীকৈ চাই হাঁহি হাঁহি গৈছে। আহ! তেতিয়া যে মোৰ দিলটো তাইৰ লগতে উৰি গৈছিল। তাইৰ ওঠৰ তলৰ হাঁহিটোৱে মোক একেবাৰে কামাল কৰি দিলে ভাই। তাইক নেপালে মই মৰি যাম চাল্লা।" নৰেশ্বৰহঁতে তেতিয়া—"হাবে, প্যাৰ কিয়াটো দৰনা কিয়া অৰ্থাৎ প্ৰেম কৰিলিটো ভয় কিহৰ" বুলি তাক চাব্বাচ্ দিব। আৰু "তই বৰ ভাগ্যবান" বুলি শলাগি তাৰ ওচৰত চাহৰ 'দিমাণ্ড' কৰিব। আৰু সেই চাহৰ যোগান লব চহৰৰ কোনোবা এখন চাহৰ দোকানত।

তাৰ পিছত, আমাৰ ধনাই-মনাইহঁতৰ ঘৰখননো কেনেকৈ চলিছে, তাকেই কওঁ শুনা—ধনাই-মনাই হালোৱা মানুহ। ৰাতি নৌ-পুৱাওঁতেই সিহঁত

যাব খেতি-পথাৰলৈ। আধা-মৰা হাড়ে-চালে লগা গৰু দুটাৰে কেইবিঘা মাটি চহাব পাৰিব তাক সহজতে অনুমান কৰিব পাৰি। ধনাই'মনাই দুইভাই। আগতে একেলগে আছিল, এতিয়া বেলেগ হৈছে। একেলগে থাকোতে আছিল ঘৰখনৰ জয় জয় ময় ময় অৱস্থা। দুটাকৈ ভৰালঘৰ গুটি ধানেৰে ভৰি আছিল। এতিয়া ছমাহৰেই খাবলৈ নোজোৰে। বছৰৰ ছমাহ আধাপেটিহে থাকে, আৰু তাৰ পৰা ধাৰ কৰি কেতিয়াবা খায়, মাজে মাজে লঘোন দিয়ে। দুই ভায়েক বেলেগ হোৱাৰ কাৰণ হ'ল—দুয়োৰে ঘৈনীয়েক। এজনীয়ে ঢেঁকীত ধান বানিলে আনজনীয়ে মূৰৰ বিষ উঠা বুলি বিচনাত শুই থাকে। খেতিৰ ধান চপাবৰ সময়ত সাধাৰণতে ঘৰৰ কাম বাঢে। এনেতে হ'ল—এজনীৰ মাকৰ ঘৰলৈ যাবৰ সময়। আনপিনে দিনটোৰ ভাগৰ পলাব খুজি ৰাতি বিচনাত ধনাই-মনায়ে শুনিব লগা হয়—ঘৈনীয়েকহঁতৰ পৰা অনেক 'ৰিপোর্ট' গতিকে ধনায়ে মনাইৰ প্ৰতি মনে মনে তিক্ত হোৱাটো অস্বাভাবিক নহয়। দুয়ো ভায়েকে এতিয়া কেনেকৈনো ঘৈনীয়েকহঁতৰ কথাবোৰ আলচ কৰে? আলচ কৰিলে অৱশ্যে ভুল বুজা-বুজি নহ'লহেঁতেন। কিন্তু আমি অসমীয়াবোৰে আই-পিতাৰ লগত বা ভাই-ককাইৰ সৈতে বহুত কথাই আলোচনা কৰিবলৈ লাজ কৰো। হয়তো এইটো আমাৰ স্বভাৱ বিৰুদ্ধ। অসমীয়া লৰাই মাক-বাপেকক খুলি কৰ নোৱাৰে—সি কিয় বিয়া নকৰায়। অসমীয়া ছোৱালীয়ে মায়েকক খুলি কবলৈ লাজ পায়—কোনজনৰ লগত বিয়া হলে তাই আটাইতকৈ সুখী হব। ইয়াৰ ফলত ভুল বুজা-বুজিৰ সৃষ্টি হৈ ঘৰখনত অশান্তিৰ সৃষ্টি হয়। ধনাই-মনাইও আছিল সেই একে স্বভাৱৰে। ঘৰখনত কিয় বিশৃঙ্খলতাৰ সৃষ্টি হৈছে এই বিষয়ে সিহঁতে এদিনো দুয়োবো মাজত আলচ নকৰিলে। তাৰ ফলস্বৰূপে সিহঁত বেলেগ হব লগাত পৰিল।

দুপৰীয়া হাল মেলি দি আহি সময়মতে ভাত নেপালে যাব ঘৈনীয়েকেই বাঢ়নী নহওঁক কিয়, পিঠিত পৰে কেঁচা কাঠ খৰিৰ কোৰ। ভাত সময়মতে নোহোৱাৰ কাৰণ কি সোধাৰ প্ৰশ্নই নুঠে। নহব কিয় (?) তাৰেহে প্ৰশ্ন। তেহেলৈ কাঠখৰি কেঁচাই থকাৰ কাৰণেই হওক বা আজি সোনকালে হাল মেলি দি অহাৰ বাবেই হওক। ঘৰৰ বিশৃঙ্খলতা ল'ৰা ছোৱালীৰ বাবেও হয়। খোৰা বস্তুখিনি দুই ভায়েকৰ ল'ৰা-ছোৱালীয়ে সমানে নেপালে সিহঁতৰ মায়েক-হঁতৰ গাত জোক লগাদি লাগে। তদুপৰি, ল'ৰা-ছোৱালীৰ কাজিয়া লগাটো একোটা দৈনন্দিন ঘটনা। এই ল'ৰা-ছোৱালীৰ ঘটনাই মাকহঁতৰ ওপৰেৰে পিচলি গৈ বাপেকহঁতৰ ওপৰত পৰেগৈ। ফলত, ল'ৰা-ছোৱালীৰ কাজিয়াই

ৰূপ সলাই মাক-বাপেকৰ কাজিয়াত পৰিণত হয়গৈ। তেতিয়া তাহঁতৰ ভাবি চাবৰ সময় নহয় যে একেলগে থাকিলে সাজ-বাচনবো টুং টাং শব্দ হয়। পৰিচিত বাটেৰে অহা-যোৱা কৰোতে মানুহবো খুন্দা খুন্দি লাগে। এইখিনি বুজি উঠাৰ আগতেই ধনাই-মনায়ে বেলেগ হবৰ বাবেহে বেছি জোৰ দিয়ে। আনহাতে গাওঁত উচটনি দিয়া মানুহবটো অভাবেই নাই। পৈত্রিক সম্পত্তি ভাগ কৰি দিয়ে গাৱঁৰে মেলকিবোৰে। এওঁলোক হ'ল কূটনীতিৰ এক ভয়ঙ্কৰ ৰূপান্তৰ। এওঁলোক মেলকি। এওঁলোকে ছুই ঘৰৰ মাজত বস্তু ভগাই দিব, কিন্তু মাজতে মাটি এডোখৰ নভগাই বা সম্পূর্ণ নিষ্পত্তি নকৰি ভায়েকহঁতৰ মাজতে এৰি দিব। ঠিক ইংৰাজসকলে ভাৰতক দুভাগ কৰি এখন পাকিস্থানৰ সৃষ্টি কৰাৰ দৰে। তাত থাকিব কিছুমান যুক্তিহীন চুক্তি। যাতে পিচত মুৰ ফলা-ফলি হৈ কাৰো উন্নতি হোৱাৰ আশা নাথাকে। ধনাই-মনাইৰো সেই একে অৱস্থাই হ'ল। ছুয়ো ভায়েক বেলেগ হোৱাৰ পিচত মাটি ডোখৰ কেনেকৈ চহাব লাগিব, কি সাৰ দিলে মাটি জীপাল হব নজনা কথাটো ওচৰৰে কৃষি-বিষয়াজনক সুধি অহাটো কেনেকুৱা হব, তাৰ আলোচনা নকৰি কেৱল সীমা ঠেলি একোখন কাজিয়াৰ সৃষ্টি কৰাটোহে যেন সিহঁতৰ প্রধান কর্তব্য।

এয়া এজন ধনাইৰে কথা নহয়, এজন মনাইৰে কথা নহয়; এয়া প্রতিজন ধনাই বা মনাইৰে কথা। প্রতিখন গাওঁৰে, প্রতিজন ধনাই-মনায়ে আজি এই ৰোগত আক্রান্ত। প্রতিজন ধনাই-মনায়ে আজি অভাৱ অনাটনত জুৰুলা। ভঁৰালত ধান এমুঠিৰ অভাৱ, খাবলৈ ভাত নাই। কিন্তু প্রত্যেকেই অন্তৰত পুঁহি ৰাখিছে—ইজনে সিজনৰ প্রতি হিংসা, দ্বেষ। যিডোখৰ মাটি তেওঁলোকে নিজেই ভগাই লব পাৰে, তাত আনিছে 'মেলকি'। ফলত হিংসা বাঢ়ি গৈছে, ইজনে সিজনৰ সীমা ঠেলি কাজিয়াৰ সৃষ্টি কৰি মুৰ ফলা-ফলি হৈছে। তাৰ পৰিণাম স্বৰূপে কেইটামান টকা গাৱঁৰে মেলকিক, কেইটামান টকা কাছাৰীত আৰু কাজিয়াত মুৰ ফলা-ফলি হলে ডাক্তৰৰ লগত হেইটামান টকা খৰচ কৰিবলৈ জেপত নহলেও মাটি বন্ধকী দিয়ে, তিৰোতাৰ গলৰ, কাণৰ অলঙ্কাৰ বিক্রী কৰে, আৰু তাতো নহলে অধিক সুদত ধাৰ কৰে। ভাল গৰু এহাল, ভাল সচঁৰ বীজ নাইবা ভাল সাৰ কিনিবলৈ এজনৰো পইচা নাথাকে। কিছুমানে আকৌ বছৰটো জোৰাকৈ খেতি কৰি বাকীখিনি মাটি ছন পেলাই থব নাইবা তালকৈ খেতি কৰিবলৈ বৰ বেছি গুৰুত্ব নিদিয়ে। বেছিকৈ উৎপন্ন কৰা ফচল খিনিয়ে যে তেওঁৰ লৈতে আনবো উপকাৰ কৰে সেইটো তেওঁ ভাবিবই নোৱাৰে। ঘৰখনৰ তথা সমাজৰ বিশৃঙ্খলতাই অনাহকত অযথা

খৰচ বঢ়ায়। ব্যক্তিগত আন্দোলন, চোৰ ডকাইত, আৰু সমাজৰ বিশৃঙ্খলতাই দেশৰ বহুপৰিমাণৰ ধন অযথা খৰচ কৰায়। পুলিচ বিভাগ, জেলখানা আদি সমাজৰ বিশৃঙ্খলতাৰ কাৰণেই সৃষ্টি হৈছে। তেনে দৰে আমি যদি আন্তৰ্জাতিক জগতত ভুমুকি মাৰি চাওঁ তাতো সেই একে বিশৃঙ্খলতাই দেখিবলৈ পাওঁ। নহলেনো, প্ৰত্যেক দেশৰে লাখ লাখ মিলিটাৰীৰ কি প্ৰয়োজন আছে বাৰু? এইবোৰ মানুহক যদি উৎপাদন কাৰ্য্যত নিয়োগ কৰা গ'লহেঁতেন তেনেহলে নিশ্চয় সমগ্ৰ পৃথিৱীতে সপোনতো ভাবিব নোৱাৰা কাম এটা কৰিব পৰা গ'লহেঁতেন। কিন্তু আজিৰ যুগত কোনে কাৰ কথা শুনে। ধনাই-মনাইৰ পৰা বিশ্বদৰবাৰলৈকে সকলো হৈছে—Challenge অৰ দল। তেহেলৈ আমি লাগে মানৱত্বক হেৰুৱাই পেলাওঁ।

এখন প্ৰদৰ্শনী আৰু চৰকাৰে উলিওৱা আদৰ্শ খেতি-পামবোৰ একে—বিশেষকৈ অসমৰ ক্ষেত্ৰত। প্ৰদৰ্শনীত দেখি যোৱা ভাল বস্তু এটা যেনেকৈ সকলোৰে ঘৰত বনাবলৈ ইচ্ছা নকৰে, তেনেকৈ আদৰ্শ খেতি-পামবোৰ দেখিলেই আমাৰ খেতিয়কৰো উৎসাহ নজন্মে। তেওঁলোকে গতানুগতিক ভাবে 'হলে হব, নহলে নাই' পদ্ধতিত খেতি কৰে। ফলত পৰিশ্ৰমৰ অধিক অংশ অনাহকতে নষ্ট হয়। হাতে কামে ধৰি কোনোবাই দেখুৱাই নিদিলে তেওঁলোকে নিজৰ মতকে পোষন কৰি চলে। চৰকাৰৰ অক্ষমতাৰ বাবেও মাজে সময়ে খেতিয়কবোৰ বিপাণ্ডত পৰে। খেতিয়কক শস্যৰ উন্নত বীজ দিয়াৰ আঁচনি কৰা হয় টকাৰ বিনিময়ত। কিন্তু টকা ঘূৰাই দিয়াৰ ক্ষমতা কেইজন খেতিয়কৰ আছে? আনহাতে উন্নত ধৰণৰ পামৰ ক্ষেত্ৰত চৰকাৰেও লোকচান ভৰিছে। আপাৰ চিলঙত ভেড়াৰ পাম খোলা হৈছিল। কিন্তু, কিছুদিন পিছতেই বহুত সংখ্যক ভেড়া মৰিল। বাকীবোৰ নিলামত বিক্ৰী কৰা হ'ল যদিও কিনামূল্যই মুঠিল। ১৯৫৬-৫৭ চন আৰু ১৯৬০-৬১ চনৰ মাজত উন্নত পামৰ আঁচনি হ'ল ১৪৪ খন। তাৰে ৩৭ খন seed Farm অৰ আৰ্থিক ফল এনে বেয়া হ'ল যে ২৪ খন বন্ধ কৰি দিয়া হ'ল।

এইবোৰৰ দোষৰ ভাগী কোন? চৰকাৰ নে চৰকাৰৰ চাকৰীয়ালসকল? চাকৰীয়ালবোৰৰ অৱহেলাৰ বাবে এনে হোৱা নাই জানো? বানপানীয়ে বখাউৰি ভাঙি খেতি-পথাৰ নষ্ট কৰাটো খেতিয়কৰ দোষ হব নোৱাৰে। ঠিকাদাৰৰ পৰা মন্ত্ৰীলৈকে সকলো ইয়াৰবাবে দোষী। দোষ অৱশ্যে ভাগত কম-বেছি পৰাটো স্বাভাৱিক। কিন্তু ইয়াৰ বিচাৰ কৰিব কোনে? বিচাৰ কৰিব পৰা মানুহবোৰ দেখোন দোষতে আবদ্ধ হৈ থাকিল। ধনাই-মনায়েতো বিচাৰ

কৰিব নেজানেই। জানিলেও ক্ষমতা নাই। মিনিষ্টাৰবোৰ যদি বেয়া কামত লিপ্ত হয় তেনেহলে তেওঁলোকক মিনিষ্টাৰ নুবুলি 'মনষ্টাৰ'হে বুলিব পাৰি। সেইদৰে ডাক্তৰবোৰ 'এক্টৰ' আৰু মিচট্ৰেচবোৰ 'একট্ৰেচ' হব পাৰে। আনহাতে 'ষ্টুডেণ্ট'বোৰে ,প্ৰেদেণ্ট' হেকৰায় আৰু ছাত্ৰবোৰে পাত্ৰী হোৱাৰ পথত আগবাঢে। আৰু শেষত, এইবোৰ বিষয়কে লৈ এম্-এল-এ বিলাকে বিধান সভাত 'কেলমেল' কৰে আৰু তাকেই ভাঙিবলৈ যাওঁতে 'স্পিকাৰ'ৰ 'বিকাৰ' লাগে।

বুজিছা মনিকা, প্ৰত্যেক মানুহৰে অন্তৰ পবিত্ৰ হোৱা দৰ্কাৰ। পবিত্ৰ অন্তৰ বুলি মই এই কাৰণেই কৈছো যে জন্মৰ লগে লগে আমি একোখন পবিত্ৰ অন্তৰহে লৈ আহো। কিন্তু ডাঙৰ হৈ অহাৰ লগে লগে সেই পবিত্ৰ অন্তৰত স্বাৰ্থৰ কালিমা লাগে। আমাৰ জীৱনটো এক প্ৰতিযোগিতাৰ খেল। এই খেলত প্ৰত্যেকজন মানুহেই একো একোজন প্ৰতিযোগী। এই প্ৰতিযোগিতা ধনী হোৱাৰ, মানী হোৱাৰ, গুণী হোৱাৰ, ক্ষমতা পোৱাৰ, বহুতো ঐশ্বৰ্য্যৰ গৰাকী হোৱাৰ। অইনৰ দুখ-দুৰ্গতিৰ পিনে চকু নিদি আমি ঐশ্বৰ্য্যৰ অধিকাৰী হবলৈ হেডা-ওপৰা লগাওঁ। হয়াৰ বাবে আমি অমানৱীয় কাম কিছুমান কৰিব লগাত পৰো। আৰু তেতিয়াই মানৱতাৰ চৰম পৰাজয় ঘটে। দোষীক শাস্তি বিহিবলৈ যাওঁতে আন কিছুমান জেঙা আহি পৰে। নেজানি কৰা দোষ ক্ষমাৰ যোগ্য কিন্তু জানি-বুজি কৰা দোষ অক্ষমনীয়। সেয়ে এনেকুৱা মানুহ-বোৰে নিজৰ দোষক নিজ অন্তৰেৰে উপলব্ধি কৰিব নোৱাৰিলে অন্য উপায়ে সিঁহতক শাস্তি দিয়াৰ কোনো লাভ নাই।

আন এটা কথা হঠাতে মনত পৰি গ'ল। এইটো ঘটনা তুমি বোৱাৰী হৈ অহাৰ আগৰ ঘটনা। ৰহমান মোৰ বন্ধু। সি এবাৰ আমাৰ ঘৰখন চাবলৈ ওলাল। মই তাক 'নাযাবি' বুলি কব নোৱাৰিলো। তাক আমাৰ ঘৰলৈ নিব লাগিলেও মোৰ পিনে আধ্যা। তথাপি সি ইচ্ছা কৰিছে যেতিয়া লৈ গলো। চহৰত থাকোতে দুয়োজনৰে খোৱা-লোৱা একেলগে চলে। কিন্তু গাৱঁৰ ঘৰলৈ লৈ গৈ খোৱা-লোৱা দূৰৰ কথা আমাৰ ঘৰৰ ভিতৰ পৰ্য্যন্ত যোৱাত বাধা। মাক কথাটো নকওঁ বুলি ভাবিছিলো পিছে ৰহমানেই কথা প্ৰসঙ্গত কলে যে সি মুছলমানৰ ল'ৰা। ফল স্বৰূপে ঘৰৰ বাহিৰা কোঠা এটাত আমি দুয়ো থাকিব লগা হ'ল। যি নহওঁক, সেইবাৰলৈ ৰক্ষা পৰি গুচি আহিলো। ৰহমানে বেয়া পোৱা নাছিল, কাৰণ সি মোৰ বন্ধু। দেখিছানে ধৰ্ম্মৰ নামত নিজৰ অন্তৰঙ্গ বন্ধু এজনকো এসাজ খুৱাব নোৱাৰি। মোৰ মতে হিন্দু-মুছলমান আদি কোনো বেলেগ ধৰ্ম্ম নহয়। ই ভগৱানক আৰাধনা কৰা একেটা পানবে

বেলেগ বেলেগ হুবহে। তুমি চাবা, পৃথিবীত মাত্ৰ দুটা জাতিহে জীয়াই থাকিব। এটা হ'ল পুৰুষ আৰু আনটো হ'ল—নাৰী। সময়ে তাৰ বাবে অপেক্ষা কৰি আছে। বাৰু, য'ক সেইবোৰ কথা। অ' হেৰি নহয়। আমাৰ বিয়াৰ চাৰিমাহমান পিছতেই তুমি মোলৈ লিখিছিলা—মায়ে বোলে কামত আউল লাগিলেই মানুহৰ আগতেই তোমাক চৰটো ভুকুটো সোধায়। তাতে হেনো তোমাৰ লাজতে মৰি যোৱা যেন লাগিছিল।

: ওঁ। আপুনি আকৌ সেই কথাটোকে ধৰি আছেনে ?

: নহয়, নহয়। ধৰি থকাৰ কথা মই কোৱা নাই। কেৱল তোমাৰ ভুলটোহে মই ভাঙি দিবলৈ বিচাৰিছো। আচল কথা কি জানা ? মায়ে তোমাক বোৱাৰী বুলি ভাবি বা পৰ বুলি ভাবি চৰটো বা ভুকুটো মৰা নাছিল। মায়ে সেই-খিনি কৰি আন মানুহৰ আগত গৌৰৱ অনুভৱ কৰে। গৌৰৱ অনুভৱ কৰে এই বুলিয়েই যে তোমাৰ নিচিনা শিক্ষিতা বোৱাৰীৰ ওপৰত শাহুগিৰি কৰাটো যাৰে তাৰে ভাগ্যত নঘটে। মাক-বাপেকে যদি পুতেক-বোৱাৰীয়েকক লৈয়ে গৌৰৱ অনুভৱ নকৰে তেন্তে কাক লৈ গৌৰৱ কৰিব বাৰু ? সেয়ে তুমি ভুল বুজিবা। তোমাক 'শিক্ষিতা ছোৱালী' বুলিছো, বেয়া পাইছা নেকি ?

: উহু! নাই পোৱা।

: মই জানো, তুমি বেয়া নোপোৱা। বেয়া নোপোৱা এই বাবেই যে তোমালোক মানে তিৰোতা মানুহক কম বয়সীয়া সম্বোধনে বেছি আনন্দ দিয়ে।

: এহ্ থক হেৰি! সিমান মৰম লগাব নালাগে।

: হেঃ হেঃ হেঃ, ৰবা, ৰবা, মোক কৰলৈ দিয়াছোন। এটা কথা জানানে ? নেজানা যদি মনত ৰাখিবা। বিয়া নোহোৱাকৈ থাকি ত্ৰিশ বছৰ হলেও তাই ছোৱালী হিচাবে পৰিগণিত হয়, কিন্তু ওঠৰ বছৰীয়া ছোৱালী এজনীৰ বিয়া হৈ গলেই তাই হয় তিৰোতা। পাৰ্থক্যখিনি মন কৰিছানে বাৰু ? সেইখন চিঠিতেই নে তাৰ পিছৰখন চিঠিতেই তুমি লিখিছিলা—গাওঁৰ কেইজনীমান তিৰোতাই হেনো পৰনিন্দা, পৰচৰ্চ্চা কৰি ঘৰে ঘৰে গাই ফুৰে। 'কাকো নকৰি' বুলি ইঘৰৰ কথা সিঘৰত লগাই ফুৰে। এৰা, গাৱঁত তেনেকুৱা তিৰোতা আছে। সেইবোৰ হ'ল—বিধবা, গিৰিয়েকৰ ঘৰৰ পৰা গুচি অহা নাইবা কোনো দিনেই বিয়া নোহোৱাকৈ ঘৰখুটী হোৱা এক শ্ৰেণীৰ তিৰোতা। গাৱঁৰ আইনাম বা আশোচীয়া নামখিনি এওঁলোকেই ধৰে। অথচ অধৰ্মৰ চূড়ান্ত বাক্যবোৰ এওঁলোকৰ দ্বাৰাই প্ৰচাৰ হয়। এই শ্ৰেণীৰ তিৰোতাৰ লগত ভাল হৈ থাকিবলৈ কি কৰিব লাগে জানা ? এওঁলোকৰ কোনোবা এজনী

আহিলেই বৰ পীৰাখন আগবঢ়াবা, দ্বিতীয়তে তামোলৰ বটাখন আনি আগত দিবা। তাৰ পিছত গোন্ধ তেলৰ বটলৰ পৰা অলপ তেল আনি মূৰত ঘঁহি দিবা। পাৰিলে চাৰিটামান ওকণীও মাৰিবা। দেখিবা তোমাৰ গুণ-গৰিমা গাৱঁৰ ইমূৰৰ পৰা সিমূৰলৈ বিয়পি পৰিছে। অ' আৰু এই নিয়ম কেইটাও মানিবলৈ নেপাহৰিবা কিন্তু। ধৰা, কৰ্কাইদেউ আহিলে মূৰৰ ওৰণিখন টানি লব লাগিব, শব্দ নোহোৱাকৈ আৰু দাঁত নোলোৱাকৈ হাঁহিব লাগিব, নিপিন্ধাই ভাল আৰু পিন্ধিলেও দীঘল হাতৰ ব্লাউজ নিপিন্ধিবা। সেই খুলি খুব হাত ছুটি ব্লাউজো পিন্ধিব নালাগে। কপালৰ সেন্দুৰৰ ফোটটো গজালৰ মূৰেৰে নলৈ মাজৰ আঙুলিৰে ডাঙৰকৈ লবা। ঘৰলৈ কোনোবা এজন মানুহ আহি চিঞৰি টেটু ফালি মৰিলেও তুমি গৈ আগতে মাত নিদিবা। কাৰো সহাঁৰি নেপাই মানুহ লাগে গুচিয়েই যাওঁক।

সেই একেখন চিঠিতেই তুমি অভিযোগ কৰিছিলা যে আমাৰ গাৱঁত কোনো মহিলা অনুষ্ঠান নাই। অৰ্থাৎ মহিলা সমিতি নাই। এৰা, তেনেকুৱা মহিলা সমিতি পাতি প্ৰতিৰক্ষা পুঁজিৰ বাবে সোণ তুলিবলৈ গৈ নিজৰখিনি লুকুৱাই ৰাখি বাকীবোৰৰ তুলিবলৈ যাব পাৰিবা। সোণ দান দিয়াবোৰৰ নাম কৰবাত থাকিব, তোমালোক তোলোতাকেইজনীৰ নামহে বাতৰি কাকতত আগতে প্ৰকাশ পাব। নিজৰ কেচুৱাই বিচনাত বাগৰি বাগৰি কান্দি টেটু ফালি মৰিলেও তালৈ চকু নিদি শিশু-কল্যাণ অঁাচনিখন হাতত লৈ আন তিৰোতাৰ ওচৰলৈ গৈ মিটিং পাতি বক্তৃতাৰ বকনা মেলিবাগৈ, নহয়নে? গুচালা, গুচালা। তুমি এতিয়া সকলোখিনি পণ্ড কৰিবা যেন পাইছো। সেইবোৰ অনুষ্ঠান পাতিবলৈ ওলালে মাৰ নাক-কাণ কটা যাব। মনত ৰাখিবা —'শালি'বোৰত প্ৰায় সদায়েই জুই থাকে, যেনে—কমাৰ শালি, কহাঁৰ শালি, মৰিশালি ইত্যাদি। তেনেদৰে 'শাল'বোৰতো সদায় পৰৰ কুচৰ্চা ৰতনা কৰা হয়। যেনে—জুঁইশাল, ঢেঁকীশাল, তাঁতশাল ইত্যাদি। গাৱঁৰ ঘৰে ঘৰে ঢেঁকী-শালবোৰত, তঁাতৰ পাতত, নদীৰ ঘাটত তোমাক কেন্দ্ৰ কৰিয়েই নানা ভৰহুৰ গল্প মুখে মুখে বাগৰি ফুৰিব। মুখ বগৰা মানে কথা বগৰা। আৰু যেতিয়াই কথা বাগৰে, তাৰ অৰ্থও বেলেগ হৈ যায়। তেতিয়া তুমি কাৰ মুখত সোপা দিবা? কাক দোষ দিবা? সেই দোষ যেখোন তুমি নিজেই মূৰ পাতি লব লাগিব। দেখা নাই জানো—গ্ৰাম সেৱিকাবোৰৰ অৱস্থা। সিহঁত আটাইবোৰে জানো বেয়া? সিহঁতক প্ৰলোভন দেখুওৱা মানুহ অনেক ওলায়, কিন্তু বিয়া কৰাব খোজা মানুহ কেইজন ওলায়? আকৌ

মাৰোতে কোনোবা গাভৰুৰ বুকুৰ মেঠনি খুলি পৰিলে, সেইটো ধৰিব লগা কথা নহয়, কিন্তু কোনোবা বোৱাৰীৰ মূৰৰ পৰা ওৰণি খহি পৰা নিত্যান্তই দোষৰ কথা।

আজিকালি 'এচোচিয়েচন'ৰ যুগ, ষ্ট্ৰাইকৰ যুগ। মোৰ ভয় হৈছে তুমি আকৌ 'বোৱাৰী এচোচিয়েচন' খুলিব খোজা নাইতো? তোমালোকৰ গ্ৰিভেন্স 'মেমোৰেণ্ডাম' আদি যদি শাহু আইসকলৰ আগত দাঙি ধৰি 'কৰ্ম্ম বিৰতি দিবস' পালন কৰা তেনেহলে ঘৰৰ পিনে আধ্যা পৰিব। কিয়নো তোমালোকৰ দাবীসমূহ হয়তো এনেকুৱা হব:—

(১) বছৰত অতি কমেও তিনিমাহ মাকৰ ঘৰত থকাৰ ব্যৱস্থা কৰা।

(২) বাহিৰত চাকৰি কৰা গিৰিয়েকৰ লগত একেলগে থাকিবলৈ দিয়া।

(৩) দোকমোকালিতে উঠি চাকৰণীৰ দৰে বাচনি টাৱ হাতত লবলৈ নিদিয়া।

(৪) ৰাতিপুৱাতে বিচনা ত্যাগ কৰিব নোৱাৰাৰ বাবে গিৰিয়েককো কিছু পৰিমাণে দোষৰ ভাগি কৰোৱা।

(৫) ঘৰখনত শহুৰ-শাহুয়েককে ধৰি নিজৰ ল'ৰা-ছোৱালীৰ অসুখ-বিসুখত বোৱাৰীয়েকক সেৱাৰি নখটোৱা। কাৰণ, বোৱাৰী বোৱাৰীহে, নাৰ্চ নহয়।

যি নহওঁক মনত ৰাখিবা কিন্তু, এই দাবীসমূহ পূৰণ নহলে যি ব্যৱস্থাই নোলোৱা কিয়, অসুবিধা ভোগ কৰিব তোমাৰ নিজৰ ঘৰখনেইহে। তুমি থকা ঘৰখন তোমাৰ শাহু-শহুৰৰ ঘৰ নহয়, সেইখন তোমাৰ নিজৰ ঘৰহে। ঘৰখনৰ ভালেই তোমাৰো ভাল। ঘৰখনৰ অমঙ্গল মানে তোমাৰো অমঙ্গল।

আমাৰ চাকৰিয়াল বোৰৰো 'এচোচিয়েচন' আছে। আমি সময়ে সময়ে মিটিং পাতি দৰমহাৰ নিৰিখ কেনে হব লাগিব, পোষ্টবোৰ কাক কেনেকৈ দিয়া উচিত হব আদিৰে 'মেমোৰেণ্ডাম' লিখি কৰ্ত্তৃপক্ষৰ ওচৰত দাবী জনাওঁ। কৰ্ত্তৃপক্ষই যদি দাবীসমূহ মানি নলয় আমি 'কৰ্ম্ম বিৰতি দিবস' পালন কৰো। তাৰ ফলস্বৰূপে চৰকাৰৰ কাম ক্ষতি হয়। গণতান্ত্ৰিক দেশ এখনৰ চৰকাৰ কোন? আমিয়েই নহওঁ জানো? তেন্তে ক্ষতি কাৰ? শৰীৰটোৰ যি অংশতেই চিকুট নপৰক, দুখ পাম কিন্তু নিজেই। এইবোৰ ভাবিলে সচঁাকৈয়ে দুখ লাগে। সেইবুলি 'এচোচিয়েচন' আদিৰ যে দৰ্কাৰ নাই তেনে নহয়। কৰ্ত্তৃপক্ষৰ ওচৰত ন্যায্য দাবী জনোৱাটো প্ৰত্যেক চাকৰিয়ালৰে কৰ্ত্তব্য। গণতান্ত্ৰিক দেশ এখনত সকলোৰে সা-সুবিধা বাহাল ৰাখিব পৰাৰ সমঅধিকাৰ আছে। সেই বুলি সেই অধিকাৰ বা ক্ষমতাৰ অপব্যৱহাৰ হোৱাটো অনুচিত। দলীয় স্বাৰ্থই এই ক্ষমতাৰ অপব্যৱহাৰ কৰা সঘনে দেখিবলৈ পোৱা যায়। 'এচোচিয়েচন'ৰ

মিটিং পাতি কি কি দাবী আগবঢ়াব লাগিব, সেইবোৰ আলোচনা কৰো সঁচা; কিন্তু আমাৰ কামবোৰ কিমান সুদক্ষভাৱে সমাধা কৰিব পৰা যায়, সেই বিষয়ে কিন্তু আলোচনা নকৰো। হয়তো এই কাৰণেই আমাৰ দেশত 'এম্‌প্লয়াৰ' আৰু 'এম্‌প্লয়ে হাতে হাতে মিলাই আগবাঢ়িব পৰা নাই। এম্‌প্লয়াৰে কৰ্মীৰ পৰা কিছুমান 'দাবী' নিবিচাৰে, বিচাৰে কামৰ দক্ষতাহে। সেয়ে কামৰ দক্ষতা দেখুৱাই কৰা দাবীসমূহ প্ৰযোজ্য।

অফিচত শতকৰা বিশ জনেহে নিয়াৰিকৈ কাম কৰে। বাকীবোৰে কাম কৰে যদিও গাত লগা হিচাবে নকৰে। যিখিনি নকৰিলে নহয়, সেইখিনি কৰি বাকীবোৰ 'পেণ্ডিং' ৰাখে। পিছে খুব বেছি 'পেণ্ডিং' হলে অফিচাৰে কৰ্মীকো পেণ্ডিং ৰাখে। ইয়াকে কোৱা হয় 'চাচ্‌পেন্‌চন' (Suspension) বহুত সময়ত তলতীয়া কৰ্মচাৰীবোৰে ওপৰৱালাক বৰ কঢ়া বুলি দোষাৰোপ কৰে। আচলতে এনেকুৱা দোষাৰোপৰ মূল্য খুব কম। অফিচাৰ এজনৰ দায়িত্ব বহুত। তলৰ কৰ্মচাৰীয়ে কাম কৰক বা নকৰক, তেওঁৰ অফিচৰ কামখিনি শেষ কৰিবই লাগিব। কাৰণ সেইজন অফিচাৰৰ ওপৰতো আৰু বহুত অফিচাৰ আছে। প্ৰত্যেকে প্ৰত্যেকক কাৰ্য্যৰে সন্তুষ্ট ৰাখিব লাগিব। সেয়ে তলতীয়া কৰ্মচাৰী হ'ল বুলিয়েই যে তেওঁ কামত ফ'াকি দিব লাগিব তেনে কোনো যুক্তি নাই, অফিচ এটা চলাবলৈ অফিচাৰ এজনৰ যিমান প্ৰয়োজন, কেৰাণী এজনৰো সিমানেই প্ৰয়োজন। কামৰ দায়িত্ব কম বেছি হ'ল বুলিয়েই যে সেই দায়িত্বক অৱহেলা কৰিব লাগে, তাৰ কোনো যুক্তি নাই। অৱহেলাই মানুহক এলেহুৱা কৰে। এলেহুৱা মানুহ নিৰ্কৰ্মা, ধোদৰ পচলা।

এটা কথা হয়তো তুমি বুজা নাই। অফিচৰ বেছি ভাগ মানুহেই যে কামবোৰ পেলাই থয়, তেওঁলোকে সময়বোৰ কেনেকৈ কটায়?—তেওঁলোকে সময়বোৰ গল্প কৰি কটায়। এই গল্পবোৰৰ কোনো লাগ বান্ধ নাই। যি কোনো গল্পই তেওঁলোকে কৰিব পাৰে। যেনে ধৰা, বৰা আৰু হাজৰিকা নতুনকৈ বিয়া কৰোৱা মানুহ। অফিচত দুয়ো বহিছেও ওচৰা-ওচৰিকৈ। বৰা অলপ 'নট' (Knot) ঢিলা মানুহ। অফিচত আহিয়েই তেওঁ আৰম্ভ কৰিছে,—কাৰ ঘৈণীয়েকক কেই-ইঞ্চিৰ ব্ৰেচিয়াৰ লাগে, চল্লিশ ইঞ্চিৰ ব্ৰেচিয়াৰ এটা বিচাৰি বিচাৰি কেনেকৈ গোটেই পুলিচ বজাৰ চলাথ কৰিও নেপালে, ইত্যাদি, ইত্যাদি। তাৰ মাজতেই বৰাই এটা 'বোম' মাৰিব—বুজিছে হাজৰিকা মোৰ ওৱাইফে (wife) ব্ৰেচিয়াৰটো বুকুত লগাই মোৰ ওচৰলৈহে আহিব—পিঠিৰ পিনৰ বকলেচ্‌টো হেনো মইহে মাৰি দিব লাগে। পিছে, লগে লগে দি দিওঁ—গলাৰমৰ

ঠিক তলত, পিঠিৰ ওপৰত ওপৰা-ওপৰিকৈ কেইটামান ভিটামিন নথকা চুমা। এনেতে হাজৰিকাই মাত লগাব—'আপুনি হবলা পিঠিতহে চুমা খয়। এৰা, নেখাইনো কিটো কৰিব? আপোনাৰ ওয়াইফৰ মুখত আকৌ যিবোৰহে শালমইনা; চুমা খালে চুমা খোৱা নহব, শালমইনাৰ পুজ' খোৱাহে হব।" বৰাই বেয়া পোৱা যেন দেখুৱাই কব—"এৰা এইবোৰ জীৱনৰ একোটা নতুন অভিজ্ঞতা। হাতীৰ পিঠিত শিকলি বন্ধা আৰু ওৱাইফৰ ব্ৰেচিয়াৰৰ বকলেচ্ মৰা একেই কাম। মইতো হাতীৰ মাউত নহওঁ।" "মাউত নহয়নো কি" বুলি হাজৰিকাই এটা বেয়া ইঙ্গিত দিব। পাৰেমানে হাঁহিৰ ছুয়োজনে। কেতিয়াবা আকৌ ছুয়োৰো মাজত মেজত চপৰিওৱা-চপৰিও হৈ যায়। ভীষণ তৰ্ক চলে। তৰ্কৰ বিষয়বস্তু হয় সাধাৰণতে ৰাজনীতি, পৰিয়াল-পৰিকল্পনা ইত্যাদি। হাজৰিকাক হেনো তিনিটাতকৈ বেছি ল'ৰা-ছোৱালী নেলাগে। বৰাই মাত দিব—"হেৰি, থকহে থক, এইবোৰ প্লেনিং প্লেনিংৰ মই ডেড্ এগেইনষ্ট।" তেওঁ যুক্তি দৰ্শাই কয—"এইবোৰ যিকোনো ধৰ্ম্মতে মহাপাপ। যুগ্মজীৱন যাপন কৰি মহাপাপ কিছুমান আৰ্জ্জন কৰিব নোৱাৰি। যিবোৰ ডাক্তৰে পৰিয়াল-পৰিকল্পনাৰ বিষয় বৰ বৰ লেকচাৰ মাৰে, তেওঁলোকৰে দেখোন ন-দহটাকৈ ল'ৰা ছোৱালী। তেওঁলোকৰ ওয়াইফবোৰক 'চেটিচ্‌ফেক্‌চন্' লাগে, আমাৰ বোৰক নালাগে নেকি? একোটি শিশুৰ জন্ম হোৱা মানে একোটি দেৱদূতৰ জন্ম হোৱা।" এইখিনিতে হাজৰিকাই কথাৰ ওপৰতে মাত লগাব—"হেৰি বৰা! কুকুৰাৰ পোৱালীৰ নিচিনা এজাক উলিয়াই ভৰণ-পোষণ দিব কেনেকৈ? ল'ৰা-ছোৱালী জন্ম দি বাপেক হৈ গৌৰৱ আৰ্জিবলৈ যোৱাটোতে আপোনাৰ কৰ্ত্তব্য শেষ নহয়, বুজিছে। শেষ হয় সেই ল'ৰা-ছোৱালীক ভালকৈ খুৱাই-পিন্ধাই শিক্ষা দি উপযুক্ত কৰি গঢ়ি তুলিব পৰাটোতহে। ল'ৰা-ছোৱালী বেছি হল বুলিয়েই আপুনি বেছি দৰমহা নেপায়। আপোনাৰ অৰ্জন খিনিৰে কেইটা মানুহ পোহ-পাল যাব পাৰে তাকো ভাবি চাব লাগে। গতিকে আপে নাৰ 'কেপাচিটি' অনুযায়ী 'প্ৰডাকচন' বৃদ্ধি কৰিব লাগিব।"

শইকীয়াই বৰা আৰু হাজৰিকাৰ তৰ্ক শুনি আছিল। সুবিধা পাই তেওঁ মাত লগালে—"হেৰি, থকহে আপোনালোকৰ যুক্তিবোৰ। পৰিয়াল পৰিকল্পনাৰ মিটিং পাতিলে—ধুমধামটো বেছি হব বিয়া নকৰোৱা মথাৰহে। সিইতে মনে পতা বৈপীয়েকৰ নাম কৈ 'ফোমিং পিল', 'এন্টি প্ৰেগনেন্ট পিল', 'ফ্ৰেন্স কেপ' আদি সৰকাৰ। যোৱাবাৰ মিটিঙত মইও এটা 'ফ্ৰেন্স কেপ' নি মাকক খবলৈ দিছিলো। পিচে, ছুদিনমান পিছত দেখিলো যে মোৰ মাজু

ল'ৰাটোৱে স্কুললৈ সেইটোত পেঞ্চিল ভৰাই নিছে। মাজে মাজে সি ভাত বেলুনৰ দৰে ফু দিয়ে। লাজতে মই মৰি যোৱা যেন হৈছিলো। তাৰ হাতৰ পৰা সেইটো নি পেলাই দিছো। এইবোৰ যে পৰিয়াল পৰিকল্পনা উলিয়াইছে, চৰকাৰে দেখোন বেয়াৰ-আজাৰ নোহোৱা কৰিবলৈও খুব লাগিছে। নহলে কিছু মৰি-জহিয়েও কমিলহেঁতেন। হাজৰিকাই চিগাৰেটটোত জোৰকৈ টান এটা মাৰি কব—"ছিঃ ছিঃ শইকীয়া, আপুনি যে আকৌ কি কথাবোৰ কয়! আমি জন্ম নিয়ন্ত্ৰণ কৰিব পাৰো, কিন্তু জন্মাবোৰকতো মাৰি পেলাব নোৱাৰো, পাৰো জানো?"

এনেকৈ থাকোতেই দহটাৰ কাটাই গৈ বাৰটাত কোব মাৰেগৈ। অফি- চলৈ আহিছে যেতিয়া দুই-এটা 'ফাইল' পুট্-আপ কৰিবই লাগিব। নহলে বৰোবাবুৰ ৰিপোৰ্টতো আছেই। গতিকে ফাইলৰ ওপৰত flag লগাই থোৱা 'Immediate', 'Most Immediate', 'Top Priority'ৰ file তিনিটাৰ লেঠা মাৰিব লাগিব আগতে।

এক শ্ৰেণীৰ ডেকাইও অফিচত কাম কৰে। এওঁলোক অফিচলৈ অহাতো regularly irregular অফিচাৰে কিবা কলে dame care অত কয—'ফালিবা যোৱা'। এওঁলোকৰ গল্পবোৰ হ'ল—কাৰ কেইজনী প্ৰেমিকা আছে, কাৰ কেইখন প্ৰেম-পত্ৰ আছে, হাইস্কুলত থাকোতে কোন কেনেকুৱা উৎপতীয়া আছিল, ইত্যাদি। এওঁলোকৰ বহুতে নিজৰ ভনীয়েকৰ পৰা অহা চিঠিখনো প্ৰেমিকাৰ পৰা অহা চিঠি বুলি গৌৰৱ কৰে। এই ডেকাবোৰৰ খুচুৰা পইছা প্ৰায়েই নেথাকে। আচলতে টকাই নেথাকে, পইছা থাকিব ক'ৰপৰা?

মাহৰ প্ৰথম সপ্তাহত চিটিবাছত উঠি পোন্ধৰ পইছা বচাবলৈ দহটকীয়া নোটখন কণ্ডাক্টৰৰ আগত ডাঙি ধৰে। টেবিবিলিনৰ চুটজোৰত যদি এশ ত্ৰিশ টকা পৰিছে বন্ধু-বান্ধৱৰ আগত এশ আশী টকা পৰা বুলি কবই। এই বোৰেই এসময়ত ধুতীৰ চাল একৰাই চাকৰি বিচাৰি অহা ডেকা আছিল। চাকৰিটো পোৱাৰ লগে লগেই টেবিবিলিনৰ গোন্ধে, চিগাৰেটৰ ধোৱাই এওঁলোকক আৱৰি ধৰিলেহি। বিহুৱে-সংক্ৰান্তিয়ে, পূজাই-পৰ্ব্বই এওঁলোকে ঘৰলৈকো যাব ভয় কৰে। কাৰণ টেবিবিলিনৰ চুটজোৰ পিন্ধি মুদাহাতে ঘৰলৈ যোৱাটো লাজৰ কথা বুলি অন্ততঃ জানে। ৰাক-দেউতাকলৈ চুটী নোপোৱা বুলি প্ৰবোধ দি চিঠি লিখিব। কোনোবাই কিবা বিপাঙত পৰি ঘৰলৈ যাব লগা হলেও কাবুলিৱালাৰ পৰা মাহে চাৰে বাৰ টকা সুদত টকা ধাৰ কৰি যাব লগা হয়। তেতিয়া

কোনো দিনেই বঢা-টুটা নোহোৱা পাচ টকা জমা থকা পাচবুকটো-লৈ থং উঠে। আপচোচ্ কৰে—আগতে অলপ জমা থোৱা হলে অন্ততঃ কাবুলিৱালাৰ পৰা ৰক্ষা পোৱা গ'লহেঁতেন।

কাবুলিৱালাবোৰ ইয়াত পিয়া-পি দি ফুৰে। লাগ বুলিলেই টকা পোৱা যায় ইহঁতৰ পৰা। পুলিচ বজাৰ আৰু বৰবজাৰৰ মাজত ইহঁতৰ বাসস্থান, যদিও দিনটোৰ বেছিভাগ সময় পুলিচ বজাৰৰ চকটোতে ইহঁতে থিয় দি কটায়। তাৰোপৰি অফিচ বহাৰ সময়ত ইহঁতে অফিচৰ সমুখে সমুখে আৰু ৰাস্তাৰ কাষে কাষে টহল দি ফুৰে। ইহঁতে মানুহ খুব চিনি পায়। সময় মতে সুদ নিদি পলাই ফুৰা মানুহক ইহঁতে বিচাৰি ফুৰে।

সেই ডেকাবোৰেই অফিচত কৰো-নকৰোকৈ কাম কৰে। 'অফিচ আৱাৰ'ৰ মাজতেই পুলিচ বজাৰত পাক এটা মাৰি অহাটো এওঁলোকৰ দৈনন্দিন কাম। অফিচৰ 'বৰোবাবু' জনে যদি কোনোবা অনিতা সেনগুপ্তা বা মিচ্ নংগ্ৰুম বোলা টাইপিষ্টজনীক কামত বহুৱাই লয় তেনেহলে এওঁলোকৰ উঠে মুৰ কামোৰণি। বুঢ়ী চাহৱালীজনীৰ চাহ এওঁলোকে নাখায়। মুখত কওঁতে কৰ—বুঢ়ীবোৰ হেনো বৰ লেতেৰা। আচলতে কিন্তু কথা সেইটো নহয়। ইয়াৰ কেৰোন থাকে কৰবাত। বুঢ়ী চাহৱালীজনীৰ চাহতকৈ গালত ডুভৰ-পীয়াকৈ পাউডাৰ, স্নো ঘহঁ। ওঠত লিপষ্টিক দিয়া থাছীয়া গাভৰুজনীৰ চাহ বেছি সোৱাদ। এইবোৰ কথা চাহৱালীবোৰে জানে বাবেই বুঢ়ী চাহৱালীবোৰে ধুনীয়া গাভৰুহঁতক চাহ দিয়া কাৰ্য্যত নিয়োগ কৰে।

এই শ্ৰেণীৰ ডেকাৰ উৎপাতত শিলঙত টেলিফোনৰ তাঁৰতো প্ৰেম প্ৰৱাহিত হয়। নামজনা ছোৱালী কেইজনীৰ অফিচৰ ফোন নম্বৰ এওঁলোকৰ মুখে মুখে। গতিকে টেলিফোনৰ তাঁৰৰ মাজেৰে 'কিচ' বোৰ 'মিচ' নোহোৱাকৈ কোনোবা মিচলৈ (Miss) সৰকি যাব পৰাটোত আচৰিত হবলগীয়া একো নাই। ফোনৰ কথা কলো যেতিয়া আমাৰ যাদব কাকতি চাহাবৰ কথাও কব লাগিব এতিয়া।

যাদব কাকতি চাহাবৰ 'ওৱাইফে' এদিন দুপৰীয়া কাকতিলৈ ফোন কৰিলে। দুৰ্ভাগ্যক্ৰমে একচেঞ্জত ফোন নম্বৰ ভুল হৈ জগত কাকতি চাহাবৰ ফোন বাজিল।

: কাকতি স্পিকিং।

: অ' মই কৈছো। হেৰি নহয়, 'লাঞ্চ আৱাৰ' তুমি দিলে বুলিনো পোন্ধৰ মিনিটৰ বাবে আহি যাব নোৱাৰেনে ?

: নাই হে এতিয়া নোৱাৰি। কেইদিনমান যাওঁক ৰবা তেতিয়া চেষ্টা কৰি যাম। মোৰ অফিচত থকা লৰাজন পঠাই দিছো, তুমি তাৰ হাতবেই টিফিন কেৰিয়াৰটো পঠিয়াই দিবা। অলপ আচাৰও পঠাবা দেই।

: ভাল বাৰু, পিছে আজি অলপ সোনকালে আহিবচোন, ভাল ফিল্ম্ এখন আহিছে, যাবৰ বৰ ইচ্ছা আছে।

: বাৰু যাম দিয়া। তুমি ওলাই থাকিবা।

ইতিমধ্যে জগত কাকতিয়ে ঘৰৰ পৰা লাঞ্চ আনি খালে। অৱশ্যে টেঙাৰ আচাৰ হলে তাত নাছিল। নাছিলেও জগত কাকতিয়ে একো নেভাবিলে। মাত্র ভাবিলে—ফিল্ম্ চোৱাত মূঠেও চখ নথকা ঘৈণীয়েকে আজি ফিল্ম্ চাব খুজিছে যেতিয়া নিশ্চয় তিনি বজাতে ঘৰলৈ যাব লাগিব। সেইদৰে জগত কাকতি তিনিবজাত ঘৰ ওলালগৈ। গৈ দেখে ঘৈণীয়েকে ইতিমধ্যে ওচৰৰ এঘৰলৈ ফুৰিবলৈ ওলাই গৈছে। আনহাতে যাদৱ কাকতিৰ ঘৈণীয়েকে অফিচৰ পৰা লৰাজন পঠাই নিদিয়াৰ বাবে ভাবি ৰ'ল যে নিশ্চয় অলপ সোনকালে অফিচৰ পৰা আহিব। মাজতে ডুবাৰো ৰিং কৰি বিফল হ'ল : এনগেইজড্ প্লিজ্। টেলিফোন একচেঞ্জত কাম কৰা ছোৱালী কেইজনীয়ে কোনোবা ফোন আচলতে এনগেইজড্ আছে নে নাই তালৈ লক্ষ্য নাই; কিন্তু ওচৰত বহা লৰাজনৰ লগত তেওঁ নিজেই যে এনগেইজড্ থাকে সেইটো হলে সত্য। যি নহওক, যাদৱ কাকতিৰ 'ওৱাইফে' গধূলি চাৰে পাঁচ বজালৈ ৰখি ৰখি বেজাৰ লাগিল। খঙও উঠিল। এনেতে ছয়মান বজাত অফিচৰ কামত যাদৱ কাকতি গুৱাহাটীৰ পৰা ঘূৰি আহি ঘৰ পালেহি। আহিয়েই 'ওৱাইফৰ' লগত ধুমা-খুন্দা দ্বন্দ্ব। পিছে দুপৰীয়া ফোনত পতা কথাখিনি কাৰো লগত কাৰো নিমিলাতহে যাদৱ কাকতিৰ ওৱাইফে বুজিলে যে সেইটো 'ৰং নাম্বাৰ' আছিল। টেঙাৰ আচাৰ খাওঁ বুলি কাৰোবাৰহে জিভাৰ পানী টোপাটোপে সৰিল। আৰু এদিনৰ কথা। মোৰ ফোনটোত কোনোবা এজনে সুধিলে—

: আপোনাৰ ভালনে ?

: হয় ভাল।

: আপোনাৰ ঘৰটোৰ কাষতে থকা ভাড়াঘৰটো কোনোবাই ললে নেকি ?

: নাই, এতিয়ালৈকে কোনোৱে লোৱা নাই ?

: আপোনাৰ ছোৱালীজনীৰ বিবা এটা বন্দবস্ত হ'লনে ? মিনিষ্টাৰৰ খুলশালী

যেতিয়া সময়ত বৰ কাম দিব কিন্তু। নবাজনো বেয়া নহয়।

: বন্ধবন্ত হবলৈকে মোৰ ছোৱালী ভাগুৰ হোৱা নাই দেখোন। কিবা বিশেষ কামত আহিলে মাকজনীকে আকৌ বিয়া দি দিব পাৰো।

: মানে ?

: মানে মোৰ ছোৱালীজনী পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনা মানতহে বিয়া দিব পৰা হয় যদি।

: ইজ্ ইট্ নট্ 103 ?

: নো ইট্ ইজ্ 130.

'ছিঃ ছিঃ' শব্দ দুটা আৰু ফোনটো থেবেংকৈ থোৱা শব্দটো শুনিছিলো মাত্ৰ। বেচেৰাই বৰ লাজ পালে হব পায়।

অফিচবোৰত ছোৱালী আৰু তিৰোতাইও কাম কৰে। তিৰোতাবোৰৰ কিছুমান বিধবা। কিছুমান অফিচত কাম কৰি থাকোতেই বিয়াহোৱা, কিছুমান আকৌ অবিবাহিত, মানে বিয়া হোৱাৰ আশা নোহোৱা। তিৰোতাই হওঁক বা বোৱাৰীয়েই হওঁক, দুখত পৰিহে এওঁলোকে চাকৰি কৰিবলৈ আহিছে। হাহি-মাতি থাকিলেও এওঁলোকৰ মুখত সদায় এটা নিৰাশাৰ ভাব স্পষ্ট হৈ থাকে।

এওঁলোকৰ বেছিভাগেই বঙালী আৰু খাছিয়া। অৱশ্যে অসমীয়াও নোহোৱা নহয়, কিন্তু খুব কম। এওঁলোকে অফিচত মনপুতি কাম কৰে স'চা; কিন্তু কামত বৰ লেহেম। এওঁলোকৰ হাতত সদায় এটা ভেনিটীবেগ ওলমি থাকে। তাৰ ভিতৰত—এখন সৰু আ'চ্চী, এডাল লিপষ্টিক, উল গুঠা শলা দুডাল আৰু কেইটামান খুচুৰা পইছা প্ৰায় সদায়েই থাকে।

বুঢ়া শ্ৰেণীৰ লোকসকল স'চাকৈয়ে কামত বৰ ব্যস্ত। ফাইলত লিখি লিখিয়ে নিজৰ ল'ৰা-ছোৱালীৰ অসুখৰ পৰা টানি-টুনি মাহটো চলাৰ নোৱাৰা অৱস্থাটোলৈকে বৰ্ণনা কৰি যাব—তেওঁলোকৰ নিজৰ মাজতে। এই আলোচনাবোৰৰ কোনো দিন শেষ নহয়, শেষ নহবও।

অফিচত পিয়ন কিছুমানেও কাম কৰে। মানুহৰ আগত কৈ দুবে চাৰ্ভিছ কৰা বুলি। ইহঁতৰ কিছুমান দুখত পৰি আহে আৰু কিছুমান ঘৰৰ পৰা পলাই আহি চাকৰি লৈছে। মুঠতে ঘৰ এৰি অহাৰ কাৰণটো ইহঁতৰ মনত ভাগুৰ ট্ৰেজেডি। চাকৰি পোৱাৰ কেইদিনমান পিছতেই পেণ্ট চোলাত কঢ়া ইস্ত্ৰি মাৰি ঘৰলৈ যায়। গাঁৱতপৈ চাহাবৰ বাংলাত ভাত ৰন্ধা বুলি নকৈ ডিউটী কৰা বুলি নাইবা 'অপাৰেটৰ' বুলি কয়। ডিউটী বা অপাৰেটৰ

কি তাক গাঁৱৰ মানুহে নাজানে। গাঁৱত গৈ এনে ধৰণৰ চাকৰিৰ কথা কব যাওতে গাঁৱৰ আইচেনা মাইচেনইঁতে বুজিকে নেপায়। মস্ত ডাঙৰ চাকৰি কৰা বুলি ভাবি সিহঁতে কয়—"তোলৈ মই গোৱাৰ নোৱাৰিলে বিয়াতে নবহো।" গাঁৱৰ শিক্ষিত ব্যক্তি কেইজনৰ আগত ইহঁতে একো নকয়।

প্ৰতিটো কথাতে ধৰা পৰি মৰা ফাঁকি দিব জানে পিয়নবোৰে। অৱশ্যে বয়সীয়াল কেইজনৰ কাম আটক ধুনীয়া বুলি স্বীকাৰ কৰিবই লাগিব। কাম কৰি পুৰণি হোৱা কোনো কোনো পিয়নে ইচু ডায়েৰীৰ কামো কৰিব পাৰে। ডেকাবোৰ কিন্তু ফাঁকিৰ নামত সিঁয়ান। অফিচাৰৰ কমৰ বাহিৰত বহি আঠুৰে চাহৰালীৰ তপিনাত খুন্দিয়াব জানে ইহঁতে—আৰু জানে হিন্দী গানৰ সুহুঁৰি বজাব। ইহঁতে অফিচত কাম নকৰে—কৰে ডিউটী। এজনৰ ডিউটী আনজনে সময় পালেও কৰি নিদিয়ে। অফিচৰ চিঠি এখন পোষ্ট কৰিবলৈ যাওঁতে দিনটো হেলাৰঙে কটাব পাৰে। সেইখিনি সময়,—হয় ঘৰৰ বিচনাত, নহয় চাহৰালীৰ দোকানত আৰু তাতো যদি নাই তেনেহলে চিনেমা হলৰ থাৰ্ড ক্লাচত ইহঁতক পোৱা যায়। সেয়ে পোষ্ট অফিচলৈ যাওঁ বুলি দিনটো নোহোৱা হোৱাটো এটা সৰ্ব্ব সাধাৰণ ঘটনা।

Post Office ৰ কথা ওলাওঁতেই আন এটা কথা খপহকৈ মনত পৰিল। P. O. মানে Planning Officer আৰু Post Office দুয়োটাই হয়। কাৰোবাৰ হাড নোহোৱা জিভাই তাৰ অৰ্থ 'পেলনীয়া অফিচাৰ' বা 'পলমৰ অফিচ' বোলে তাতো ক্ষতি নাই। আমাৰ গাঁৱৰ যদি বমলা পেহীয়ে মহৰা ঔষধ D. D. T. ক 'দবৰ দিয়া তাবিখ' বুলি আৰু ষ্টোৰৰ দোকানখনক 'চোৰৰ দোকান, বুলি কব পাৰে, তেনেহলে Post Office আৰু Planning Office ক 'পলমৰ অফিচ' আৰু 'পেলনীয়া অফিচাৰ' বুলি কোৱা মানুহবেই বা অভাব ক'ত? Post Office ক পলমৰ অফিচ নুবুলিনো কি বুলি কব—যদিহে Express Telegram এখন এমাহৰ মূৰটো Delivery নহয়? 'পেলনীয়া অফিচাৰ' বোৰে গোটেই বছৰটো Plan কৰি বহি থাকে আৰু বছৰৰ মূৰত Estimate এখন চৰকাৰৰ ডাঙৰ মাজিয়ালৈ পঠাই দিয়ে কিন্তু সময়ৰ মূৰত চৰকাৰৰ পৰা Sanction নাহিলে গোটেই Plan ওয়েষ্ট পেপাৰ বাস্কেটত পেলাই দিব লগা হয়। গোটেই বছৰটো দুঁৰ কৰি ঘূৰি ফুৰি কৰা Plan বোৰ সেয়ে হ'লগৈ। অনেক অফিচাৰ আছে যি সকলে বাহটোৰ ভিতৰত ৰাতবাৰ নিজৰ মৰখন থকা ঠাইলৈ টুপ লয়। ধৰোতা কোনো নাই। কিয়নো অফিচৰ কামত যোৱা বুলি ডেওঁৰ টুৰ প্ৰগ্ৰেমত স্পষ্টকৈ লিখা থাকে। ইপিনে

T. A. ৰ কাৰণে Allotment কৰা টকাখিনি বছৰেকৰ মূৰত আদায় কৰিবই লাগিব। আনহাতে যদি গাড়ীৰ পেট্ৰলৰ টেংকি ফাটি পেট্ৰল নোহোৱা হয়। তেনেহলে ড্ৰাইভাৰে তাৰ কৈফিয়ৎ দিব লাগে, নহলে তাৰ চাকৰি যায়। অফিচ পিয়ন এজনে কেজুৱেল লিভৰ (Casual leave) দৰ্খাস্তখন এদিন দেৰিকৈ দিলে অফিচাৰে তাৰ দৰমহা কাটিবলৈ বিচাৰে। আনহাতে অফিচাৰে লাগে লাখ আৱাৰত চাৰিখনটাই দেখি কৰক তাত কোনো ক্ষতি নাই। সকলো কৰ্ম্মচাৰীকে ছুটী দিলে অফিচ নচলে বুলিয়েই যদি বিছয়ে সবাহে এটা নূতন সংখ্যক দিনৰ বাবে ছুটী বা বন্ধৰ ব্যৱস্থা নাথাকে তেনেহলে যিবোৰ কৰ্ম্মচাৰীয়ে ল'ৰা-ছোৱালী লগত ৰাখিব নোৱাৰে সিহঁতৰ অৱস্থা কি হ'ব ? এনেকুৱা অৱহাত কৰ্ম্মচাৰীৰ প্ৰতি চকু দিলে চৰকাৰৰ কাম নচলে, কিন্তু তেনে নকৰিলেও কৰ্ম্মচাৰীৰ স্বাধীনতাত হাত দিয়া হয়। সেয়ে চৰকাৰ আৰু কৰ্ম্ম-চাৰীৰ মিলাপ্ৰীতিৰ জৰিয়তে এনেকুৱা কাম সমাধা কৰিব পাৰে।

কামৰ গুণাগুণ চাই গ্ৰামসেৱকৰ পদত বয়সীয়াল মানুহ মকৰল কৰাটো উচিত, কিয়নো তেওঁলোকে বহুত সময়ত নিজৰ কৰ্ত্তব্য পাহৰি ইচ্ছাৰ বশবৰ্ত্তী হৈ পৰে। ইচ্ছাৰ বশবৰ্ত্তী হোৱা মানুহ দায়িত্ব হীন হয়, দায়িত্ব লোৱাটো সহজ কথা, কিন্তু দায়িত্ব কোনে কিমান বুজে আৰু কোনে কিমান সুদক্ষভাবে পালন কৰিব পাৰে সেইটোহে ভাবিবলগীয়া কথা। নহলে উপযুক্ত শিক্ষা দিলেও কিছুমান ডেকা ল'ৰা G. S. অৰ্থাৎ গ্ৰামসেৱক নহৈ গাৱঁৰ বঁাড়হে হয়।

: কি যে কথাবোৰ কয় আপুনি হিঃ হিঃ হিঃ।

: কিয় ? হাঁহিলা যে ? হাঁহিবাই, তুমি কিয়, অনেকে হাঁহিব—এইকথা শুনিলে। আমি হাঁহিবহে জানো কিন্তু কথাৰ লগত কামৰ হিচাব ৰাখি চলিব নেজানো ঠিক মূৰ্খবোৰৰ দৰে। মূৰ্খবোৰে চিনিবাৰ হাঁহে। এবাৰ একো বুজি নোপোৱাকৈ, এবাৰ আধা বুজি পাই আৰু শেষবাৰ ভালকৈ বুজি। এতিয়া তুমি ইয়া হাঁহিটো শেষ হোৱা নাই। যিদিনা তুমি মোৰ কথাবোৰ অন্তৰেৰে সৈতে উপলব্ধি কৰিব পাৰিবা সেইদিনাহে তুমি তৃতীয় হাঁহিটো মাৰিব পাৰিবা।

এইবাৰ শুনা B. D. O. চাহাবৰ কথা। B. D, O. মানে হ'ল Block Development Officer. এখেতসকলৰ কথা Block বোৰত কিবা Develop হওক বা নহওক কেইটামান জীপৰ ঘৰ কিন্তু নিশ্চয় হ'বই। গাৱঁৰ পথাৰৰ মাজত জীপৰ ঘৰ থাকিলে Develop নোহোৱা বুলি কোনে ক'ব ? এখেত-সকলে একোখন চৰকাৰী জীপ গাড়ী পায়। চৰকাৰী জীপ গাড়ী লোৱাৰ পৰাটো কম ভাগ্যৰ কথা নহয়। সেয়ে হৰলা গাড়ীত বহোতে সোঁৱৰিবৰ

বাহিৰত উলিয়াই লৈ অলপ বেকাকৈ বহে। বেকাকৈ বহিলে ৰাস্তাৰ মানুহে নেকটাইভাল দেখিয়েই তেহে চিনি পাব—B. D. O. চাহাব বুলি। তেনেকৈ যাওঁতে যদি বাটত কেনেবাকৈ খুন্দা খাই ওলাই থকা ভৰিখন ভাঙি যায় তেনেহলে দোষটো পৰিবগৈ পুলিচৰ গাত। বাতৰি কাকতে লিখিব—"পুলিচে ভেহিকল কণ্ট্ৰোল ঠিকমতে কৰিব পৰা নাই।" আচল দোষীজন যে ভৰি ভঙা জনেই সেইটো সকলোৱে উহ্য থাকে।

এখেতসকল ছিলঙলৈ যাওঁতে জীপ গাড়ীৰ ভিতৰত নিব কেইটামান ডাঙৰ ডাঙৰ কৰি, জহা চাউল, নাৰিকল দুইজোৰামান, তামোল, কল এথোকমান আৰু অলপ দৈ গাখীৰ। এইবোৰ ঘোচ হিচাবে নাইৰা ছিলঙত থকা অঙহী-বঙহীলৈ নিব পাৰে। ছিলঙৰ পৰা নামি যাওঁতে কয়লাৰ সৰু বস্তা আৰু বতৰ পৰিলে নাচপতি আদি নিয়াৰ বাহিৰে আন একো দেখা নাই। তুমি অৱশ্যে সুধিব পাৰা এইবোৰ কথাৰ প্ৰমাণ কি বুলি। বিশ্বাস নকৰিলে মই অৱশ্যে বেলেগে প্ৰমাণ একো দিব নোৱাৰো। মইতো ফটো তুলি ৰখা নাই। আমি চকুৰে দেখা ঘটনাবোৰ লিখিবহে পাৰো,—কৰবাত গৈ লগাব নোৱাৰো।

তুমি কোনোবা এখন চিঠিত মোলৈ লিখিছিলা—মোৰ লিখাবোৰ হেনো বৰ ভয় ভয়কৈ, লিখো-নিলিখোকৈ লিখা। এৰা, হবই তেনেকুৱা। নতুনকৈ লাভত পৰা, নতুনকৈ চিগাৰেট খোৱা ল'ৰাৰ অৱস্থা যেনেকুৱা হয় মোৰো অৱস্থা তেনেকুৱাই হৈছে বুলি ধৰিবা। নতুনকৈ লাভত পৰা লৰাই প্ৰেয়সীৰ সৈতে ৰাস্তাই পদুলিয়ে আলাপ কৰোতে কোনোবাই দেখে বুলি ভয় কৰে। অচিনাকি মানুহজনকো চিনাকি লাগে। ঠিক নতুনকৈ চিগাৰেট খাব শিকা লৰাৰো অৱস্থা তেনেকুৱাই। সেয়েহে মই লিখা প্ৰবন্ধবোৰতও কলমে ভয় আৰু সন্দেহৰ মাজেৰে আগবাঢ়ে। লগে লগে সমালোচকবোৰটো আছেই। এনেকৈ সমালোচনা কৰিব যাতে লিখকে ভৱিষ্যতলৈ আৰু কলম ধৰিব নোৱাৰে। তেওঁলোকৰ উৎসাহ উদ্গনিতকৈ নিৰুৎসাহৰ যাঠিপাত বেছি চোকা। তেওঁলোকে এবাৰো ভাবি নেচায় যে লিখক একেদিনাই সুন্দৰ হব নোৱাৰে। ই বহুদিনৰ সাধনাৰ ফল। আমাৰ আলোচনী, বাতৰি কাকত আদিৰ সম্পাদক সকলেও নতুন লিখক এজনৰ গল্প বা প্ৰবন্ধ এটা সততাই প্ৰকাশ কৰিবলৈ টান পায়। তাৰ কাৰণ হ'ল—নতুন লিখকজনৰ গল্প বা প্ৰবন্ধটো খুউব ভাল হলে তেওঁলোকে নকল কৰা বুলি সন্দেহ কৰে; আনহাতে বেয়া হলেতো প্ৰকাশৰ প্ৰশ্নই নুঠে। প্ৰবন্ধ এটাৰ খুটি-নাটিখিনি শুধৰাই কাগজত প্ৰকাশ

কৰিবলৈ অসমীয়া সম্পাদকৰ সময় নাই। অৰু এনেবোৰ কাৰণেইতো বহুত ন-লিখকৰ উৎসাহ কমিতে নিষ্প্ৰভ হৈ যায়। লিখকৰ উৎসাহ থাকিলেও উদ্গনি দিওঁতাৰ অভাৱ হলে সেই লিখকে বহুত সময়ত লিখাটোকে বন্ধ কৰি দিয়ে। যদিও সেইটো……।

: বাক নালাগে আৰু সেইবোৰ কৰলৈ। মোক যে আপোনাৰ লগত নিয়াৰ কথা……"

: অ' তোমাক নিয়াৰ কথা আছিল। এৰা, কথাটো মইও বহুত দিনৰ পৰা ভাবি আছিছো। কিন্তু কিছুমান ভাৱৰ বুৰবুৰণিয়ে মাজতে খেলিমেলিখন লগাই দিলে। তেতিয়া তোমাক খিলঙলৈ নিয়াৰ কথাটো মই একেবাৰে চিন্তা নকৰো। যদি সঁচাকৈয়ে খিলঙলৈ যাবলৈ ইচ্ছা কৰা তেনেহলে তুমি কেইটামান কথা ভালকৈ জানি লব লাগিব। প্ৰথমতে ধৰা ভাড়াঘৰত থাকিব লাগিব যেতিয়া ঘৰৰ দৰ্জা খিৰিকীবোৰ শব্দ নোহোৱাকৈ বন্ধ কৰিব লাগিব। শব্দ হলেই ঘৰ দুৱাৰ ভাঙিছে বুলি ঘৰৰ মালিকে চাবলৈ আহিব আৰু পিছদিনাখনেই নোটিছ জাৰি কৰিব—ঘৰ খালি কৰি দিব লাগে বুলি। মালিকজন যে কেৱল ঘৰৰে মালিক এনে নহয়, ভাড়াতীয়া মানুহৰ ওপৰতো মালিক হব বিচাৰে। তেওঁলোকৰ ঘৰটোৰ তলত থকা মানুহবোৰ যেন তেওঁলোকৰ তলতহে থাকিবলৈ আহিছে। ঘৰৰ মালিকজনকৈ মালিকনী এখোপ চৰা। "এইটো এনেকুৱা কৰিব, এইটো তেনেকুৱা কৰিব, সেইটো তেনেকুৱা কৰিব আদি নিৰ্দেশবোৰ পালন কৰি যাব লাগিব আৰু নকৰিলে ঘৰ এৰি যাব লাগিব। মালিকনীয়ে লেনিয়াই লেনিয়াই কৰ—"তেখেতেটো ঘৰটো যাকে তাকে দিবই খোজে, মইহে দিব দিয়া নাই। নহলে ঘৰটোৰ কাৰণে কিমানযে মানুহে ধৰি আছিল। আচলতে টকা কেইটা পোৱাটোৱেই আচল কথা নহয়, ভাড়াতীয়া মানুহবো ভাল হব লাগে। আগতে থকা পৰিয়ালটোৱে ঘৰ এৰি দি যাবই খুজিছিল, পিছে তেখেতসকলৰ একোমোডেশ্যন কম হয় বুলিহে।" মালিকনীয়ে এইবোৰ কথা কোৱাৰ কাৰণ হ'ল, তেওঁলোকৰ ঘৰটোত থাকিবলৈ যে অকণো অসুবিধা নাই আৰু ভাড়া লওতাৰও কোনো অভাৱ নাই—সেইটো কথা প্ৰকাশ কৰা। হয়তো পাকঘৰটোৰ মুধৰ ফুটাৰে আকাশৰ তৰা দেখিব পাৰি কাৰণেই কোনো অহা নাছিল। নাইবা মালিক আৰু ভাড়াতীয়াৰ মাজত একেটা পায়খানা হোৱা বাবেও অনেকে ভাড়া ঘৰটোত থাকিবলৈ নাহে। ভাড়া লোৱা ঘৰৰ ল'ৰা-ছোৱালীয়ে বেৰত নাইবা দুৱাৰত অলপ চিয়াহী পেলালেই "দেভোৰ জাত" বুলি মালিকে গালি পাৰিব। অথচ মালিকৰ ল'ৰাই পায়খানাৰ বেৰত

"প্ৰাইভ প্ৰোলি", "টোপনি নেযাব" আদি শব্দ চকুপেৰিলেবে লিখি থৈ দিছে তাতো তেওঁলোকৰ ভ্ৰূক্ষেপ নাই।

অকল এয়ে নহয়। আৰু আছে।

ধৰা বকৰানীয়ে দুয়ো বেলাই সক ছোৱালীজনীক পঠাই দিব—এমুঠি চাহপাত আধাকাপ গাখীৰ আনগৈ বুলি। —তুমি সেইবোৰ নিয়াৰিকৈ দি যাব পাৰিব লাগিব। নহলে বকৰানীয়ে তোমাৰ ওপৰত গদাটোপটো হৈ ফুলি উঠিব। ওচৰ-চুবুৰীয়াৰ লগত মিলি জুলি থাকিবলৈ হলে এইবোৰ কামত হাত থাকিব লাগিব। বস্তু দি দি বিৰক্তি লাগিলে খঙেৰে "নাই যা" বুলি কৈ খেদি দিব নোৱাৰা। অভদ্ৰতাই চৰম সীমা পাবগৈ। বকৰানীয়ে নিতৌ বস্তু খুজি পঠোৱা অভদ্ৰতা খিনিতকৈ তোমাৰ 'নাই যা' শব্দ দুটাৰ অভদ্ৰতাখিনিহে বেছি হবগৈ। যদি তোমাৰ চাহপাত মুঠি, গাখীৰকণ দিয়াৰ ইচ্ছা নাই তেনেহলে তুমি হাঁহি হাঁহিয়েই 'আমাৰো নাই দেখোন, বজাৰৰ পৰা আনিলেহে হব' বুলি চাহপাতৰ খুদা টিনটোকে জোকাৰি দেখুৱাব লাগিব। বকৰানীৰ ঘৰে ভদ্ৰমহিলাই আলহী এজন আহিলে পিছ দুৱাৰেদি বস্তু অনাৰ অৰ্থটো কি জানা? —আলহীয়ে জানক যে তেওঁলোকে সদাই এইবোৰ বস্তু খাই থাকে, আলহী বুলি আৰু বেলেগে অনা হোৱা নাই। তদুপৰি "আজিকালি নাহেই দেখোন" "নাহিলে খুউব বেয়া পাম" আদি ভালৰি লগোৱা কথাৰে আলহীক আপ্যায়িত কৰিব জানে বকৰানীয়ে। আলহীয়ে সেই কথাতে মজি ঘনাই গৈ থাকিলে কিন্তু বকৰানীয়ে ভাল নাপায়।

আৰো।

নতুনকৈ অনা চাদৰ-মেখেলাজোৰ এখোৱা নিদিওতেই 'আপনাৰ' শব্দটোৰ মুদ্ৰাদোষ থকা শইকীয়ানীয়ে কবহি: আজিকালি আপনাৰ এইবোৰ কাপোৰ নচলে আপনাৰ, মই এখন শাৰী কিনিছো আপনাৰ, দাম বেছি হলেও ভাল আপনাৰ। আপনাৰ তেখেতক কৈ এখন আনি নলয় কিয় আপনাৰ। ঘৰত বোৱা কাপোৰবোৰ আপনাৰ কিবা চেনিৰ বস্তা যেন দেখি আপনাৰ। বজাৰত ইমান ধুনীয়া ধুনীয়া কাপোৰবোৰ ওলাইছে আপনাৰ আজিকালি।"

বুজিছা নিকা! এই 'আজি-কালি' শব্দ দুটাই মানুহক বগাভলালৈ নিলে! আজি যিটো বস্তু আমি ভাল বুলি আদৰ সাদৰ কৰো কালিলৈকে তাকে বেয়া দেখো। তদুপৰি মানুহৰ যি কোনো কথাতে আমি মূল্য দিও বেছি। কোনোবাই কোৱা কথা এবাৰত তৎক্ষণাতে হয়ভৰ দিব নাপায়। নিজৰ চিন্তা শক্তিৰে প্ৰথমতে তাৰ গুণা-গুণ ঠিক কৰি লব লাগে। তাৰ

পিছতহে সেই কথাৰ মূল্য দিব লাগে। খোৱা লোৱা আৰু পিন্ধন উৰণত এটি নীতি বচন আছে। —আপ্ ৰুচি খানা আওৰ পৰৰুচি পহনা’। অৰ্থাৎ নিজৰ ৰুচিমতে খাব লাগে আৰু পৰৰ ৰুচিমতে পিন্ধিব লাগে। কিন্তু ‘পৰ-ৰুচি পহনা’ মানে ইয়াকে ধৰি লব নালাগে যে—আনৰ চেৰ পেলাই দামী দামী কাপোৰ কিছুমান পৰিধান কৰিব লাগে। প্ৰত্যেক মানুহৰে সমাজত একোটা মানদণ্ড আছে। এই মানদণ্ড বজাই ৰাখিবলৈ যাওঁতে যিখিনি নহলে নহয় সেইখিনিহে আমি লোৱাটো উচিত। ঠিক খোৱাৰ ফালৰ পৰাও সেই একেটা কথাই খাটে। দুই পইচা অৰ্জন কৰি চাৰি পইছা খাব নেপায়। ইয়াৰ বাবে কোনোবাই কৃপণালি কৰা বুলিলে বোলক। প্ৰকৃত হিচাবত চলিব পৰাটো কৃপণালি নহয় এটি বিশেষ গুণহে। কৃপণ কাক কয় জানা? —যিবোৰে নিজৰ লাগতীয়াল বস্তুখিনি লবলৈও পইছা খৰছ কৰিবলৈ টান পায়। টকা অৰ্জন কৰা যিমান টান, সেই টকা উপযুক্ত ভাবে খৰছ কৰিব পৰাটো তাতোকৈ টান। পিছে ইমানখিনি কথা ভাবি কেইজনে আগবাঢ়ে? নিজৰ মানদণ্ড দেখুৱাবলৈ গৈ কিছুমানে আকৌ মিছাৰ আশ্ৰয় লব লগা হয়।

শিলং চহৰতে বহুতো তিৰোতা আছে যিয়ে ঘৰত ক্ষোৰাচৰ আড্ডা খাই লগৰে কাৰোবাৰ লগত আলোচনা কৰে মাছ-মাংসৰে খোৱা বুলি। এদিন কাকতীয়নীয়ে তাওৰ তাওৰ উপাৰ মাৰি—‘হাজৰিকানী আছেনে?’ বুলি ভিতৰ সোমাই আহিল। ‘বহক মোড়াটোতে’ বুলি হাজৰিকানীয়ে ভিতৰৰ পৰাই মাত দিলে। দুয়োৰে ওচৰা ওচৰি ঘৰ। দুয়োৰে গিৰিহঁত অফিচলৈ আৰু ল’ৰা-ছোৱালী কেইটি স্কুললৈ যোৱাৰ পাচত কিবা বোলে ঘৰখন উকঙা উকঙা লাগে। সেয়েহে কাকতীয়নীয়ে সদায় এঘাৰমান বজাত হাজৰিকানীৰ তালৈ অহাটো এটা অভ্যাসত পৰিণত হৈছে। সেলেপি লগাকৈ দুয়ো দুখন তামোল মুখত ভৰাই আলোচনা আৰম্ভ কৰে। আগেয়ে আলোচনাৰ বিষয় বস্তু আছিল—কাৰ কেনেকৈ বিয়া হল; বিয়া হোৱাৰ আগতে কোন কেনেকৈ ক’ত আছিল, তাওৰ ল’ৰাটো বা ছোৱালীজনীৰ ক’ত জন্ম হৈছিল, তাৰ পাছত ছিলঙলৈ কেনেকৈ অপেন্ত’ বদলি হৈ আহিল ইত্যাদি ইত্যাদি। কাকতীয়ানীয়ে কথাৰ মাচতে লাতত পৰি বিয়া হোৱা কথাটো কবলৈ নেপাহৰে কিন্তু। এতিয়া বয়স ভাটি দিলেও তাহানি কাকতীৰ লগত লাতত পৰা কথাটো ইমান ধুনীয়াকৈ সজায়-পৰাই কব পাৰে যে তাক বিশ্বাস নকৰি উপায় নাই। কাকতীয়ে হেনো এবাৰ তেওঁক বিয়া কৰাব নোৱাৰিব বুলি মৰিবলৈকে ওলাইছিল। তেওঁ ইমান ধুনীয়া আছিল যে কাকতীয়ে তেওঁৰ পাচ লৈছিল।

হাজৰিকানীয়ে তেনেকুৱা সোণালী দিন উপভোগ কৰিব নোৱাৰাটো জীৱনৰ এটা দুৰ্ভাগ্যহে। কোনোবা সাহিত্যিকে কোৱাৰ দৰে—নিজকে জানিবৰ বাবে ৰোগে এবাৰৰ কাৰণে হলেও লাভত পৰিব লাগে। এইবোৰ কথা শুনি শুনি হাজৰিকানীয়ে হাজৰিকাৰ সৈতে নতুনকৈ লাভ খেলিবৰ মন যায়।

এইবোৰ অৱশ্যে বহুত আগৰ আলোচনা।

এতিয়াৰ আলোচনা বহুত বেলেগ ধৰণৰ। যেনে ধৰা—দেশৰ চাৰিও ফালে যুদ্ধৰ জুই জলিল। বস্তুৰ জুই-চাই দাম হ'ল। আজি মাছ অকণ পেলাই দিয়া বাবে টেঙাকণ মনত লগা হৈছিল। আদি আদি আদি।

কাকতীয়নীয়ে যদি নহা উপাৰটোকো টানি উলিয়াই হাজৰিকানীৰ আগত কয়—"আজি মাংসৰে ভাত খালো" বুলি হাজৰিকানীয়েও সুদায় নেৰে। তেওঁ কব—"আমাৰ তেখেতে আকৌ মাছ নহলে ভাত মুখতে নিদিয়ে।" আচলতে কিন্তু কাকতীয়নীয়েও মাংস খোৱা নাই আৰু হাজৰিকানীয়েও মাছ খোৱা নাই। হয়তো দুয়ো দালিৰ পানী একোবাতি আৰু স্কোৱাচৰ ভাজি কেইটুকুৰামানেৰেই ভাত খাইছে। দুয়োজনীয়ে কথাবোৰ আগজিভাবে এনেকৈ চিটিকাই চিটিকাই কব যেন তেওঁলোকে সদাই মাছ-মাংস নহলে ভাত খাবই নোৱাৰে। দুই মাকৰ লগত থকা দুই জীয়েকেও এই কথা বুজি পায়। সেয়েহে সিহঁতো এনেকুৱা কথাত পৈণত হৈ উঠে সোনকালে। পিচে জীয়েকহঁতৰ মুখেৰে কিবা ওলাই পৰে বুলি সিহঁতক কথা কবৰ সুবিধা নিদিয়ে। কিবা কব খুজিলেই মাকে কয়—"আহিল এইজনী টেপ্‌টেপাবলৈ।" জীয়েকৰ মুখ বন্ধ কৰি কাকতীয়নীয়ে ভাবে হাজৰিকানীক বৈদ্য ঠগালো; আকৌ—হাজৰিকানীয়ে ভাৱে কাকতীয়নীক ভাল গাজা এটা দিলো। নিকা! তোমাক চিলওলৈ নিলে পাৰিবা জানো এনেকৈ কথা কবলৈ। যদি মিছা কথা কোৱাটো দোষ বুলি ভাবা তেনেহলে চিলঙলৈ নোযোৱাই ভাল। আৰু অকল মিচা কথা কলেই নহব। সেই মিছা কথাৰ প্ৰতি সম্পূৰ্ণ সজাগো থাকিব লাগিব। ইংৰাজীত এষাৰ কথা আছে—'Lies beget lies'—মিছা কথাৰে মিছা কথা ঢাকিব পাৰি। অৰ্থাৎ তুমি এটা মিছা কথা কোৱা মানে সেই মিছা কথাটো ঢাকিবলৈ আৰু দহোটা মিছা মাতিব লগা হলেও পিছ হুঁহকিব নালাগিব।

ছিলংখন এখন অদ্ভুত চহৰ। ইয়াত যদি এজন মানুহ মৰিবলৈ ওলায়, ওচৰৰ ঘৰত ৰেডিঅ' বজাই মহওলা হৈ থকাহে দেখিবলৈ পাবা। ওচৰা ওচৰি মানুহ দুঘৰ যদি এজন চুপাৰিনটেনডেন্ট আৰু আনজন ল'ৰাৰ ডিভিজন এচিষ্টেণ্ট হয় তেনেহলে চুপাৰিনটেনডেন্ট জনে লোৱাৰ ডিভিজন এচিষ্টেণ্টজনৰ

ঘৰলৈ যাবলৈ লাজ পায়। ওচৰ-চুবুৰীয়া দুঘৰ মানুহৰ দুজনী ছোৱালীৰ এজনী যদি ইংৰাজী মিচন হাইস্কুলত পঢ়ে আৰু আনজনী যদি ওচৰৰে অসমীয়া হাইস্কুলখনত পঢ়ে তেনেহলে সিহঁতৰ মাজত মিলা-মিচা দূৰৈৰ কথা আনকি কথা-বতৰাও নাই। সেয়েহে বোধকৰো চলিহানীয়ে প্ৰায়ে কোৱা শুনো তেওঁৰ বোলে ছোৱালীজনীয়ে অসমীয়াত কথা কবলৈ টান পায়। ইংৰাজী মিচন স্কুলত পঢ়া ছোৱালী। ওচৰে-পাজৰে ইংৰাজী বুজা বা কব পৰা অসমীয়া ছোৱালীও নাই, গতিকে ঘৰটো এৰি দি অন্য ঠাইত ঘৰ লোৱাৰ ইচ্ছা। স'চা কথা কবলৈ হলে—ছোৱালীজনীয়ে অসমীয়াত কথা কবলৈ টান পোৱাটো মিচা, আৰু চলিহানীয়ে ঘৰও নবদলাই। মুঠতে তেওঁৰ যে ছোৱালীজনীক ইংৰাজী মিচন স্কুলত পঢ়ুৱাইছে তাৰে গৌৰৱকণ দেখুৱাবলৈ সেইহে ইমানখিনি পাতনি মেলে। ইপিনে ছোৱালীক টিউশ্যন নলগালে আগবাঢ়িবই নোৱাৰে।

ছিলঙত যথেষ্ট টিউশ্যন পায়। কোনোবাই চাকৰি পোৱা নাই কিন্তু পোৱাৰ আশা আছে তেনেকুৱা লোকে তিনি চাৰি মাহ টিউশ্যন কৰি ছিলঙত থাকি যাব পাৰে। পিচে ল'ৰাক টিউশ্যন কৰিলেও ছোৱালীক টিউশ্যন কৰিবলৈ নোযোৱাই ভাল। উদাহৰণ স্বৰূপে মোৰ নিজৰ অভিজ্ঞতা খিনিকে বৰ্ণাও বাৰু।

১৯৬৩ চনৰ পহিলা মে'ৰ পৰা ঠিক হল শ্ৰীযুত অমূল্য বৰঠাকুৰৰ দশমমান শ্ৰেণীত পঢ়া ছোৱালীজনীক মই পঢ়ুৱাব লাগে। টকা দিব মাহে ষাঠিকৈ। মইও সন্মিয়া সময়কণ এনেয়ে কটোৱাতকৈ টিউশ্যনটো পাই ভালেই লাগিল। ছোৱালীজনীৰ নাম মিছ বিউটী বৰঠাকুৰ। বিউটী বৰঠাকুৰ অমূল্য বৰঠাকুৰৰ একমাত্ৰ কন্যা আৰু একমাত্ৰ সন্তান। নামে ছোৱালীয়ে বেছ মিলা ছোৱালী। বতাহত কঁকাল ঘূৰাই ঘূৰাই নচা বাটৰ দুবৰি বনৰ দৰেই হালি জালি খোজ কাঢ়ে। ডাৱৰ-ওৰণীৰে আবৰা সূৰ্য্যমুখৰ দৰেই জোপোহা চুলিৰে আবৰা ধুনীয়া গোল মুখখন। খোজৰ ভৰত টলমল কৰা এদেহ যৌৱন। কেঁচাসোণ বৰণৰ গাভৰু দেহাটি বঙ বিৰঙৰ চুটি চুটি ফ্ৰকেৰে সজাই ৰাখে। দেহৰ ভাঁজবোৰ বেচ ভিলিকাই ৰাখিব জানে বিউটীয়ে। দেহৰ ভাঁজে ভাঁজে যৌৱনৰ অত্যাচাৰ। ভাঁজবোৰ আচৰিত ধৰণে মৰম লগা। চেলেকি চেলেকি কামুৰিবৰ মন যায়। তাইৰ দুগাল ভৰা মিঠা হাঁহিয়ে শৰীৰ-মন শাঁত পেলায়। তাইৰ হেঙ্গাৰ ভাষাৰে ওপচা চকু মই বুজি নাপওঁ, যেন লাগে।

দিনবোৰ ঘূৰে।

নহয়, দিনবোৰ ঘূৰে। দিনবোৰ সৈ থাকে। লাহে লাহে গম পালো,—

বিউটী ববঠাকুৰ আজি তিনি বছৰে দশমমান শ্ৰেণীৰ ছাত্ৰী হৈয়ে আছে। ভদ্ৰ ভাষাত কবলৈ গলে বিউটীয়ে আজি তিনিবছৰে মেট্ৰিক পৰীক্ষাত ফেইল কৰা নাই পৰীক্ষাত বেয়াহে কৰিছে। আৰু গম পালোঁ; মোৰ আগতে বিউটীৰ ঘৰুৱা শিক্ষক আছিল শ্ৰীৰমেন চলিহা। ৰমেন চলিহাক মই ভালদৰে জানো। চিলঙৰ বিষ্ণুপুৰত মেছ কৰি থাকোতে তেখেত মোৰ মেছ মেম্বাৰ আছিল। অতিপাত ভদ্ৰ আৰু নম্ৰ স্বভাৱৰ লৰা তেখেত। গাৰ্ঁৰ লৰা হিচাবে বৰ বিশেষ চতুৰালিৰ আদব কায়দা নাজানে, চিধা চিধি চলা মানুহ। সততে মানুহক ভয় কৰি চলে। অচিনাকি মানুহ, বিশেষকৈ তিৰোতা বা ছোৱালী মানুহৰ লগত হঠাৎ কথা কব লগা হলে ১০৩° ডিগ্ৰী জ্বৰ উঠে। সেই ৰমেন চলিহা আছিল বিউটীৰ ঘৰুৱা শিক্ষক।

কথাটো জানিবলৈ মোৰ মনত এটা খু-তুৰনি লাগি থাকিল।

ছাত্ৰ হিচাবে ভাল খ্যাতি থকা ৰমেন চলিহাক ঘৰুৱা শিক্ষকৰ পৰা আঁতৰোৱাৰ কাৰণ কি হব পাৰে বাৰু? পিছ মুহূৰ্ত্তে আকৌ ভাবো, কথাটো হবও পাৰে। মানে ভাল ছাত্ৰ এজন ভাল শিক্ষক নহবও পাৰে। নিজে বুজা আৰু আনক বুজোৱা কথাটোৰ মাজত বহুটো পাৰ্থক্য আছে। হওঁতেনো শিক্ষকক আকৌ বেলেগে B T. লাগেনে? কিন্তু মোৰ ভাৱবোৰে খেলিমেলিখন লগাই দিলে সিদিনা—যিদিনা ৰমেন চলিহাক লগ পাই বিউটীক পঢ়ুৱাৰ বিষয়ে সবিশেষ সুধি পেলাইছিলোঁ।

শিশুসুলভ স্বভাৱটোৰে চলিহাই কথাবোৰ কওঁ-নকওঁকৈ কৈ গৈছিল। চলিহাই কোৱামতে বিউটীয়ে হেনো এদিন পঢ়াই থাকোতে তেখেতৰ কোলাৰ ওপৰত ভৰি দুখন তুলি দিছিল। আৰু তেতিয়াই চলিহাই বিউটীৰ গালত ঠাঁচ ঠাঁচকৈ দুটা চৰ সোধাই দিছিল।

এৰা' নিষ্কাম দেৱতুল্য মানুহে গাভৰুৰ প্ৰেম পাব নোৱাৰে।

………পিছদিনাখন বিউটীৰ মাকে অকাট্য কথাৰে চলিহাক কৈছিল—"তুমি আৰু পঢ়ুৱাব নালাগে"। চলিহাই 'ভাল বাৰু' বুলি কৈ ওলাই আহিছিল। —আনকি প্ৰায় শেষ হোৱা মাহটোৰ টকা কেইটাও তেখেতক দিয়া নহল। চলিহাৰ মতে বিউটীয়ে পঢ়াতকৈ প্ৰেমৰ নদীত সাঁতুৰি নাদুৰি থাকিবৰ ইচ্ছা কৰা বিধৰ ছোৱালী। কথাটো শুনি মোৰ মনটো বেয়া লাগি গ'ল। আৰু তাতোকৈ বেছি বেয়া লাগিল চলিহাৰ অজলা স্বভাৱটোৰ প্ৰতি। মনৰ ভিতৰতে এটা বিদ্ৰোহে উকিয়াই উঠিল। চাম বাৰু! বিউটী ববঠাকুৰে প্ৰেমৰ নদীত কিমান সাঁতুৰিব পাৰে! দেখা যাওঁক প্ৰেমৰ সোঁতৰ ঢৌত কোনে

কিমান পানী খাব লাগে। আজিলৈ বহুতো গাভৰুৰ লগত যৌৱনৰ খেল খেলিছো। এই খেলত কোনো দিনে হাৰ মনা নাই। কিন্তু মোৰ ভয় হৈছে যদি মই বিউটীৰ ওচৰত হাৰ মানি যাওঁ তেনেহলে মোৰ জীৱনৰ এই কাল চোৰাত এইটো হব এটা চৰম পৰাজয়। শুনিছিলো, বিউটীৰ প্ৰেমৰ বাবে হেমন্ত বৰুৱাৰ আত্মহত্যাৰ কথা, শুনিছিলো কলেজ হোষ্টেলৰ দুজনকৈ ল'ৰাই বিউটীৰ থমথমীয়া মুগাৰ মেখেলাৰ পাতলিত উজুটি খাই মাৰপিটত আৰম্ভ হোৱাৰ কথা, আৰু অনেক ঘটনা—ৰূপকথা যেন লাগে। মই দৃঢ় প্ৰতিজ্ঞ হলোঁ—বিউটিৰ বিষদাঁত মই উভালিবই লাগিব।

মই সম্পূৰ্ণ সক্ষমহে বিউটীক পঢ়ুৱাই গলোঁ। কি পঢ়ুৱাইছো মইও ঠিক কব নোৱাৰো আৰু কি পঢ়িছে তাইও হয়তো কব নোৱাৰে। প্ৰমাণ হিচাবে তাইক সোধা প্ৰশ্নৰ উত্তৰত পাওঁ এক তেম ভৰা চকুৰ চাৱনি। টানকৈ কবও নোৱাৰো একো। ৰবমেৰে কিনি প্ৰেমৰ তোলেৰে বান্ধি থৈছে মোক। হিয়াই হিয়াই হিয়াৰ নাচোন উঠিছে আমাৰ। ক্ষতি নাই মোৰ। মাহৰ লগত সম্বন্ধ থকা মানুহ আমি। এটা মাহৰ মিত্যু হোৱা মানে বাকীটো টকাৰ জন্ম হোৱা।......

......মোৰ চকুত বিউটী এজনী অপ্সৰীৰ দৰে ধৰা দিলে। কোঁহে কোঁহে মৰম সেউজ। উশাহত কঁপি থকা বুকুৰ ভাঁজবোৰ দেখিলে কিবা উকণ্ঠা মন বলিয়া হয়। কাণৰ কাষৰ বেণীত বান্ধ নোখোৱা চুলিবোৰ ঘণচিৰিকাৰ বাহৰ খেৰ কুটাবোৰৰ দৰে। কেয়াৰফুলি কেয়াৰলেচ টাইলত চুলি বান্ধে। বিউটী, যৌৱনৰ চঞ্চলতাই স্পৰ্শ কৰা এজনী নোদোকা গাভৰু। নিয়ঁৰত তিতা ফুলৰ দৰেই ৰমনীয় যেন লাগে। আমাৰ চাৰি চকুৱে হাঁহে। বিউটীৰ চকুৰ মণিত মোৰ পাচপোৰ্ট চাইজৰ ফটো আছে।

প্ৰথমতে সন্মুখা-সন্মুখিকৈ বহা বিউটীয়ে মোৰ সোঁহাতে বহিবলৈ লৈছে তেতিয়া। আগতে ব্যৱধান আছিল মাত্ৰ এক মেজ এখনৰ পিঠিখন। তেতিয়া ব্যৱধান মেজৰ কোন এটা মাত্ৰ। আৰু তাৰে কিছুদিনৰ পিছৰ পৰা মোৰ গাতে গা লগাই বহা কৰিছে বিউটীয়ে। বেয়া লগা নাছিল—মোৰ। নিৰ্জন কোঠাটোলৈ কোনো নাহে। কিয়? প্ৰথম দিনাখনেই দেখোন বিউটীৰ মাক দেউতাকে মোক কৈছিল, "আমি আৰু তোমাৰ ওপৰতে এৰি দিছো সকলোখিনি। পঢ়ুৱা—নপঢ়ুৱাটো আমি আৰু বেলেগে চাবলৈ নাহো।" অহা নাছিল—বিউটীৰ মাক দেউতাক। বাহিৰৰ কোলাহল আহিব নোৱাৰাকৈ মাৰি বন্ধা হৈছিল কোঠাটোৰ দুৱাৰ-খিৰিকীবোৰ। খিৰিকীৰ কাঠ পৰ্দা তেজ কৰি ওলাই যাব পৰা নাছিল কোঠাটোৰ পোহৰবোৰ। নিজান কোঠা। বিউটী আৰু

মই। মই আৰু বিউটী।…বিউটীয়ে ভৰি তুখন মোৰ কোলাৰ ওপৰত আলফুলকৈ তুলি দিয়ে। ঘন ঘনকৈ উশাহত স্ফীতহৈ উঠা-নমা কৰা বুকুত মোৰ চুমাৰ নিকনবোৰৰ কোমলতাৰ খুন্দা লাগে। জৰ ঘামে ধুৱাই পেলাই মোক। তাইকো। মোৰ মুখৰ ভাষাও হেৰায়। আৰু তাইৰ? জোকাৰি দিয়া গছপুলি এডালৰ দৰে কঁপি কঁপি হালি পৰে মোৰ বুকুত। তাৰ পিচত কব নোৱাৰাকৈ পাৰ হৈ যায় বহুত সময়। তেতিয়া চাগৈ বিউটীৰ মাক দেউতাক ফ্‌ৰিৰলৈ গৈছে বহুত দূৰলৈ। হয়তো কোনোবা ক্লাবলৈ গৈ বল ডান্স উপভোগ কৰিছে। নাচনী ছোৱালীজনীৰ লাজ লগা নাচবোৰ দেখি মিচেচ বৰঠাকুৰে "নিলাজী নাওঠা নাটেশ্বৰীজনী" বুলি হয়তো হাঁহিছে। তেনেকুৱা বহুতো সন্ধিয়া পাৰ হৈ যায় মিষ্টাৰ আৰু মিচেচ বৰঠাকুৰৰ। আৰু বহুতো সন্ধিয়া পাৰ হৈ যায় বিউটী আৰু মোৰ। বাহিৰত তেতিয়া হিম পৰে। এই হিমে ধুই ধুই পৃথিৱীখন নিকা কৰি পেলাব। কিন্তু নিকা কৰিব পাৰিব জানো আমাৰ মানুহবোৰৰ মনবোৰ?…এইবোৰ কথা জানিও কিবা এটা তৃপ্তি অনুভৱ কৰো। এই তৃপ্তি চিগাৰেটৰ শেষৰ টান, ভাতৰ শেষৰ চেলেক আৰু চাহৰ শেষৰ ঢোকৰ দৰেই তৃপ্তি।

চাৰি মাহৰ মূৰত গম পালো বিউটী বৰঠাকুৰৰ কিবা হৈছে। তিলমানো পলম কৰা অনুচিত বুলি নানা অজুহাত দেখুৱাই টিউশ্যনটো এৰি দিলো। বিউটীক দেখা নকৰিলো। দেখা কৰাৰ প্ৰয়োজন বোধ নকৰিলো।

: তাৰ মানে আপুনি……?

: আহু কথাৰ ওপৰত চাব দি নধৰিবাচোন। তুমিয়েই দেখোন কৈছিলা— তোমাৰ আগত কোনো কথা লুকুৱাবলৈ। কৈছো এতিয়া শুনি যোৱা। ফুল ধুনীয়া, কিন্তু কিছুমান কাগজৰ ফুল আছে তাতোকৈ ধুনীয়া। ফুলৰ ওপৰত ভোমোৰা পৰে; সেইবুলি কাগজৰ ফুলৰ ওপৰত জানো ভোমোৰা পৰে? কোনোবা ভোমোৰা ভুলকৈ পৰিলেও সি তেনেকৈতে উৰি যায়। মইও উৰি আহিছিলো বিউটীৰ ওচৰৰ পৰা। কিয় জানা? আজিলৈ মই যিমানবোৰ নাৰী হৃদয় জয় কৰিব পাৰিছো সেই আটাইবোৰৰ লগত তোমাক তুলনা কৰি চাইছো। এই তুলনা অকল ৰূপৰেই নহয়, চৰিত্ৰৰো। কোনোৱেই তোমাক আজিলৈ চেৰ পেলাব পৰা নাই। নাৰী মন তেনেকৈতে সহজ হৈ পৰাটো মই নিবিচাৰো। কিয়নো সহজ নাৰী মনক পুৰুষে বশ মনাবলৈ সুবিধা পায়। বিউটীও এই চৰিত্ৰৰ পৰা বাদ পৰা নাই। এইখিনিতে তোমাৰ লগত আন সহ নাৰীৰ পাৰ্থক্য। মনত পৰেনে বাৰু ১৯৫৯ চনৰ যাৰ জানুৱাৰীৰ

সন্ধিয়া ভলুকা পাহাৰত উঠি এচটা শিলত বহি আমি দুয়ো মুকলি মনেৰে পতা কথাবোৰ :—

: সেই পাহ ফুল ইমান ধুনীয়া ।

: হলেও বনৰীয়া ফুল ।

: আমি মানুহবোৰো এসময়ত বনৰীয়া আছিলো ।

: · ·· ·· ।

: মোৰ টোপনি ধৰিছে ।

: ঘৰত গৈ শুব বলক ।

: সদায় সদায় বিচনাখন আৰু গাৰোটোত কিমান শুম ?

: নালাগে বাৰু মোৰ কোলাতে শুবক । মই মুৰটো পিটিকি দি থাকিম ।

: ছোৱালীৰ কোলাত শুবলৈ লাজ লাগিলেও ইমান ভাল লাগে ।···নিকা ।

: কি ?

: দি-বা ?

: ছিঃ নাপায় !

: দিয়ানা ।

: আজিয়েই যদি সকলোখিনি দি দিওঁ আমাৰ বিয়াৰ ফুলশয্যাৰ ৰাতি আপোনাক মই কি নতুন বস্তু দিব পাৰিম ।

মই বহুপৰ চকু দুটা মেলি দি তোমাৰ চকুলৈ চাইছিলো । লগে লগে জানি পেলাইছিলো বহুতো নজনা কথা তথাপি তথাপি মোৰ উতলা যৌৱনে নেমানে । সেয়ে হবপায় কোনো এপাহ ফুলৰ যৌৱনকে মই লেবেলি শুকাই যাবলৈ দিব নোৱাৰো । মোৰ দৰে বহুত ডেকা আছে যিবোৰে ফুলনিত ফুলা ফুলপাহ চাইয়ে সন্তুষ্ট থাকে । মই কিন্তু তেনে নহওঁ । মই ফুলপাহ হাতেৰে লাবি চাব খোজাৰ চলেৰে মধুপান কৰো । সেই ফুলৰ মধু চুমি চুমি মোৰ হেঁপাহ নপলায় ।—পাপ ? পাপৰ ওপৰত মোৰ বিশ্বাস নাই । —মৃত্যু ? মৃত্যুক ভয় কৰিবলৈ কেতিয়াবাই পাহৰিছো । তথাপি মৃত্যুৱে যদি মোক আগচি ধৰে মই কম—হে মৃত্যু ; পৃথিবীৰ শেষ ফুলটিও যেন মোক চুমিবলৈ দিয়া । তাতো মই চাব খোজো সেইবোৰ আচলতে মৌ নে বিষ ? যদি বিষ হয় তেন্তে তোমাৰ জয় । আৰু যদিহে মৌ হৈ থাকে তেন্তে মোৰ প্ৰাণৰ মনিকা জনীক হেজাৰ বাৰ কম—"নাৰীৰ বুকুখন মৌচাকৰ বাহিৰে আন একো নহয় ।"

······ছোৱালীৰ গা-মনৰ ওপৰত মাকৰ চোকা নজৰ থাকে । সেয়েহে মাকৰ চকুৰ আসৰ পৰা সাৰি যাব নোৱাৰিলে বিউটীয়ে । ···...বিউটী ধৰা

পৰি গল । সকলো কথা কৈ দিলে মাকৰ আগত । কবলৈ বাধ্য হ'ল । পিছ দিনাখনৰ পৰা মিষ্টাৰ বৰঠাকুৰৰ যাত্ৰা আৰম্ভ হ'ল মোৰ সন্ধানত । গোটেই ছিলং চহৰ বিচাৰি চলাথ কৰিলে । অৱশ্যে মইয়ে পলাই ফুৰিছিলো সেইটো নহয় । আগৰ থকা ঠাইখনৰ পৰা আঁতৰি গৈছিলো অন্য এখন ঠাইলৈ । এদিন হঠাৎ মিষ্টাৰ বৰঠাকুৰ মোৰ অফিচত উপস্থিত হলহি । দেখা পায়ে স্থিৰ পানীত শিলগুটি এটা পেলাই দিলে চাৰিওফালে বৃত্ত কিছুমান বহলহৈ যোৱাৰ দৰে মোৰ মুখৰ পৰা অনেক বৃত্ত ওলাই আহিছিল । মোৰ শ্বাস প্ৰশ্বাস বন্ধ হোৱাৰ উপক্ৰম হৈছিল । কোনোমতে ডুবাৰমান লেপচুকি 'বহক' বুলি কব পাৰিছিলো । এটা সুন্দৰ বুজনিৰ ভাষাৰে মোক কৈ গ'ল তেখেতে । তেতিয়া মোৰ ভৰিৰ আঙুলিৰ পৰা মূৰলৈকে শিৰ্ শিৰ্কৈ বগাই অহা যেন কিবাটো থামি গৈছিল ।

: যি হৈছে হৈছে বাৰু । সেইটো বিউটীৰে দোষ হওঁক বা তোমাৰে হওঁক—সেই দোষৰ ভাগী কোনো নোহোৱা । আচলতে সেইটো বয়সৰহে দোঁ। বিয়াখন হৈ গলে সেই দোষ নিৰ্দোষ হৈ যাব ।

: "কিন্তু মই যে বিবাহিত—" মই কলো ।

কপালৰ শিৰবোৰ অত্যন্ত কোঁচ খুৱাই সহজ সৰল মিষ্টাৰ বৰঠাকুৰে ক্ষোভ দৃষ্টিৰে মোক কৈছিল—"তেন্তে আগতে কোৱা নাছিলা কিয় লম্পট ?"

: "লম্পট মই নহওঁ মিষ্টাৰ বৰঠাকুৰ । কথা কব পৰাহেঁতেন বিউটীৰ কোঠাৰ দুৱাৰ-খিৰিকী বোৰেই তাৰ সাক্ষী দিব পাৰিলেহেঁতেন । আৰু মইটো নাজানো যে টিউশ্যন কৰিবলৈ হলে মানুহ অবিবাহিত হব লাগে । মই জনাত দেখোন ঘৰৰ পাৰ্ট ভাড়া ললেহে বিবাহিত হব লাগে"—নকল চাৰ্টিফিকেট দেখুৱাই চাকৰি কৰি থকা চাকৰীয়াল ধৰা পৰাৰ পিচত যেন অৱস্থা হয় মোৰো তেনে হ'ল । মিষ্টাৰ বৰঠাকুৰক মই বিদায় দিলো । যাবৰ সময়ত "চাওঁ বাৰু কি কৰিব পাৰো"—বুলি ওলাই গ'ল । মই কৈছিলো—"মোৰ বিৰুদ্ধে যদি আপুনি কিবা কৰিব পাৰে কৰকগৈ । তাত মোৰ কোনো আপত্তি নাই ।"

এইকেইদিনৰ ভিতৰত অনেক ধুমুহা আহিছে । আহক । অনেক বৰষাই কান্দিছে । কান্দক । তাত মোৰ ভাবিবলগীয়া কিটো আছে । মই জানো,—সাগৰ কিমানেই গভীৰ নহওঁক পৃথিৱী ঘূৰুটে ; বতাহ যিমানেই ওপৰলৈ নবলক আকাশ নোচোৱে । আৰু মোকো চুব নোৱাৰে বিউটীৰ দেউতাক মিষ্টাৰ বৰঠাকুৰে ।

কেইদিন মানৰ পিচৰ কথা । বিউটী বৰঠাকুৰৰ বিয়াৰ ঠিক হৈ গৈছে ।

অহা মাহতে বিয়া। ধুবুৰীত কাম কৰা কোনোবা এজন স্কুল মাষ্টৰৰ লগত। আমাৰ সমাজত একশ্ৰেণীৰ মানুহ আছে যিয়ে তলে তলে ছোৱালীৰ বাবে দৰা বিচাৰি থাকে। আৰু বিয়াৰ বন্দবস্ত হলে মানুহৰ আগত কয়—"দৰাই বোলে আমাৰ ছোৱালীজনী দেখালে বিয়াকে নকৰায়।" তেওঁলোকৰ মতে মানুহে জানক যে—'আমি দৰা বিচৰা নাই, দৰাইহে আমাৰ ছোৱালী বিচাৰি আহিছে।" কেতিয়াবা আকৌ ছোৱালীৰ গুণৰ কথা জানি কোনোবা দৰাই বিয়া বন্ধ কৰিলে ছোৱালীৰ ঘৰৰ সকলোৱে ওলোটা আগতে—"দৰা জনৰ চৰিত্ৰ বেয়া বুলি পাচতহে জানিলো। সেয়েহে তাঁলৈ ছোৱালী নিদিও।" আমাৰ ঘৰঠাকুৰৰ পৰিয়ালো তেনে শ্ৰেণীৰ ভিতৰতে পৰে। ছিঃ ঘৰঠাকুৰ যেন তেন, মেচেচ ঘৰঠাকুৰ আৰু এখোপ চৰাহে।

বিয়াখন হৈ গ'ল স্কুল মাষ্টৰৰ লগত—১৯৬৩ চনৰ ডিচেম্বৰ মাহৰ চৈধ্য তাৰিখে। মোৰ বেয়া লগা নাছিল এইখন বিয়াত। বৰঞ্চ মই সুখীহে হৈছিলো। দৰাজনক মোৰ বন্ধু এজনে ভালদৰে চিনি পায়। একেবাৰে গোবৰতোলা মানুহজন। সাধাৰণ জীৱন-যাপন কৰি ভাল পায়। লোকৰ দোষ গুণলৈ বৰকৈ চকু নিদিয়ে। বিয়া কৰাৰ লাগে কাৰণেই কৰাইছে। ছোৱালী-তোৱালী চাই চিতি বিয়া কৰাৰ চখ তেখেতৰ নাই।

বিউটীক বিয়া কৰোৱাৰ পাঁচ মাহৰ পিছত ছোৱালী এজনীৰ জন্ম হয়। আজিকালি ছোৱালীয়ে দৰাৰ গোন্ধ পাবহে লাগে মাক হবৰ হয়েই। কথাবাৰ সক চহৰখনত ঘুণুক-যানাককৈ বিয়পি পৰিল। অৱশ্যে বিউটীৰ গিৰিয়েক এই বিষয়ত অতিকৈ উদাসীন। সৰল মুঠাৰ শিশুটিৰ জন্ম তেওঁ অসময়ত হোৱা বুলিয়েই ধৰি লগে। শিশুটিৰ জন্মৰ মাজেৰে যে এটা ৰহস্য উদ্ঘাটন কৰিব পাৰি তাক তেওঁৰ সহজ সৰল মনটোৱে—ভাবিবই নোৱাৰিলে।

বিউটী এতিয়াও গিৰিয়েক আৰু দুটি সন্তানৰ সৈতে সুন্দৰ জীৱন-যাপন কৰি আছে—ধুবুৰীৰ দিয়াচলাইৰ কাৰখানাটোৰ ঠিক পশ্চিম মূৰত থকা এটা বাসভৱনত। এবাৰ অকিচৰ কামত ধুবুৰীলৈ যাব লগা হোৱাত বিউটীক দেখাৰ সৌভাগ্য ঘটিছিল। মোক দেখা পাইয়ে বিউটীয়ে নমস্কাৰ এটা দিবলৈ পাহৰা নাছিল। মই সুধিছিলো—"ভালনে ? "ভাল-আৰু"—বুলি কৈ বিউটীয়ে একো কোৱা নাছিল। নহয় একো কৰ পৰা নাছিল। অপলক দৃষ্টিৰে কেৱল মাত্ৰ মোলৈ চাইহে আছিল। মই গুচি আহিছিলো। কথা পাতোতে প্ৰায় হোৱা পাঁচ মিনিট সময় মোৰ একুৰা যেন লাগিছিল। আচৰিত হৈছিলো বিউটীৰ—কাণে কাণে কৈ যাওঁ ॥

ব্যৱহাৰ দেখি। মই কোনো দিনেই আশা কৰা নাছিলো বিউটীৰ পৰা এনে মৰমচৰ্য্যা ব্যৱহাৰ পাম বুলি। ধন্য নাৰী হৃদয়। অতীতক পাহৰি যাব পৰা ক্ষমতা আছে নাৰীৰ মনৰ মণিকোঠাত। মোৰ নিজকে বৰ অপৰাধী যেন লাগিল। যৌৱনৰ উত্তাপত বিউটীয়ে মোৰ চুমাবোৰত বিষ থকা বুলি তাহানিখন অন্ততঃ ভবা নাছিল। বিউটীৰ কোলাত থকা শিশুটিৰ মুখখনিলৈ চাব পৰা নাছিলো মই। নহয়, মোৰ চাবলৈ ভয় হৈছিল। আৰু যেতিয়া শিশুটোৱে মুঠিমৰা হাতখন দাঙি মোলৈ 'দেতা' বুলি হাঁহি দিছিল মোৰ বুকুখন চিৰিং কৈ ফাটি যোৱা যেন লাগিছিল। অইন মানুহে দেখিলে হয়তো ভাবিলেহেঁতেন —সক লৰা-ছোৱালীয়ে সকলোকে মা-দেউতা বোলে। আৰু সেই কাৰণেই হয়তো বিউটীৰ গিৰিয়েকে একো ভৱা নাছিল। সৰু লৰা-ছোৱালীয়ে তেনেকুৱা কৰেই। বিউটীৰ কথাবোৰ ভাবি ভাবিয়েই মই ছিলঙলৈ যাত্ৰা কৰিছিলো। ছিলং পাবহি লাগিছিল দিনৰ তিনিবজাত—কিন্তু পালোহি ৰাতি দহ বজাত। গুৱাহাটীত চৰকাৰী বাচত উঠিয়েই গম পাইছিলো যাত্ৰা শুভ নহয়। মেকানিক কিছুমানে ঠেলি ঠেলি আনি গাড়ীখন মটৰ ষ্টেণ্ডৰ বাহিৰ উলিয়াই দিছিল যেন গাৰ্ডৰ জীয়ৰী বোৱাৰীহঁতে বিয়াৰ কইনাক ঘৰৰ পৰা উলিয়াইহে দিছে। বাহিৰত যেনিবা গাড়ীখন ষ্টাৰ্ট হ'ল। গাড়ীৰ হৰ্ণৰ শব্দতকৈ গাড়ীখনৰ নিজৰ শব্দহে বেছি। বৰ্ণিহাট এৰি কিছুদূৰ আহি—গাড়ীখন 'নাযাওঁ' বুলি ৰৈ গ'ল। এই চৰকাৰী বাচবোৰ সাধাৰণতে ষ্টেচনত বেয়া নহয়। কাৰণ তাত ঠেলা মানুহ আছে। দুই ষ্টেচনৰ মাজ ভাগ হৈছে হুইতৰ ভিৰোৱাৰ উত্তম ঠাই—য'ৰ পৰা নেকি গাড়ী বেয়া হোৱা খবৰটো পঠাবলৈও সুবিধা নাই। অৱশেষত যেনিবা ড্ৰাইভাৰে ইটো সিটো লাৰি চাৰি, পিটিকি মুচৰি গাড়ীখন ষ্টাৰ্ট কৰিলে। নংপু পালোগৈ। মই ভাবিছিলো কৰ্ত্তৃপক্ষই চাগৈ কিবা মেৰামতি কৰিব। কিন্তু গাড়ীখন বেয়া বুলি তাত কোনো সাৰ-সুৰেই পোৱা নগ'ল। গাড়ী আকৌ চলিল। কিন্তু বৰাপানী পোৱাৰ আগতে বাটতে আকৌ ৰুবাব বেয়া হ'ল। বৰাপানী এৰি অহাৰ লগে লগে আহিল এজাক বৰষুণ। খিৰিকীৰ কাষতে বহিছিলো। বৰষুণ অহাত খিৰিকীখন বন্ধ কৰিব নোৱাৰিলো। লগত থকা ছাটিটোকে খিৰিকীৰ দ'াতিত মেলি ধৰিলো। কিন্তু সময়ৰ পাছত দেখো যে কেৱল খিৰিকীৰেই পানী পৰা নাই, গাড়ীৰ মূধৰেও পানী পৰিবলৈ আৰম্ভ কৰিছে। উপায় নাপাই জুপুকা মাৰি বহি থাকিলো। সন্মুখৰ ফিলে চালো। দুদা টিনৰ পিলিপ এটাৰ ওপৰত লিখা আছে—"Any Complaint Please ask for Complaint Book" কণ্ডাক্টৰক সোধাত Complaint Book টো

আনিবলৈ পাহৰা বুলি কলে। গোফ উভালি নিব খোজা হাঁহি এটাৰে মোক ঠাট্টা কৰাৰ দৰেই ক'লে—"আপুনি কি কি অভিযোগ লিখিব খুজিছে বাৰু ?" মই কলো : আপুনি অভিযোগ বহীটো পাহৰি এৰি অহাটোৱেই মোৰ এটা ডাঙৰ অভিযোগ। সন্মুখৰ পৰা আহি থকা আনখন চৰকাৰী বাচৰ ড্ৰাইভাৰক আমাৰ গাড়ীখনৰ ড্ৰাইভাৰ জনে হাতৰ ইঙ্গিতেৰে কিবা এটা দেখুৱালে। অইনে বুজি পাইছিলনে নাই কব নোৱাৰো—মই হ'লে বুজি পাইছিলো। মানে, আমাৰ গাড়ীখনতে অহা লাইন ইন্সপেক্টৰ জন যে বৰাপানীত বৈ আছে তাৰে ইঙ্গিত। তেহে তাত থকা টিকেট নোহোৱা যাত্ৰীক খাম খুম টিকেট ইচু কৰি দিব পাৰিব। নহলেযে লাইন ইন্সপেক্টৰে দাবী কৰা মতে টকা দিব নোৱাৰিলে কণ্ডাক্টৰৰ চাকৰি যাব।

এইখিনিতে মনিকা, তোমাক এটা কথা কৈ থোৱা ভাল হব। টকা যিজনেই নেখাওক কিয় এই টকা থাব বাইজৰ জেপৰ পৰা। বাইজৰ টকা যদি বাইজৰ ভড়াললৈ নগৈ কোনোবা এজন বা কেইজনমান মানুহৰ হাতলৈ যায় তেনেহলে সেই টকা বাইজৰ কামত নেলাগে। এই কথাটো বাইজেও বুজা উচিত। সেয়ে মই কব খুজিছো ড্ৰাইভাৰ কণ্ডাক্টৰে টিকট নিদিয়াকৈ পইচা লোৱাটো যেনেকুৱা দোষৰ কথা তেনেকুৱাকৈ বাইজেও টিকেট নোহোৱাকৈ পইচা দিয়াটো দোষৰ কথা। তাকে নেভাবি গাড়ীখন লেম্বা বুলি নাইবা ড্ৰাইভাৰ কণ্ডাক্টৰে টকা খায় বুলি উধাই মুধাই চৰকাৰক গালি পাৰিলে কোনো ফল নধৰে। গাড়ীৰ ইঞ্জিনটোৰ পৰা ড্ৰাইভাৰ, কণ্ডাক্টৰবোৰলৈকে মিলিটাৰে চাবলৈ হলে চৰকাৰী কৰ্মচাৰীবোৰ বাদ দি সকলোবোৰ মিলিটাৰীহে হৈ যাব লাগিব।

যি হওঁক, সিদিনাখন ৰাতি চাৰে দহ বজাত ছিলং পাই চিন্তা হৈছিল—এতিয়া ঘৰলৈ যোৱা যায় কেনেকৈ। টেক্সি যি দুই এখন আছিল তাকো লৈ গ'ল কোনোবাই। মই তেতিয়া নংখুৱাইত থাকো। উপায় নাপাই খোজকাঢ়ি যোৱা-টোকে ঠিৰাং কৰিলো। ছমাহ পুৰণি নো হওঁতেই ছটা-ছটে এৰাই যোৱা ফুট পাথত মাজে মাজে উজুটি খাইছো। দিনৰ ভাগত এই দুফুটীয়া বহলৰ ফুট-পাথৰ ৰাস্তাতে মানুহক খুন্দিয়াই 'চৰি,' 'চৰি' বুলি পাই যাব লাগে। কোনোবাই 'চৰি' বুলি কওঁতে "চৰি নহয়, চৰিত্ৰহীন" বুলি গালি পাৰিলেও কবলৈ একো নাথাকে। ৰাতি অৱশ্যে মানুহ বেছি নাছিল যদিও দুই চাৰিজন মদাপীক ঠেলিয়াই যাব লগাত পৰিছিলো। মদ নিবাৰণী আইনে ছিলঙত একো কৰিব পৰা নাই। ইয়াত মদ খাওঁতাৰ প্ৰকোপ ইমান বেছি যে কোনোবাই

যদি ৰাস্তাই পথে অলপ ভাওৰকৈও হাঁহে বা কথা পাতে তেনেহলে তেওঁকো মদপীৰ শ্ৰেণীত ভুক্ত কৰা হয়। কিছুমানে আকৌ গোফত অলপ ঘঁহি লৈয়েই চিঞৰ বাখৰ আৰম্ভ কৰে।

ছিলঙত মদ তিনিবিধ। এবিধ দেশী, এবিধ নকল বিদেশী আৰু আন বিধ বিদেশী। বিদেশী মদ খোৱা বিধৰ সংখ্যা নিচেই তাকৰ। নকল বিদেশী খোৱাবিলাকৰ সংখ্যা তাতোকৈ অলপ ওপৰত। এইবোৰ মদৰ বেছি ভাগেই নগৰৰ পৰা বহু আতৰৰ ভিতৰুৱা অঞ্চলত তৈয়াৰ কৰা হয়। বিদেশী কোম্পানীৰ লেবেল মাৰি বেছি দামত বজাৰত বিক্ৰী কৰিব খোজা হয় যদিও দাম দৰ কৰিলে বিদেশী মদতকৈ অলপ কম দামতে পোৱা যায়। ইয়াত মিঠাৰ ভাগতো কম আৰু পানী মিহলালেই তিতা লাগে। কিছুমানে আকৌ হেপীভেলিত থকা মিলিটাৰী কেন্টিনৰ পৰা কম দামতে আনে। ইয়াতে তৈয়াৰী মদটোক বোলে—"কাকিয়াদ্।" গাৰো পাহাৰত ইয়াক বোলা হয় 'জোঙা' আৰু মিকিৰ পাহাৰত কয় 'আপং'। অৱশ্যে তৈয়াৰী কৰা প্ৰণালী প্ৰত্যেক ঠাইতে বেলেগ বেলেগ। কাকিয়াদ দুটা ৰঙৰ আছে—এবিধ ৰঙা আৰু আনবিধ বগা। বগা বিধত চাধাৰ ৰসো মিহলোৱা হয়। অলপ খালেই মূৰৰ কামোৰণি উঠে। ৰঙা বিধত আকৌ মিহলোৱা হয় স্পিৰিট। অলপ খালেই পেটৰ কামোৰণি হয়। ছিলঙৰ প্ৰায়বোৰ Restaurant তকে ইয়াক পোৱা যায়। নতুনকৈ গোফ ঠুটিয়াবোৰৰ ই বৰ প্ৰিয় বস্তু। সেইবুলি তুমি নেভাবিবা যে ইয়াক সকলোৱে খায়। কিন্তু এটা বৃহৎ সংখ্যক মানুহে যে খায় তাক দুই কৰিব নোৱাৰি। তাৰ আচল কাৰণ হ'ল ইয়াক সহজতে পোৱা যায়। আনকি কাঁড়খেল, যেঁৰাদোৰ খেলৰ পথাৰতো একোখন পীৰাৰ ওপৰত দুটা বটল আৰু দুটামান গিলাচ লৈ বিক্ৰী কৰা হয়। বিক্ৰী কৰা তিৰোতাবোৰ খাচীয়া। সেইবুলি খাওঁতাবোৰ অকল খাচীয়াই নহয়, সকলো শ্ৰেণীৰ মানুহেই খোৱা মই দেখিছো। খাচীয়াবোৰৰ বিষয়ে কোনো কোনোৱে আলোচনা কৰে। আলোচনা ভালো হব পাৰে বেয়াও হব পাৰে। কিন্তু মই বেয়াখিনিত একমত নহয়। কাৰণ কি জানা? কোনোবা কেইজনমান বেয়া লৰাই কিবা বেয়া কাম কৰিলে বুলিয়েই সেই জাতিটো বেয়া হব নোৱাৰে। তদুপৰি চহৰত আৰু আজিকালি গাওঁবোৰতো তেনেকুৱা কিছুমান লৰা নোখাকে জানো যিবোৰে বাইজৰ মাজত মাজে মাজে অশান্তিৰ সৃষ্টি কৰে? ছিলঙত কিছুমান অস্থায়ী তেকা লৰাইও ইয়াৰ মুক্ত বতাহ বিষাক্ত কৰি তোলে। সঁচা কথা কবলৈ গলে শিক্ষিত খাচীয়া লোকৰ নিচিনা ভদ্ৰ আৰু সহজ সৰল মানুহ মই খুউব কমেইহে

পাইছো।

জীৱন ধাৰণৰ পদ্ধতিত কিছুমান অমিল থাকিল বুলিয়েই এটা জাতিয়ে আন এটা জাতিক হেয়জ্ঞান কৰাটো অনুচিত। আমি সকলো ভাৰতীয়। নানান জাতি উপজাতি লগ লাগি থকাৰ গৌৰৱখিনি পৃথিৱীৰ ইতিহাসত জলন্ত স্বাক্ষৰ। এই গৌৰৱক কালজয়ী কৰিব লাগিব আমি। বিপদে আপদে আমি সকলো ভাৰতবাসী ৰাইজে একগোট হৈ একমন্ত্ৰেৰে দীক্ষিত হব লাগিব। হব পাৰে আমাৰ কৃষ্টি সংস্কৃতি বেলেগ, হব পাৰে আমাৰ জীৱন ধাৰণৰ প্ৰণালী উচ্চ-নীচ. সেইবুলি এই কৃষ্টি সংস্কৃতি আৰু উচ্চ হীনতাক লৈয়ে জাতিগত বৈষম্যৰ সৃষ্টি হব নেলাগিব। আমাৰ ভিতৰত থকা এই বিভেদবোৰ এনেকৈ শোধন কৰিব লাগিব যাতে সকলো এক হৈ যাব পাৰো। তাৰ পিছত সেইখিনিকে পঠাব লাগিব ভাৰতীয় সংস্কৃতিৰ বৰ শৰাইখনিলৈ। সেখিবা পৃথিৱীৰ মজিয়াত এই বৰ শৰাইখনিতে মানুহৰ আগতে চকু পৰিছে। একতাবদ্ধ হৈ আগবাঢ়িব পৰাটোত অকল উন্নতিৰ খোজকেই নুবুজায়, ই আমাৰ সাহস আৰু বিক্ৰমৰো পৰিচয় দিয়ে। এই উন্নতি, এই সাহস আৰু বিক্ৰমক জীয়াই ৰাখিবলৈ হলে আমি মৰম-স্নেহ, ভাতৃ ভাৱৰ দোলেৰে বান্ধ খাই থাকিব লাগিব। ৰবা, ইয়াতেই শেষ হোৱা নাই। আমি—ভাৰতবাসী যেতিয়া স্বয়ং সম্পূর্ণ হৈ ঠিয় দিব পাৰিম, তেতিয়া পৃথিৱীৰ ওচৰত কোনো Challenge ৰ ভাব ফুটি উঠিব নেলাগিব। আমাৰ অৱদানবোৰ হব লাগিব মানৱতাৰ প্ৰতি শ্ৰদ্ধাৰ অৱদান। সেৱাৰ অৱদান। এখন দেশে আন এখন দেশৰ ওপৰত আন একো কৰিব নোৱাৰে স'চা কিন্তু মানুহ হিচাপে মানৱতাৰ প্ৰতি থকা শ্ৰদ্ধাৰ দুৱাৰ সদায় মুকলি কৰি ৰাখিব পাৰে। আমি প্ৰথমতে আটাইতকৈ বেছি ভাল পাওঁ নিজক, তাৰ পিছত ঘৰখনক, গাৱঁখনক আৰু দেশখনক। যেতিয়া ঘৰখনৰ পৰা আৰম্ভ কৰি দেশখনক ভাল পাব পাৰো তেতিয়াহলে নেবাওঁ কিয় আমি গোটেই পৃথিৱীখনক ভাল পাবলৈ? এইখিনিতে মোৰ এটা সৰু ঘটনা মনত পৰি গ'ল।

১৯৫৩ চন মই তেতিয়া ষষ্ঠ মান শ্ৰেণীৰ ছাত্ৰ। আমাৰ হাইস্কুলৰ হলতে মিটিং এখন হৈছিল U. N. O. ৰ বিষয়ে। তেতিয়া U. N. O ৰ বিষয়ে মই আছিলো একেবাৰে অনভিজ্ঞ। উপস্থিত থকা বক্তা কিছুমানে কোৱাৰ পিছত মই যি বুজিলো তাকে কবৰ বাবেই মই বক্তা হিচাপে আগবাঢ়ি গলো। খুটমুটিয়া হাফপেণ্ট পিন্ধা লৰা এজন উঠি যোৱা দেখি সকলোৱে পিৰ্ক্কনি মাৰি হাঁহিছিলে। মই গোনেই গৈ কৈছিলো যে—"বক্তাসকলৰ কথাৰ

পৰা যি বুজিলো U. N. O. দ্বাৰা দেখোন গোটেই পৃথিবী জুৰি এখন দেশ হৈ থাকিব পাৰি। তেতিয়া বিদেশ শব্দটো বাদ দি দিব পাৰো। কিয়নো বিদেশ শব্দটোৱে 'বিদ্বেষ' শব্দটোকো মাতি আনে।" কোনোবা এজনে মোক ডাঙি ধৰিলে ষ্টেজটোৰ মাজত। লগে লগে অসংখ্য হাত চাপৰি। হাত চাপৰিয়ে মোক সমৰ্থন জনালে বুজিলো কিন্তু মোৰ কথাখিনি কেইজনে বুজি পালে তাকেহে নুবুজিলো। কাৰণ আমাৰ সমাজত হাত চাপৰি বজোৱা দুই শ্ৰেণীৰ মানুহ আছে। এক শ্ৰেণীয়ে সমৰ্থন জনাই হাত চাপৰি মাৰে আৰু এক শ্ৰেণীয়ে বক্তৃতা শেষ হোৱাটোতে 'ৰক্ষা পৰিলো' বুলি হাত চাপৰি বজায়। এজন বক্তাৰ কৰ লগা শেষ হোৱা মানে মিটিংখনৰ কাৰ্য্যক্ৰমো লাহে লাহে শেষ হোৱাৰ আশা। যেনেকৈ নাম প্ৰসঙ্গত কিছুমানে হাত চাপৰি বজাই বুটমাহ কেইটাৰ আশাত। মানুহ ভেদে উদ্দেশ্য বেলেগ। ৰাস্তাই পথে বহুত মানুহ খোজ কাঢ়ি থকা দেখিবা। সিহঁতৰ খোজ কঢ়া কাৰ্য্যটো একে হলেও উদ্দেশ্য একে নহয়। মিটিং এখনত আহিব লাগে কাৰণেই যদি আহে, মিটিঙত বক্তৃতা দিব লাগে কাৰণেই যদি কোনোবাই ঘৰত নাটকৰ পাঠ মুখস্থ কৰাৰ দৰে মুখস্থ কৰি যায়, আগতে কৈ যোৱা বক্তাজনৰ কথাকে যদি উৰাই ঘূৰাই পাগুলিব ধৰে তেনেহলে সেই মানুহ মিটিঙলৈ নগলেও কোনো ক্ষতি নাই। বিষয় বস্তুটোৰ ওপৰত বাস্তৱ অভিজ্ঞতা দাঙি ধৰিব পৰাটোৱেই হল বক্তাৰ কৃতিত্ব। তাকে কৰিব নোৱাৰিলে শ্ৰোতা হৈ অভিজ্ঞতা সংগ্ৰহ কৰাই ভাল। যদি সেইটোও অসম্ভৱ হয় তেন্তে সভাগৃহ ত্যাগ কৰাটোহে উচিত। ৰাইজে বহুতো আশা বুকুত বান্ধি নিজৰ নিজৰ M. L. A, বোৰক প্ৰতিনিধি হিচাবে বিধান সভালৈ পঠায়। নিজৰ নিজৰ এলেকাৰ দুখ-দুৰ্গতিখিনি ডাঙি ধৰাৰ লগতে ৰাজ্যখনৰ আত উন্নতিৰ কথা আলোচনা কৰাটো কৰ্ত্তব্য। তাকে নকৰি যদি কোনোবা M. L. A. ই নিজৰ আসনত বহি টোপনিয়াই থাকে বা বিধান সভা গৃহত অনুপস্থিত থাকি কোনোবা নিজৰ অঙহি-বঙহিৰ transferৰ কাৰণে বা loan আদি Sanctionৰ কাৰণে অফিচে অফিচে ঘূৰি ফুৰে—কোনে তেওঁক বাধা দিবলৈ যাব? নিজৰ বিষয় বস্তুটো আলোচনা নহব বুলিয়েই যদি উপস্থিত থকা নেযায় তেনেহলে তেওঁলোকৰ মতাৰ কি প্ৰয়োজনটো আছিল? অধ্যক্ষ আৰু মন্ত্ৰী কেইগৰাকীয়েই দেখোন আলোচনা কৰি শেষ কৰিব পাৰিলেহেঁতেন। দেশৰ স্বাৰ্থৰ খাতিৰত হোৱা আলোচনাত সকলো প্ৰতিনিধিয়ে সভাকক্ষত উপস্থিত থাকি নিজৰ মত প্ৰকাশ কৰাটোত জানো তেওঁলোকৰ কৰ্ত্তব্যৰ ভিতৰত নহয়? মন্ত্ৰীসকলে ৰাজ্যৰ বিভিন্ন প্ৰতিনিধি-

সকলৰ পৰা অকল সমস্যাবোৰৰ কথা শুনিবলৈ ইচ্ছা নকৰে লগতে শুনিবলৈ ইচ্ছা কৰে নানা ধৰণৰ দিহা-পৰামৰ্শ। বিপক্ষদলে আকৌ কলিং পাৰ্টিটোৰ দোষখিনিকে থামোচ মাৰি ধৰি ৰাইজৰ দৃষ্টি ঘূৰাই আনিবলৈ বৃথা চেষ্টা কৰে। বৃথা চেষ্টা বুলি কৈছো এইকাৰণেই যে আজিকালি মানুহে কোনোবাই কাৰোবাৰ ভুল দেখুৱাই সন্তুষ্ট নাথাকে। যিবোৰে ভুলটো দেখুৱাই দিছে সেই বোৰেনো মানুহৰ কি উপকাৰ সাধিব পাৰিছে তাৰ প্ৰতিও নজৰ ৰাখে। সেই কাৰণে "কি কৰিব পাৰিছো" বুলি নিজৰ কাৰ্য্য পদ্ধতিৰ পিনেও চকু দিব লাগে। দোষ খুচৰিব পৰাটো বেয়া কথা নহয় সেই বুলি হিংসাত্মক হোৱাটো অনুচিত। ইজনে সিজনৰ দোষ দেখুৱাই দিব পাৰিলে প্ৰত্যেকেই সজাগ হৈ থাকে। মানুহৰ দোষখিনি দেখুৱাটো যিমান ভাল দোষখিনি নকৰিবলৈ কি কি কৰিব লাগে তাৰ আহিটো দেখুৱা তাতোকৈ ভাল।

: কি যে লাগবান্ধ নোহোৱা কথা কয় আপুনি। মই হলে সেইবোৰ একো বুজি পোৱা নাই।

: এৰা কিহবাত আৰম্ভ কৰি কৰবাতহে ওলালোহি। মোৰ দোষ এইখিনিতেই। কিবা এটা কবলৈ আৰম্ভ কৰিলেই আৰু মুখ বন্ধ নহয়। ভাবেৰে যেতিয়া বুকু নধৰা হয় তেতিয়া কব নগা কথা কিছুমানো বৈ যায় আৰু নকবলগা কথা কিছুমানো কোৱা হয়। তোমাৰ আমনি লাগিছেনেকি বাৰু? আমনি লাগিবৰে কথা। কিয়নো তুমিও জানা যে মই কোৱা কথাবোৰ কোনো কামত নালাগে। এইবোৰ বতাহত উৰি উৰি গৈ থাকিব। মুখেৰে কোৱা কথাৰ লগত হাতেৰে কৰা কামৰ অকণো মিল নাই। মইও অমিল হৈ গলো বহু ক্ষেত্ৰত। মুখেৰে ভাল কথা কব পাৰিলে কি হব? কাৰ্য্যৰেতো ভাল কাম কৰিব পৰা নাই। এনে এটা কাৰ্য্যৰ কথাকে কওঁ শুনা। সেইটোও এক অদ্ভুত কাহিনী।

মহন্ত মোৰ লগত একেটা মেছতে আছিল। এদিন সি মোক ধৰকৈ ধৰিলে—গণিকালয়লৈ তাক নিব লাগে। ডেকা তেজ। সকলো সময়তে উতলি থাকে। তেজ উতলিলে বিবেক শক্তি লোপ পায়। এদিন ওলালোঁ। যামনো কোনখন 'আশ্ৰম'লৈ। পুলিচ বজাৰৰ দাঁতিত থকাখন পুৰি ছাই হ'ল কেতিয়াবাই। তাতে কিছুমানে "Guest Hotel"ৰ পিচফালে আশ্ৰয়লৈ ব্যৱসায় চলাই থাকিল। কিছুমান আহিল আপাৰ মূলকীলৈ আৰু আনবোৰ নংথিমাই বজাৰৰ আৰু হেপিভেলিত আশ্ৰয় ললেগৈ। সিহঁতৰ ব্যৱসায় কিন্তু কোনেও এৰি নিদিলে। ইহঁতৰে Agent কিছুমানে ৰাস্তাৰ দাঁতিত তামোলপানৰ দোকান দি

বহি থাকে। এনেকুৱা Agent এজনীৰ ওচৰলৈকে আমি গলো। মূলকী পাহাৰৰ ওপৰত থকা বাসগৃহলৈ লৈ যোৱা হ'ল আমাক। তাই আমাক বহুত কথাই বুজালে। এইবোৰযে আমি অত্যন্ত বেয়া কাম কৰিবলৈ ওলাইছো। গলি ৰাস্তা এটাৰে ঘৰ এটালৈ সুমুৱাই লৈ গ'ল আমাক। মহন্ত আৰু মই দুয়ো বহি থাকিলো দুখন চকীত। চেণ্টৰ গোন্ধেৰে কোঠাটো মলমলাই আছে। আমাক লৈ যোৱা তিৰোতা গৰাকীৰ ইঙ্গিতত আমাৰ আগত হাজিৰ হলহি এজনী গাভৰু। মহন্তই থৰ থৰ কৈ কঁপিব ধৰিলে। এখন হাতেৰে মোৰ বাঁউসীত খামুচি ধৰি থাকিল সি। গাভৰুজনীয়ে মহন্তৰ হাতত ধৰি ভিতৰৰ সৰু কোঠা এটালৈ লৈ গ'ল। মঃ তাতেং বুঢ়ীজনীৰ লগত কথা পাতি থাকিলো। মই কথা প্ৰসঙ্গত সুধিছিলো "বেশ্যা বৃত্তিটো ইচ্ছাকৃত নে অভাৱৰ কাৰণে লবলৈ বাধ্য হয়?" বুঢ়ীয়ে বহুত কথাই কৈছিল। বুঢ়ীৰ কথাৰ পৰা মই স্পষ্ট বুজিছিলো যে এই বৃত্তি অৱলম্বনৰ কাৰণ—ইচ্ছা—আৰু অভাৱৰ তাড়না—দুয়োটাই। অ' এই গাভৰুজনীকেং কেইদিনমানৰ আগতে চিনেমাৰ টিকেট কাটোতে মই লগ পাইছিলো। টিকেট কিনাৰ হেচাঠেলাত মোৰ হাতখন তাইৰ বুকুত লাগোতে ফাপৰে খোৱা কুকুৰটোৰ দৰে কেঁও কেঁৱাই উঠিছিল। আজিহে বুজিলো তাংৰ সতীত্ব কোন খিনিত। এৰা যিবিলাক নটী সিহঁতে আনক সতী বুলি দেখুৱাব খোজে।

কিছুসময়ৰ পাছত মহন্ত ওলাই আহিছিল কমটোৰ পৰা। আগৰ বন্দবস্ত মতে বুঢ়ীক দহ টকা দিব লাগে। কিন্তু মহন্তই জেপত হাত ভৰাই দেখে যে ফুটা কড়ি এটাও নাই। চাহৰ দোকানত চাহ খাই উঠি জেপত পইচা কম হলে যেনেকুৱা হয় মহন্তৰো তেনেই হ'ল। পিছত যেনিবা মোৰ লগত থকা টকা দহটা দি তাৰ পৰা ওলাই আহিছিলো। ৰাস্তাৰে আহি থাকোতে সি গম পালে যে তাৰ হাতৰ ঘড়ীটোও নাই। আকৌ দুয়ো উভতি গলো। কিন্তু কি আচৰিত! অলপ আগতে কৈচা গাভৰুৰ মধু পান কৰা ঘৰটোত মানুহৰ গুং সুৱাই নাই। দুয়ো ওঠ চেলেকি গুছি আহিলো। কামনাৰ মৌ জোলত মুখ দি থাকোতে গাভৰুয়ে যে হাতৰ ঘড়ী, জেপৰ পইছা উলিয়াই নিব পাৰে সেই কথা মহন্তই ভাবিবই পৰা নাছিল। মহো আগতে তাক শিকাই দিবলৈ পাহৰিছিলো। মহন্তৰ বেক পকেটত থকা যাঠি টকা, ঘড়ীটোৰ দেৰশ টকা আৰু বন্দবস্ত মতে দিয়া দহটকা—মুঠ দুশবিশ টকা গণিকালয়ত খৰছ হ'ল। তাৰ মনটো অলপ ভাল লগাবলৈ কলো,—"তই তাতে দুশবিশ টকা খৰছ নকৰি কোৰ্ট মেৰেজ এখন কৰোৱা হলেং ভাল আছিল।" সি দীঘলীয়াকৈ

হমুনিয়াহ এটা কাঢ়ি কলে—"আজিৰ পৰা আৰু নাযাওঁ চালা।" পিছে ক'তা ? সি যেখোন লুকাই চুৰকৈ হলেও প্ৰায়েই গছিয়া মুল্‌কী পাহাৰত উঠে শয্যা সঙ্গিনী বিচাৰি। অৱস্থাটো বৰ বেয়া দেখি এদিন তাক গাওঁৰ ঘৰলৈ লৈ গৈ ককায়েকৰ হতুৱাই বিয়াৰ বন্দবস্ত কৰাই দিলো। তেতিয়াহে যেনিবা তাৰ গতি লাগিল। সি এতিয়া সম্পূৰ্ণ সংসাৰী। ভব্য সভ্য লোক।

মহন্তই মোক এদিন বৰকৈ লগ ধৰিছিল—তাৰ মহাকৰ ঘৰলৈ বোলে যেনে তেনে যাব লাগে। মানে দুপৰীয়া ভাত খোৱাকৈ। কোনোবা এখন বিয়া খাবলৈ যাওঁতে মহায়েকৰে মাহীয়েকে তাক ঘৰ ৰখীয়া হিচাবে অকলে এৰি থৈ যাবলৈ অবিশ্বাস কৰিছিল। মাহীয়েকে মহায়েকক মহন্তৰ বিৰুদ্ধে যিবোৰ কথা লগাইছিল সেইবোৰ অন্ততঃ 'শিজৰ' বুলি ভৱা মানুহৰ মুখত কেতিয়াও শোভা নাপায়। তথাপি আপোন বুলি লোকক দেখুৱাহে তাক মাজে সময়ে নিমন্ত্ৰণো কৰে। নিমন্ত্ৰণটো বোলে 'আহে আহিব নাহে নাহিব' বিধৰহে। এইবোৰ অৱশ্যে মোক মহন্তইহে কোৱা কথা। মই তাক বুজাওঁ—হৃদয়ৰ টান নাথাকিলে কোনো লোকেই খাবলৈ নিমন্ত্ৰণ কৰিব নোৱাৰে। কথাতে কয়, "মাতিলে কিল খ'বলৈও যাবা, নেমাতিলে ভোজলৈও নেযাবা।" মোৰ বুজনি শুনি তাৰ মনটো অলপ ফৰকাল হয়। যাহওঁক, মহন্তৰ মহায়েকৰ ঘৰৰ পৰা নিমন্ত্ৰণ পাই মনত অলপ আনন্দও লাগিল। অন্ততঃ মেছত ভাত ৰন্ধা কাকাটোৰ শেঙুনখিনিৰ পৰা আজি অলপ নিস্কৃতি পাম। মহন্তৰ লগত নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ গৈছিলো। বেয়া লগা নাছিল।

দিলজান মেছত থকা আজি প্ৰায় তিনি বছৰেই হ'ল। ৰাস্তাৰ দাঁতিতে মেছটো। নৰাছোৱালীবোৰে স্কুল কলেজলৈ আহোঁতে যাওঁতে উচ্চাৰণ কৰি যায় দিলজান মেছ। আমাৰ মেছত থকা কলিতাৰ মতে মেছৰ সূত্ৰ হ'ল এইটো—'ঘৰস্য ভাড়ানাং লগালগি বিচনাং, তত্ৰ শোৱন্তি, খায়ন্তি, তাৰ গুনহ—মেছ বোলহু, হৰি বোলা নিৰন্তৰে।'—মানে কেইবাজনেও ঘৰ এটা ভাডালৈ লগ লাগি ঠেক বিচনা পাৰি, খোৱা শোৱা কৰাকে মেছ বোলে। তাৰ বেৰত থাকিব Cinema actressৰ নঙঠা ফটো থকা কেলেণ্ডাৰ, দুজনৰ মাজত থাকিব এখন খুৰা ভগা মেজ। মেজৰ ওপৰত থাকিব পুৰণি খবৰ কাগজ। তাৰ ওপৰত থাকিব পুৰণা মেগাজিন এখন বা দুখন, দুফাল হোৱা আয়না, নালচিঙা ফণি, কোনোদিনে শেষ নোহোৱা পাউডাৰৰ টেমা এটা, চাৰাৰ পাত দুখিলামান—লগতে চুণৰ টেমা এটা, ফিচ, খেলিবলৈ ফটা তাচ এজোৰ—। যদি হয় কাৰোবাৰ পৰা খুজি অনা নেহ্ টাংডালেৰে লৈতে উঠা ফটো এখন—

লগতে পাৰিলে কোনেও নজনা নেদেখা ছোৱালী এজনীৰ ফটো (লাভাৰ হিচাবে) ৰখাটো বেয়া নহয়। ঘৰৰ মতিয়া চাবি আঙুল খুলিবে পোট খোৱা। বাহিৰলৈ পিন্ধি ওলোৱা কাপোৰ জোৰৰ বাহিৰে বাকী কাপোৰৰ গোন্ধত ভূত পলায়। বনিয়নটো কোনেও নেদেখে কাৰণে তিনি মাহৰ মূৰটো চাবোন লগোৱা নহয়। বিচনাৰ ক্ষেত্ৰতো সেই একেই অৱস্থা। কম দামী কিন্তু চৌখিন্ বেড্ ক'ভাৰ এখন পাৰি থোৱা থাকে। বেড্ কভাৰখনৰ তলত ময়লা বিচনা চাদৰ, তোচক থকা বুলি অনুমানেই কৰিব নোৱাৰি। তাতে আকৌ উৰহৰ কামোৰ আছেই। আন্দাৰ পেণ্টটোৰ বাহিৰে বাকী কাপোৰ ইজনে সিজনৰ friendly terms ত পিন্ধে। শৰীৰত তিনি তৰপীয়াকৈ মলি গোট খাওঁক তাত কোনো ক্ষতি নাই—কিন্তু মূৰটোৰ সৈতে মুখখন তেল পাউদাৰ দি চাফ্ চিকুনকৈ ৰাখিবই লাগিব। নহলে আনে লেতেৰা বুলিব। মেছৰ খৰচ যদি যাঠি টকা পৰে আনৰ আগত আশী টকা বুলি কবই লাগিব। কাৰণ বেছি টকাৰ খৰছে বেছি ভালকৈ খোৱা আৰু থকাকে বুজায়। মাছ-মাংস-কণীৰ কথা কৈ কৈ দালিৰ পানীৰে ভাত খাওঁ। ভাল ঘিঁ খাই থাকিব লাগে বুলি আমি আলোচনা কৰো। অইন হওক নহওক, ভাল বস্তুবোৰৰ কথা কৈ কৈ ভাত খালে ভাতৰ লগত থকা ধানৰ গলত লগা খোচ কেঁটাৰ কথা পাহৰি থাকিব পাৰি। ভাজি বোলা যিখন তৰ্কাৰিৰ চিটিকা কাঁহীৰ আগত থাকে সেইকণ আগতলৈ থাকি গোটেইখিনি খোৱা হোৱাৰ পিচতহে জিভাত পেলাই সোৱাদ লোৱা হয়। মেছৰ বস্তুবোৰ বৰ সাৱধানে বিলোৱা হয়। তৰ্কাৰীত থকা আলুৰ বাকলি পৰ্য্যন্ত কোনো এজনৰ পাতত বেছি পৰিব নোৱাৰে। মেছত থকা লৰাবোৰৰ ভিতৰত হ'ল প্ৰধানকৈ চাকৰি কৰা। তেওঁলোকৰ "কোৱালি-ফিকেশ্যন" তিনিধৰণৰ যিকোনো এটাত পৰে। যেনে—কেবাবাৰো ঘঁহি ঘঁহি বি, এ পাছ কৰা, পৰীক্ষা ফেইল কৰা আৰু কেই বছৰ মানৰ বাবে ড্ৰপ দিয়া। পঢ়াবোৰে দিনত চাকৰি কৰি ৰাতি কলেজত পঢ়ে। নপঢ়াবোৰৰ দুই এখন পুৰণা চিঠি টেবুলত পৰি থাকে। মেছ মেম্বাৰবোৰৰ নাম থোৱা হয়—জান, প্ৰজাপতি, হোমেপাঠী, বাষ্কেল আদি। এদিন মই আমাৰ মেছৰ কলিতাক বাষ্কেল বুলি মাতোতে গাধাৰ দিয়া কাকাটোৱে শুনিলে। সি তাৰ হিচাবৰ বহীখনত 'বাষ্কেল বাবু' বুলিয়েই লিখি ললে। আমাৰ দিলজান্ মেছত নামমাত্ৰ গাখীৰ ৰখা হয়। যিহে পানী মিহলোৱা গাখীৰ চাৰিকাপ চাহতেই নোজোৰে। হঠাৎ কোনোবা আলহী আহিলে মৰিলেই। চাহ দিব লগা আলহী আহিলে কলিতাই আলহীৰ আগতে কব—"এইটো গাখীৰৱালাক আৰু খেদিব লাগিব।

বেটাই আজিও পাৰ্থীৰ নিদিলে।" মোৰ হাঁহি উঠি যায়। হাঁহিটো বেলেগ এটা কথাৰ আঁহ উলিয়াই তাত খটুৱাই দিও।. কলিতাই মোক চকুৰে ইঙ্গিত দিয়ে। ইঙ্গিতটো আলহীয়ে হঠাৎ দেখা পালে আকৌ বেলেগ কথাৰ সূত্ৰ পেলাব লগাত পৰো। আলহীয়ে উপায় নাপাই কয়—"কেতিয়াবা কেতিয়াবা ফিকা চাহ খাইও ভাল লাগে।" জানো, ফিকা চাহ খাই কাৰো ভাল নালাগে। আলহীয়ে ভদ্ৰতাৰ খাতিৰতহে তেনেকৈ কৈছে। আলহীৰ লগত আমি চাহ নাখাওঁ। কিয়নো এপিনে ভাবল খৰছ আৰু আনপিনে চাহখোৱা বাচনৰো অভাৱ। "আমি এইমাত্ৰ খাই উঠিছো" বুলি আলহীক খাবলৈ জোৰ কৰো। আলহীয়ে দুচোকমান চাহ খোৱাৰ পিছত কলিতাই আকৌ গহীন সুৰত কৰ—"এহ সুদা চাহহে খাব লগা হল, কিবা এটা আনিব লাগিছিল।" আলহীয়ে কৰ "নেলাগে, নেলাগে, হব.........', "বৰকা" বুলি মনে মনে আমি এটা তৃপ্তিৰ হাঁহি মাৰো।

প্ৰথম মেচ আৰম্ভ কৰোতেই চাৰিটামান কাপ আৰু দুটা কঁাচৰ গিলাচ আনিছিলো। পিছে বান্ধনি লৰাটোৱে কাপৰ নালৰ কাষত মলি জমা হবলৈ নোপাওতেই ভাঙি গুৰা কৰিলে। তেতিয়াৰ পৰা আৰু কাপ অনা হোৱা নাই। গতিকে চাহৰ পানাকেইটুপি দাহলখোৱা টিনৰ বাটিতে গ্ৰহণ কৰা হয়। আলহী আহিলে বাটিতে চাহ খাব লগা হয়। কলিতাই কাকাটোক দাবী দিয়ে—"কাপকেইটা আজিও ভাঙিলি হবলা। এই কাকাটোৰ বাবে লাজ লগা হল বুজিছে।" আলহীয়ে কিবা এটা ভাবি তলমূৰা কৰে। আৰু বান্ধনি কাকাটোৱে? সি দিল্‌জান মেচৰ হাল বুজি পোৱা হৈছে এতিয়া। সেয়ে সি বেয়া নাপায়। পৰ্দাৰ আঁৰত ন কংনাহ্ হহাদি হাঁহে সি।

আমাৰ মেচত আলোচনা চলে—বৰবাবু বা অফিচাৰে কাক বেছি মৰম কৰে, অফিচত বহুত কাম, মূৰ দাঙিবহ নোৱাৰি ইত্যাদি। তাৰ পিছত বিষ্ণুপুৰৰ ইৰাণী চহৰীয়াই আজি কি ব্ৰেচ পিন্ধিছে, মতি নগৰৰ অমিতা বোলা অমলেট, অনীক মেখোন আজি কেইদিন মানৰ পৰা দেখাই নাই, নংপুৰাইত খকা গিৰিয়েকৰ পেটত খামুচি ধৰি স্কুটাৰত ঘূৰি ঘুৰা মিলিটেৰী অফিচাৰৰ ধৈৰ্ণীয়েকজনী বোলে আগতে অসমীয়া আছিল, এতিয়াহে পঞ্জাবী হল। ইত্যাদি। তাৰ পিছত দিলীপ কুমাৰ-মীনাকুমাৰীৰ প্ৰণয় কাহিনীৰ লগতে হলিউড আৰু এলিজাবেথ টেইলৰৰ কাহিনী আৰম্ভ হৈ জন্‌, কেনেডীৰ Murder অলৈকে World Politics ৰ কথা ওলায়। আৰু ওলায় আমাৰ নিজৰ দেশৰ কথা। ঘিবোৰ কথা বাথৰুমত গোৱা গানৰ দৰে নিজে তৃপ্তি পায় কিন্তু

আনে হয়তো নেপাবও পাবে।

অসমৰ ৰাজধানী ছিলঙৰ পৰা গুৱাহাটীলৈ নিবনে নিনিয়ে আৰু যদি নিনিয়ে তেন্তে কিয় নিনিয়ে, পৰ্ব্বতীয়া ভাইসকলৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত ডিব্ৰুগড়ৰ পৰা পঞ্চাশ টকা খৰচ কৰি ছিলঙলৈ আহিব লগা হলেও ভৈয়াম-বাসীৰ ক্ষুদ্ৰ স্বাৰ্থ ত্যাগ কৰিবই লাগিব, এই ক্ষুদ্ৰ স্বাৰ্থ ত্যাগ কৰিবলৈ গুলোৰা সকল মোটা বেটনভোগী কৰ্ম্মচাৰী, দেশনেতাসকল নে দেশৰ জনসাধাৰণ সেইটো চাব পাৰিলে কেনে হয়, আমি দেখোন পৰ্ব্বতীয়া ভাইসকলক যিমানে আকোঁৱালি লব খোজো সিমানে আমাৰ পেটত দেগাৰৰ খোচহে পৰে। অলপমান সন্ধিয়া হলেই দেখোন পুলিচ মিলিটেৰীয়ে ৰাস্তাত তহল দি থাকোতেও নিৰীহ বাট-কৰাক কোনোবাই কোটৰ পকেটত অল। চিগাৰেটৰ টুকুৰা সুমুৱাই দিয়ে? পি-ফালৰ পৰা চুৰী-দেগাৰৰ হান পৰে। এইবোৰনো কোন মানুহে তাক চাবলৈ বা ধৰিবলৈ স্বাৰ্থত্যাগীসকলৰ সময় নোহোৱাৰ দৰে আমাৰ মেছটোৰ এইবোৰ আলোচনাৰ শেষ নাই। মেচ মেম্বাৰ মিষ্টাৰ গগৈয়ে মাজতে একোবাৰ কৈ উঠে—"আমাৰ দৰ্ম্মহাই নাবাঢ়িল যেতিয়া স্বাধীনতাৰ পিছত আমাৰ দেশে কিভাল উন্নতি কৰিলে?" তেনেতে কলিতাই মাত দিব: "তই আমাৰ দেশৰ কি উন্নতি নোহোৱা যেন দেখিলি? দেখা নাই যদি পাবলিচিটি অফিচলৈ গৈ ফটো আৰু ফিগাৰবোৰ চাই আহিবি গৈ। চাবি থাকোঁ শূন্যবোৰ চাওঁতে ভুল নকৰিবি। ফিগাৰবোৰত শূন্য বহুত থাকে কিন্তু। দেশ স্বাধীন হোৱাৰ পিছত আমাৰ কি কি উন্নতি হৈছে শুন। —ফুট গজৰ হিচাব গুছি মিটাৰ হল, পুৰণা পইছাৰ ঠাইত নতুন পইছা পালোঁ, সেৰ গুছি কিলো হল। ইয়াতকৈ আৰু তোক কি বেছি উন্নতিভাল লাগে হ।" এনেতে মই মাত দিওঁ। ঐ কলিতা! চৰকাৰী চাকৰীয়ালে এইবোৰ আলোচনা কৰিব নাপায়।

: নাই কৰা ভাই, নাই কৰা। মানে মই কথাবোৰ মেহুতহে কৈছো—এই হোমেপাঠীয়ে অলপ বুজক বুলি।

: নাই, মেছটো কব নালাগে। দৰ্মহা নাবাঢ়ে, বজাৰত চাউল চেনী নাপায়, চুপচাপ থাকিবি। ৰৰকৈ চিঞৰ বাখৰ কৰিলে কমিউনিষ্ট বুলি সন্দেহ কৰিব। ডি আই কল বোলা অমোঘ অস্ত্ৰপাত আছেই। দৰ্মহা বেছিকৈ পোৱা বুলিয়েই ধৰি লবি যদিও এগুণ দি দুগুণ বস্তুৰ দাম বঢ়াই কাঢ়ি লৈ গল। নয়া পইছা আছে যেতিয়া একনয়া দুইনয়াকৈ বস্তুৰ দাম বঢ়োৱাত বৰ সুবিধা। মানুহে তাৰে একনয়াহে বাঢ়িছে কিবা বেছি বাঢ়িছেনে? পিছে তিনি পইছাৰ পোষ্ট-কাৰ্ডযে ছয় পইছা হলগৈ তাক বহুদিনৰ মূৰতহে গম পায়। তেনেহলে সকলো

বস্তুৰে দাম বাঢ়িছে। তাত তইঁতৰ একো হাত নাই। (ছোচিয়েলিজম এজনী ছোৱালী হোৱাহেঁতেন বৰ লাজ পালেহেঁতেন কিজানি।) আমাৰ দেশনেতা-বোৰ আছে। তেখেতসকলে দেশৰ সমস্যালৈ তপস্যা কৰি আছিল, কৰি আছে আৰু কৰি থাকিবও। কেৱল তেখেতসকলৰ ভাগ্যাকাশত প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে সূৰ্য্য উদয় হৈ থাকক। তইঁতে ভালকৈ মনপুতি কেৰাণী চাকৰিটোকে কৰচোন। আমেৰিকাই অমুক কৰিছে ৰাছিয়াই তমুক কৰিছে বুলি থাকোতে আমাৰ যাব। অনুকৰণ প্ৰিয় মানুহ এজনে আনক চেৰ পেলাই আগবাঢ়িব নোৱাৰাৰ দৰে অৱস্থা আমাৰ দেশৰো। পিছে শুন। দেশৰ পৰি-স্থিতিলৈ লক্ষ্য ৰাখি বিচাৰ কৰিলে আমাৰ জনসাধাৰণো যে দোষী নহয় সেইটো নেভাবিবি।"

মোৰ কথাবোৰ শুনি কলিতা আৰু গগৈয়ে হাঁহিব আৰম্ভ কৰে।

মিষ্টাৰ গগৈয়ে মাজে মাজে 'বোম' মাৰে--ঘৰত হেনো দুখনকৈ চাহবাগিচা আছে। ইয়াতে কলিতাই খণ্ডতে কৈ উঠে—'চাহবাগিচা যদি আছেই তেনেহলে ইয়াত কেৰাণীগিৰি কৰি মৰিবলৈ আহিছ কেলৈ হোমেপাঠী? —"ঐ চুপ থাক ৰাস্কেল্। ইয়াত ফুৰিবলৈ আহি এনেয়ে পোৱা চাকৰি পাইছো বুলি হে কৰিছো। তইঁতৰ দৰে খোলা ভাজি খাবৰ নোহোৱা অৱস্থা আমাৰ নহয়।" এইয়া গগৈৰ উক্তি। কথাবোৰ অলপ বেয়াৰ ফালে চলি লয়। মই গগৈ দুয়োকো শান্ত কৰো। সিহঁতে মোক সমীহ কৰি চলে। সেয়ে কাজিয়া লাগিব নোৱাৰে। মই জানো, মাহেকত গগৈৰ ঘৰৰ পৰা ধান কিনিব লাগে বুলি কেইখন চিঠি আহে। ইয়াকো জানো যে শিৱসাগৰৰ হেলেকা গাৱঁৰ জাঁপাল গগৈৰ বাৰজনীয়া পৰিয়ালটোৱে তাৰ মুখখনলৈ কেনেকৈ আশা পালি আছে। তথাপি নিজকে ধুনীয়া বুলি দেখুৱাব খোজাটো বৰ লাজৰ কথা বুলি গগৈয়ে ভাবে। গগৈৰ বোমবোৰ খোলা কণী ভগাৰ দৰে ভাগে। কোনোটো মাহত 'মেহ ভিক্টৰ' ছুটকা বেছি পৰিলে গগৈয়ে মেনেজাৰক কৈফিৎ লোধে অথচ লাভলী লোম খোলা বঙালী ছোৱালীজনীৰ লগত তাৰ মাহে ৫০-৬০ টকা খৰছ হৈয়ে থাকে।

গগৈয়ে চাৰিবাৰৰ মূৰত বি, এ পাচ কৰিবৰ আজি দুবছৰেই হৈ গ'ল। ভাল চাকৰি এটা আজিলৈকে লগ পোৱা নাই। মানুহৰ আগত কৈ ফুৰে আই এ এছ্ পৰীক্ষা দিব কিন্তু কেতিয়া দিব তাক নকয়। মনে মনে বহুতো ইণ্টাৰভিউ দিলে। কিন্তু দিলে কি হব? সকলোতে বিফল। আনৰ আগত কয়—অমুক চাকৰি, তমুক চাকৰিলো মানুহে কৰেনে। আমাৰ আগত অৱশ্যে কয়—"আজি কালি ব্যাক নহলে সকলো মিছা।" আমাৰ এই গগৈয়ে পিছে

এবাৰ কোনোবা এজন মিনিষ্টাৰৰ ঘৰৰ পৰা গালি খাই আহিছে। মিনিষ্টাৰ জনে হেনো ব্যাকিং কৰাটো একেবাৰে পছন্দ নকৰে।

গগৈৰ হাতত এখন ইংৰাজী নভেল থাকিবই। মেছৰ টেবুলৰ ওপৰত আৰু অফিচলৈ যাওঁতে হাততে লৈ থাকে নভেলখন। মানুহক দেখুৱাই বেট্‌-পাতটো উলিয়াই লয়। সমনীয়াক কৈ ফুৰে—"অসমীয়া উপন্যাসনো কোনোবাই পঢ়েনে? ইংৰাজী নভেলবোৰ ইমান ইণ্টাৰেষ্টিং। এবাৰ Come My Beloved নামৰ ইংৰাজী নভেলখন একেৰাহে চাৰিমাহমান গগৈৰ হাতত দেখি সুধিলো।

: কি অ' গগৈ! তোৰ নভেলখন পঢ়া শেষেই হোৱা নাই নেকি?

: নাই ভাই। বৰ ইণ্টাৰেষ্টিং বুজিছ। পঢ়ি উঠি আকৌ পঢ়িবৰ মন যায়।

: এৰা ভাই। ভাল কিতাপবোৰ মোৰো বৰ ভাল লাগে। পিছে পাল' এছ্‌, বাক লিখক নে লিখিকা অ'?

: জানো পাই। তইতৰ দৰে অথবৰ লিঙ্গ চাই কিতাপ পঢ়া অভ্যাস মোৰ নাই।

"হয় নেকি?" বুলি মই তাক শলাগি থলো। তাৰে কেইদিনমান পাছত দেখিলো গগৈয়ে Come My Beloved খন এৰি 'LALITA' নামৰ ইংৰাজী নভেলখন লৈছে। তাৰো এমাহমান যোৱাৰ পিছত এদিন গগৈক সুধিলো—"ললিতাখনো তোৰ নিশ্চয় ইণ্টাৰেষ্ট লাগিছে। নহলেনো আজি এমাহেও পঢ়ি শেষ কৰিব নোৱাৰনে?

: সঁচাই ভাই, কিতাপখনত এটা বেলেগ মোহ আছে।

: বাৰু কিতাপখন তোৰ ইমান ভাল লগাৰ কাৰণনো কি? চাওঁ চোন বাৰু মোৰ লগত মিলেনে।

গগৈ অলপ সচকিত হৈ উঠে। মানে মই কিতাপখন ইতিমধ্যে পঢ়া বুলি জানি সি ভয় খালে। সেয়ে হবলা কলে :

: নাই, মানে সম্প্ৰতি ওপৰে ওপৰে চাই গৈছো। ভালকৈ পঢ়িবৰ সময়কে পোৱা নাই।

: বাৰু পঢ়ি উঠি কবিচোন কিয় ভাল লাগিল।

: সেইবোৰ মই কেনেকৈ কম? আকাশখন নীলা কিয়? কিতাপ এখন ভাল লাগে কিয়? এইবোৰ কিবা উত্তৰ দিব পৰা প্ৰশ্ন নেকি?

মই অলপ ব্যঙ্গভাবে হাঁহি মাৰি কওঁ—"বুজিছ গগৈ, তই ভাৱেৰী বুকৰ দৰে ইংৰাজী নভেলবোৰ লগতলৈ ফুৰিবিচোন। তোক পঢ়া দেখিলে আনেও খুজি নি পঢ়িব। আমাৰ আকৌ অসমীয়া মানুহৰ মিছে কিতাপ খুজি নি পঢ়া

অভ্যাস। তাতে আকৌ, এবাৰ নিজে বুৰাই দিবলৈ পাৰিব।"—গতেয়ে তলকা মাৰি কিবা ভাবে।

কলিতা হোলাৰ ভাই মোলা। আচল কথাটোকে সি কয়। মেট্ৰিক পাছ কৰি ককায়েক সগত আছিল। নবৌয়েকে হেনো ককায়েকক তাৰ কথা কিবা কিবি লগাই থাকে। এবাৰ নবৌয়েকৰ গাভক ভনীয়েক জনীক গুৱাহাটীলৈ পলুৱাই নিয়া অপৰাধত সি ঘৰ এৰি 'দেশান্তৰী' হ'ব লগা হ'ল অৰ্থাৎ শিলং পালেহি। সি হেনো তাইক বৰ ভাল পাইছিল আৰু দিলজান্ বুলি বগৰতে সম্বোধনো কৰিছিল। সেয়ে কলিতাৰ কথামতে আমাৰ মেচৰ নাম ৰখা হৈছিল —"দিলজান মেচ।" দিলজান্ মেচে কলিতাৰ ভালপোৱাৰ স্মৃতিক জীয়াই ৰাখিলে। চাইনবোৰ্ডখনো তাৰ পইছাৰে লিখাই আনিছিল ধুনীয়াকৈ – দিলজান্ মেচ। অলপ বেছি ভাড়া হলেও মেচৰ ঘৰটোৰ ওচৰতে ছোৱালী কলেজখন থকা হেতুকে আমি বিশেষ বেয়া পোৱা নাছিলো। পইছা যাওঁক তথাপি ঠাইডোখৰ ভাল পাইছো। এনে ঠাই কেইজনৰ ভাগ্যত মিলে? ছিলঙৰ এনেবোৰ ঠাইত ঘৰৰ 'ডিমাণ্ড' বেছি। 'ডিমাণ্ড বেছি হলে দাম বাঢ়ে। আমিও বেছি ভাড়াৰ ঘৰটোলৈ মেচ পাতিলো। এই ক্ষেত্ৰত মহন্ত আমাতকৈও আগবঢ়া।

ৰবিবাৰে আমাৰ মেচত কেতিয়াবা কেতিয়াবা মাংস খাকে। পিছে মাংস খাকিলে কি হব? পাঠীৰ মঙহ। মহন্তৰ মতে 'মহিলাৰ মঙহ।' চিলঙৰ বজাৰত স্ব চক্ষুৰে কিনি অনা ছাগলীৰ মঙহখিনিও খাওঁতেহে তাৰ Gender ধৰা পৰে। ভাত ৰন্ধা কাকাটোক গালি পাৰিলে কয়—"বাবু, মই নিজ চক্ষুৰে চাই আনিছো, নগদ পঠা ছাগলী। বজাৰ কৰা মোনাৰ ভিতৰতে যদি কিবা বেলেগ হৈ থাকে মই কি কৰিম?" এই চান্না কাকাক বুজায়ো কব নোৱাৰি যে সি দোকানত দেখা পঠা ছাগলীৰ মঙহবোৰ আচলতে পাঠীৰহে। তাকে দোকানীয়ে পঠা বনাই থৈ দিয়ে। গতিকে বজাৰত দেখা পঠাৰ মঙহবোৰ কৃত্ৰিম পঠাহে। এই ক্ষেত্ৰত কোনে কয় মঙহত ভেজাল নাই? চাউলত ধান, দালিত শিলগুটি, চেনীত আয়নাৰ গুৰি, মিঠা তেলত ৰবিল মিহলাই বিক্ৰী কৰাৰ দৰে মঙহৰ দোকানীও বাদ পৰা নাই। মানুহ মৰি যাওঁক তথাপি দোকানীক অধিক লাভ লাগে। এইবোৰক ধৰি শাস্তি বিহিবলৈ চৰকাৰৰ মোটা বেতন পোৱা বিষয়াও আছে। কিন্তু থাকিলে কি হব? তেওঁলোকেতো ৰবিল মিহলোৱা মিঠাতেল খাই পোৱা নাই। তেওঁলোকৰ বাবে Special Stock বজাৰত ৰখা হয় আৰু সময়ে সময়ে তেওঁলোকক

বিনা পইছাতে যোগান ধৰা হয়। চৰকাৰী বাছৰ কণ্ডাক্টৰবোৰৰ লগতে এওঁলোককো তুলনা কৰি চাব পাৰি। আৰু এটা কথা। ছিলঙতযে অন্য ঠাইতকৈ বস্তুৰ দাম বেছি, ইয়াৰ কাৰণ কি জানানে? একশ্ৰেণী হাজাৰ টকীয়া লোক আছে, তেওঁলোকে ইয়াত বস্তু কিনোতে দাম-দৰ নকৰে। তেওঁলোকৰ মতে দোকানীৰ লগত দামদৰ কৰা মানে নিজকে দোকানীৰ ওচৰত হেয় জ্ঞান কৰা দোকানীয়ে সম্ভৱপৰ যি দামৰ কথাই কয় তেওঁলোকে তাকেই দিয়ে। সেয়ে সাধাৰণ মনুহ গলেও একে দামকেই দিব লগা হয়। দোকানীয়েও জানে দাম দৰ কৰা চাৰিজন মানুহ দোকানত নাহিলেও ক্ষতি নাই যদিহে দাম দৰ নকৰা দুজন মানুহ আহে।

ছিলঙৰ বজাৰত মতা-তিৰোতা সকলোৱে বজাৰ কৰিব পাৰে, তাত কাৰো বাধা নাই। ইয়াত বজাৰ-সমাৰ কৰাত তিৰোতা মানুহ বোৰৰ বৰ চখ্। লোকক কব "তেখেতক আকৌ অফিচৰ পৰা আহি বজাৰ কৰিব দিবলৈ সত নাযায়।" বহুতো ভদ্ৰ ঘৰৰ তিৰোতাই হাতত Plasticৰ ধুনীয়া বেগখনলৈ কৰি আলুৰ পৰা মাছ-মাংসলৈকে আটাইখিনি বজাৰ কৰি আনিব পাৰে। কেতিয়াবা কেতিয়াবা গিৰিয়েকক লগতলৈ যায় বস্তুৰ মোনা কঢ়িয়াৰ উদ্দেশ্যৰে, লগত ফুৰিবলৈ যোৱা উদ্দেশ্যৰে নহয়। গিৰিয়েকে ভাল বস্তু এটা কিনিব খুজিলে ঘৈণীয়েকে কব: "আপুনি দেখোন এইবোৰ মুখতে নিদিয়ে।" ঘৈণীয়েকহঁতে নিজৰ কাম নিজে কৰিছো বুলি কোনো আদৰ্শ দেখুৱাবলৈ বজাৰ কৰিবলৈ নাহে, আহে চখ কৰিবলৈহে। দোকানীয়ে ইচ্ছানুযায়ী দাম বেছিকৈ কৈ পিছত বহুত কমাই দিয়া যেন দেখুৱাই বস্তু বিক্ৰী কৰে—এনেবোৰ তিৰোতাৰ ওচৰত। একে বস্তুকে যদি গিৰিয়েকে বজাৰৰ পৰা কম দামত আনে তেন্তে সেই বস্তু বেয়া আৰু যদি শ্ৰীমতীয়ে নিজে অলপ বেছি দাম দি আনে তেনেহলে সেই বস্তু ভাল নহৈ নোৱাৰে। বস্তুৰ দাম কমকৈ ধৰা দোকানীক গা-মূৰ পিহি দিবলৈ মন কৰা তিৰোতাও মই ছিলঙৰ বজাৰত অনেক দেখিছো। কোনোবা গিৰিয়েকে যদি ঘৈণীয়েকক এইবোৰ বজাৰ-সমাৰ কৰিবলৈ বাধা দিয়ে তেনেহলে ঘৈণীয়েকৰ পৰা উত্তৰ পায়—"মই চকিদাৰণী নহওঁ যে বাহিৰত অলপো নোলোৱাকৈ ঘৰটো বখি দিনৰ দিনটো বহি থাকিম। সমাৰটো সেবাৰি খাটোতে যায়েই, অলপ সময় পালে ওলাৰ খোজো, তাতো চকু দিয়।"—কি কব? গিৰিয়েক চুপচাপ্। তিৰীৰ সম্পত্তিৰ কাৰণে সকলোখিনি সহিব লগা হয়। পৃথিবীত দুটা জাতিক সন্তুষ্ট কৰা বৰ টান। মেকুৰী আৰু তিৰী। ইহঁতক যিমানেই খুৱাবা সিমানেই খাব, যিমানেই দিবা সিমানেই লাগিব। কি! মোলৈ

দেখোন চকু পোন্দাই চাইছা । গাত চিকুট লাগিল হবলা ? আকৌ মুখ টিপি হাঁহিছা কেলেই ? ছিলঙলৈ গলে তুমিও তেনেকুৱা হবা ।

আচ্ছা যি হওঁক । আগৰ কথালৈ আহা ।

ভালদৰে ভাত এসাজ খোৱাৰ আশাৰে আমাৰ মেহৰ মিটাৰ মহন্তৰ সৈতে মহায়েকৰ ঘৰলৈ ওলালোঁ । এতিয়া মহন্তৰ মহায়েকজন কেনেকুৱা তাকে অলপ কওঁ শুনা ।

মহন্তৰ মহায়েকজন চুটি চাপৰ মানুহ । বয়স পঞ্চাশৰ ওপৰত । পেটটো ওলমি পৰা । ঠিক তাহানিখনৰ "মহাদেৱেই" । যুগৰ লগত খ প্ খোৱাকৈ ড্ৰেইন পাইপ পিন্ধিবলৈ ইতিমধ্যে আৰম্ভ কৰিছে । ড্ৰেইন পাইপ পেণ্টটো নাভিৰ তলত পিন্ধিলে দেখাত 'কাৰ্টুন পিকচাৰ' যেন দেখি । আধাপোৰা মিক্সাৰৰ টুকুৰা এটা বাতিপুৱাৰ পৰা গধুলিলৈকে দুই ওঠৰ মাজত সাধাৰণতে দেখিবলৈ পোৱা যায় । মিক্সাৰটোৰ প্ৰথম টানটো মৰা হয় শৌচ কৰাৰ tendency টো আনিবলৈ । তেতিয়াৰ পৰা মানুহে দেখাকৈ মাজে মাজে একোবাৰ মিক্সাৰৰ টুকুৰাটো জলায় যদিও ক্ষন্তেক পাছতে নুমাই থাকে । সোনকালে নুমুৱাটো তেখেতে কামনাও কৰে । ঘৰত 'চাৰমিনাৰ' নাইবা 'নাম্বাৰটেন' হলি বাহিৰত মিক্সাৰ হপা বুদ্ধিটো তেখেতৰ মগজে এতিয়াও চুকি পোৱা নাই । তেখেতৰ হেনো মাহেকত 'থাৰটি ৰুপিজ' মিক্সাৰতে লাগে । নজনা মানুহে ভাবিব হয়েই লাগে । কিন্তু আচলতে বাতিপুৱা জলোৱা মিক্সাৰৰ টুকুৰাটোৱেই যে সন্ধিয়া পায়গৈ এই কথা মন নকৰা মানুহে ভাবিবলৈকে টান পায় ।

গাৰ্ব পৰা নিজৰ কোনোবা আত্মীয়স্বজন যদি অলপ লেতেৰা কাপোৰ পিন্ধি আহে তেনেহলে আমাৰ মহন্তৰ মহায়েকৰ সম্মানত আঘাত লাগে । ধুতি পিন্ধি অহা বাবে নিজৰ ভায়েক জনকো এচৰ-চুবুৰীয়াৰ আগত চিনাকি দিবলৈ লাজ কৰে । সেইবাবেই নেকি তেখেতে এনেবোৰ আলহীক সোনকালে বিদায় দিয়াৰ চেষ্টাত থাকে । মহন্তৰ মাহীয়েক কিন্তু কম বুদ্ধিমন্ত নহয় । তেখেতে আকৌ ক'ব—"আহিছাই যদি, যাবৰ হলেইনে ? আৰু দুদিনমান থাকি গোৱা-চোন ।" এই কথা মাহীয়েকৰ পেটৰ কথা নহয় কিন্তু ।

সেই তাহানিখনেই ছিলঙলৈ অহা যেতিয়া ইউৰোপীয়ান চাহাবৰ শুচকালোক মহন্তৰ মহায়েক । কথাই প্ৰতি ইংৰাজী শব্দ ওলায় । শব্দৰ ব্যৱহাৰবোৰ কেনেকুৱা পাছত কম । নিজে বঁটাই মাৰে । সৰু জীয়েকক 'বব কাটিছুত' চুলি কটায়, চুইচ পায়জামা পিন্ধায় । অৱশ্যে এতিয়ালৈকে শৌচ কৰোতে কাগজ

ব্যৱহাৰ কৰা নাই। দুপৰীয়া আহাৰ খোৱা বুলি নকয়,—কয় লাঞ্চ খোৱা বুলিহে। লাঞ্চ খোৱা বুলি কলে কি হব ? তেখেতৰ খানা ভাল বুলি কেতিয়াও কব নোৱাৰে। হোটেলত Special Potato Fry বুলি মানুহক বাকলি গুচোৱা আলু ভাজি খুউৱাব দবে। Special এই কাৰণেই হ'ল যে আলুখিনি বাকলি গুচোৱা। আজি কালি Special শব্দটোৱে মানুহক বৰ আকৰ্ষণ কৰে। ব্যৱসায়ীবোৰে এই কথাটো ভালদৰে জানে বাবেই Special শব্দটোৰে গ্ৰাহকক আকৰ্ষণ কৰি বেচি পইচাও ঘটে। দৰ্জিবোৰে চাৰ্ট বা পেণ্টত Special কাট দিয়া বুলি বুটাম এটা অলপ বেঁকাকৈ লগাই দিয়ে। আমাৰ মহন্তৰ মহাকবো লাঞ্চ শেষ হয়—স্কোৱাচৰ ভাজিৰে।

মহন্তৰ মহাক আমাৰ দিলজান্ মেচলৈ সময়ে সময়ে আহি থাকে। তেখেতৰ Qualification হ'ল Under Matric পাচ। Municipality অফিচৰ কেৰাণী আছিল। এতিয়া অৱসৰ লৈছে অৰ্থাৎ তেখেতৰ ভাষাত Retired. কিন্তু Retire হৈছে বুলি কলে বৰ ঠিক কোৱা নহব, Retire হবলৈ বাধ্যহে হৈছিল। চাহাবী ফেচনত চলিবৰ বাবে টকা আত্মসাৎ কৰাতহে বোলে Retire হৈছে। তেখেত ১৯১৮ চনতে ছিলঙলৈ অহা মানুহ। ইয়াতে ঘৰ দুৱাৰ সাজি লৈছে। তিনিটাকৈ ঘৰ ভাড়াও দিছে। তেখেতে Municipality অফিচত কাম কৰা সময়ত বোলে Keating Road ৰ নিচিনা দুৰ্গন্ধ ৰাস্তা নাছিল। এতিয়াহে বোলে ৰাস্তাই পথে নাকে মুখে সোপা নিদিয়াকৈ যাব নোৱাৰা হ'ল।

কিবা এটা কাৰণত মানুহজনক ভাল লাগি যায়। কেতিয়াবা কেতিয়াবা আমাক দিহা পৰামৰ্শও দিয়ে। আমি হেনো দুৰ্ভগীয়া। নিজৰ মা-পিতাক দূৰৈত এৰি থৈ আহি ইয়াত পৰি আছোহি। সেয়ে আমি ছিলঙৰ দৰে ঠাইত ভালকৈ থকাটো উচিত। বাহিৰৰ পৰা অহা লৰাবোৰৰ ইয়াত হেনো সোনকালে চৰিত্ৰৰ অৱনতি ঘটা সঘনে দেখা যায়। ইত্যাদি। অৱশ্যে তেখেতে নিজৰ কথাও কিছুমান কয়। শুনোতাজনৰ আমনি নালাগিলে অকনো আৰ নলগাকৈ তিনি চাৰি ঘণ্টা কথা কৈয়ে কটাই দিব পাৰে। তাৰ ভিতৰত কিছুমান অদ্ভুত অদ্ভুত ঘটনাও আছে। সেইবোৰ তেখেতৰ সৰু কালিৰ ঘটনা। —কোনোবাই বিশ্বাস কৰিলে কৰিব পাৰে নকৰিলে নাই। আমাৰ নিচিনা বয়সত তেখেত হেনো ভীষণ পৰাক্ৰমী আছিল। আমিহে বোলে এতিয়া ভেজাল বস্তু খাই খাই নিশকতীয়া হৈ গৈছো। তেখেতে গোৱালপাৰাৰ কচুগাৱঁৰ জাৰণীত দুটাকৈ ঢেকীয়া পতীয়া বাঘ নেজত ধৰি আছাৰি হত্যা কৰিছিল আৰু

সেই বাঘকে আগতলৈ বুকু ফিন্দাই যাওঁতে কাকতত ফটো উঠি অসমীয়া চিকাৰীৰ ক্ষমতাৰ পৰিচয় দিছিল। পিচে তেখেতক যদি উবাই ঘূৰাই চাবিটামান প্ৰশ্ন কৰা হয় তেনেহলে সাধাৰণকৈ হলেও বুজা যায় যে নেজত গুলীয়াই মৰা বাঘ দুটা আচলতে আগৰে মৰা বাঘহে আছিল।

তেখেত হেনো এজন ভাল অভিনেতাও আছিল। সৌ তেতিয়াৰ দিনতে ছিলঙত থকা অসমীয়া কেইজনে মাজে মাজে মঞ্চস্থ কৰা ভাওনা-যাত্ৰা আদিত তেখেতে মৰা সৈন্যৰ নাইবা অস্ত্ৰ, চুলি, গোফ আদি ষ্টেজত সোলকি পৰিলে বুটলি নিয়াৰ ভাও দিছিল। নহলে বোলে সেই ভাওনা যাত্ৰাৰ সৌন্দৰ্য্যই লুপ্তহৈ গৈছিল। বৃন্দাবনত বহুতৰ লগত থিয়হৈ ওঠ দুটা এনেয়ে লৰাই লৰাই ভাল শিল্পী বুলি আখ্যা পোৱা মানুহ তেখেত।

মহন্তৰ মহাকৰ ঘৰুৱা কথাবোৰ বৰ মন কৰিবলগীয়া। বিশেষকৈ ইংৰাজীও লব নোৱাৰা আৰু অসমীয়াও এৰিব নোৱাৰা ধৰণটো। তেখেতৰ ডাঙৰ ছোৱালীজনীক বোলে বৰ সকতেই Hand over কৰিলে। এতিয়াৰ জনীকহে Hand over কৰিবলৈ বৰ হাবাথুৰি খাব লগা হৈছে। প্ৰথমতে বুজা নাছিলো। পিছতহে জানিলো যে Hand over মানে তেখেতে ছোৱালীজনীক বিয়া দিয়াৰ কথাকে কৈছে। ঘৰখনত সোমাই থাকি বোলে শান্তিকে নাপায়— "মাইকীথনৰ" কিবা বেমাৰ হৈয়ে থাকে। মই কওঁ—"ভাল চিকিৎসা নকৰায় কিয় ?" তেখেতে অলপ খঙেৰেই কয় : "What do you mean ? অৰ্থাৎ তুমি মোক কি বুলি ভাবা। I see-মানে মই তোমাক দেখো যে আজিকালি বেছিভাগ তিৰোতাৰে বিয়াৰ পিচত বেমাৰ একোটা লৈ আছে। ভাবিছিলো Retire হোৱাৰ পিচত জীয়াই থকা দিন কেইটা দেশৰ কামত "অলাঙ্কলী" দিম—পাছে সেইয়া হৈ নুঠিল। তদুপৰি আজি কালি মানুহৰ মাজত থিহে হিংসা-খেয়াল আৰম্ভ লৈছে, এটা সমাজৰ কাম বা দেশৰ কাম কৰিবলৈও ভয় লগা হ'ল। আমাৰ দিনত লৰা-ছোৱালীৰ মাজত যি 'প্ৰণয়ভাৱ' আছিল আজি কালি লৰা-ছোৱালীৰ মাজত সেই প্ৰণয়ভাৱ নোহোৱা হ'ল।" বুজিলো, মহন্তৰ মহায়েকে মিলাপ্ৰীতি ভাৱটোকে 'প্ৰণয়' শব্দটোৰে বুজাব বিচাৰিছে। তেখেতে আকৌ কয় "আজিকালি প্ৰেমটো বৰ ডাঙৰ বস্তু। আৰু মই এটা নতুন কথা কি ভাবিছো জানা শৰ্মা ? ঘৰতে থকা ছোৱালীজনীৰ বিয়া নহলে যেতিয়া ক'ত দৰা বিচাৰি ফুৰিম ?—শক্তিকে মোৰ লগতে ভাইকো প্ৰেমত নমাৰ খুজিছো। আজি কালি ছোৱালীবোৰও এক্‌ডাক হব লাগে। তাই মোৰ লগত থাকি প্ৰেম কৰিলে একো অসুবিধা নাপাই।" মই বহলকৈ চকু

ছুটা মেলি দি কও—"আপুনি এইবোৰ কি কৈছে মই একো বুজিব পৰা নাই।" "এৰা নুবুজিবা। Country Love কি বস্তু তোমালোকে নুবুজিবা। ছোৱালীক দেশপ্ৰেমত নমালে ভোট পোৱাত বেছি সুবিধা। তাতে মই এজন পলিটিকেল চাফাৰাৰ। গতিকে মোৰ প্ৰতি মানুহৰ সদায় এটা সহানুভূতি আছেই।" : আপোনাক চাগে স্বাধীনতা যুদ্ধৰ জেলত থকা দিন কেইটাত বৃটিছৰ পুলিছে বৰ কষ্ট দিছিল।—অইনে জনাওক নজনাওক মইয়ে সহানুভূতি জনোৱাৰ সুবেৰেই কলোঁ। তেখেতৰ ওলাব খোজা হাঁহিটো ভালকৈ ফুটি নৌউঠোঁতেই কৈ উঠিল—"Who says মানে তোমাক মই জেললৈ যোৱা বুলি কোনে কলে? মোক জেললৈ নিবহে খুজিছিল।" "হয়নেকি?" বুলি মই মূৰটো তুপিয়াই তলমূৰাকৈ থাকি কওঁ—"পলিটিকেল চাফাৰাৰ যেতিয়া আপুনি আৰু আপোনাৰ লৰা-ছোৱালী কেইটিৰ চাৰিওফালে সুবিধা আছেই। সেয়ে যি কোনো ক্ষেত্ৰতে আপুনি আগবাঢ়িব পাৰে।" তেখেতে আকৌ এটা লাহেকৈ হাঁহি মাৰি কয়: "প্ৰত্যেক ভাৰতবাসীৰে Country Love, তোমাৰ অৰ্থত দেশপ্ৰেম থকাটো মই বিচাৰো।" এৰা ভাৰতবৰ্ষনো আকৌ কেইখন? সুধিব খোজো। নোসোধো। সুধিলে আকৌ কথা বেছি হৈ যাব। সেয়ে তেখেতৰ ইংৰাজী আৰু অসমীয়া কোৱাৰ নমুনাখিনিৰ চমুকৈ গোৱাদলৈ মোৰ কিবা এটা কামৰ অজুহাত দেখুৱাই সিদিনালৈ বিদায় দিওঁ। এখেতেই মোক আৰু মহন্তক ভাত খবলৈ নিমন্ত্ৰণ কৰিছিল।

যি হওঁক, দুপৰীয়া মহন্ত আৰু মই মহাদেউৰ ঘৰত উপস্থিত হলোঁগৈ। ঘৰৰ পৰ্টিকটোত ভৰি দিছোঁগৈ মাত্ৰ, একনী ছোৱালীৰ ক্ৰন্দন আহি মোৰ কাণত পৰিল। ইনাই বিনাই কান্দিছে। অনুমানতে ধৰি ললোঁ সেই নী মহন্তৰ মহাকৰে ছোৱালী নিশ্চয়- যি জনীক এতিয়াও 'Hand Over' কৰিব পৰা নাই। মহন্ত আৰু মই ড্ৰইংৰুমটোতে বহি পৰিলোঁ। আমি গৈ উপস্থিত হোৱা বুলি ঘৰৰ আটায়েই গম পাইছিল যেতিয়া ছোৱালীজনীয়েও নিশ্চয় গম পাইছিল চাগে। পিছে কি হব। তাইৰ কান্দোন দেখোন বেছিহে হবলৈ ধৰিলে। মনটোত অলপ বেয়াও লাগিল। হাজাৰ হওঁক ডাঙৰ ছোৱালী একনী ঘৰ এখনত ইনাই বিনাই কান্দি থাকিলে কাৰনো ভাল লাগিব বাৰু। "ঘৰখনত শান্তি নাই" বুলি মহন্তৰ মহায়েকে আৰাৰ মেছত কোৱা কথাষাৰ মিছা নহয় তেনে? কন্তেক উচপিচাই থাকি মহন্তক কলো: "তোৰ মাহীয়েৰাজনী বৰ খঙাল নেকি অ'। ছোৱালীজনীক পিটিলে হবলা, বেচেৰীয়ে কান্দি আছে"। মহন্তই হাঁহি এটা মাৰি মোক কলে—"নহয় অ'। তাই নতুনকৈ খেয়াল গান

শিকিছেতো । সেয়ে তাবে তাই সুবৰ আখৰা কৰি আছে"। মই 'বেৎতেৰি' বুলি অলপ ডাঙৰকৈ বেয়াভাৱে হাঁহি দিলো। লগে লগে গানৰ আৰাও নোহোৱা হ'ল। ভাবিলো,—সদায় মানুহৰ বেয়া ফালটো দেখি দেখি এতিয়া ভাল ফালটো নেদেখাই হলোঁ। ইতিমধ্যে মহন্তৰ মাহীয়েক আৰু ছোৱালীজনী আমি বহি থকা ড্ৰইংৰুমটোলৈ সোমাই অহাত ছোৱালীজনীক সুধিলো—

: তোমাৰ নামটো কি ভন্টি ?

: প-পি ।

: আই ঐ দেহি, ইমান ধুনীয়া নাম ।

: মোক সকলোৱে ধুনীয়া বুলি কয় ।

: অ কবতোন । নকব কেলেই ? ধুনীয়া সদায় ধুনীয়া ।

আচলতে বেচেৰীক মই ধুনীয়া বুলি কোৱা নাছিলো। নামটোহে ধুনীয়া বুলি কৈছিলো। কিন্তু তাই নিজে জোৰকৈ নিজকে ধুনীয়া বুলি কৈ পেলালে। সককৈ হাঁহি এটাও চেলেকিলে। মই জানো ছোৱালীক ধুনীয়া বুলি কলে আৰু একো কব নালাগে যেনেদৰে মই জানো ছোৱালীক টেঙা খাবলৈ দিলে আৰু একো খুৱাব নালাগে।

মহন্তৰ মাহীয়েকে মোৰ লগত কথাবোৰ যেনেকৈ আৰম্ভ কৰিলে যেন মই বহুত দিনৰ আগৰ চিনাকিহে। মোৰ নিজৰ কথা, ঘৰৰ কথা, মা দেউতাৰ কথা আদি লেনিয়াই লেনিয়াই সুধি গৈ থাকে। মই মাজে মাজে দুই এটা প্ৰশ্নৰ উত্তৰ দিবলৈ টান পালেও কঁকিবে সেইখিনি সমান কৰি দি গৈছিলো। ইতিমধ্যে মহন্তৰ মাহীয়েকৰ ছোৱালীজনীয়ে মোৰ প্ৰচণ্ড প্ৰিয় হৈ কথাৰ আঁত ধৰি 'দা' বুলি মাতিবলৈ আৰম্ভ কৰিলেহ। মাজে মাজে মই বহি থকা চকীখনৰ হেণ্ডেলত বহিব খোজে। মহন্তই ভাবিছে—ছোৱালীয়ে তেনে কৰিলেও মই ঠিক থাকিম। কাৰণ মই বিয়া কৰোৱা মানুহ। মাহীয়েকে ভাবিছে—ছোৱালীয়ে পাবে যদি পতাওক।

কথা প্ৰসঙ্গত মই তোমাৰ কথা একোকে কোৱা নাছিলো। কাৰণ বিয়া সম্বন্ধীয় কোনো প্ৰশ্নই মোক সোধা নাছিল। কিন্তু মহন্তই মাজতে এবাৰ মাহীয়েকক মই ইতিমধ্যে বিয়া কৰোৱা বুলি জনাই দিলে। কিন্তু কি আচৰিত! 'অলপ ভিতৰত কাম আছে বুলি' মাহীয়েক যি সোমালে আৰু ওলাই নাহিল। নিমন্ত্ৰণ কৰি অহা মানুহ এজন ঘৰলৈ অহাত পিছিবতে 'কাক বিচাৰিছে' বুলি সুধিলে যেনে লাগে মোৰো তেনে লাগিল। পেটৰ ভোক নোহোৱা হ'ল। মহন্তক কলো—"বুজিছ মহন্ত! ভাত খাইয়েই যাব লাগিব। মোৰ বহুত কাম

আছে ।"

দুপৰীয়া দেৰমান বজাত ভাত-পানী খাই উঠি মই বিদায় ললোঁ । মহন্তৰ মহাশয়ে আপত্তি কৰিছিল । মই বহুত কামৰ লেঠা দেখুৱাই গুচি আহিলো । মেছত আহি বিচনাত বাগৰি বাগৰি ভাবিলো—হৰি হৰি প্ৰভু, বিয়া কৰোৱাৰ পিচত অৱস্থা এইহে ? বিয়া কৰোৱাৰ আগমুহূৰ্ত্তলৈকে ডেকা ল'ৰাৰ যিটো দাম থাকে বিয়া কৰোৱাৰ লগে লগে সেই দাম নোহোৱা হয় । বতৰ যোৱা বেঙেনাৰ দৰে এনেয়ে দিলেও নিনিয়ে । বিয়া কৰোৱা বুলি আগতে জানিলে মোক কিজানি নিমন্ত্ৰণ নকৰিলেহেঁতেন । কথাবাৰ ভাবিলেই লাজ লাগি যায় । মূল্যহীন মানুহৰ আদৰ নাই । সমাজ এখনত প্ৰতিপত্তি বিস্তাৰ কৰিবলৈ হলে মানুহ এজনৰ কিবা এটা বিশেষত্ব থাকিব লাগে বুলি মই জানো । মহন্তৰ মাইীয়েকে মোৰ গাত আগতে কি ভাল বিশেষত্ব বিচাৰি পাইছিল কব নোৱাৰো । কিন্তু মহন্তই যে মোৰ খুউব গুণ-গান কৰিছিল সেইটো মই ভালদৰে জানো । তাৰ মানত—মই হেনো ভাল লিখক, ভাল কথা শিল্পী, মানুহৰ মনৰ গোপন ভাৱৰাশি মই ভালদৰে জানো বাবেহে ভাষাৰে তাক প্ৰকাশ কৰিব পাৰো । সভ্য জগতখনৰ মুখা পিন্ধা ভদ্ৰলোকবোৰৰ ভিতৰ ফালটো মই হেনো লিখনীৰ মাজেৰে প্ৰকাশ কৰি দেখুৱাই দিব পাৰো । ৰূপহী গাভৰুৰ গোপন বাতৰিৰ পৰা কোনজন মিনিষ্টাৰৰ কেইদাল পেটৰ শিৰ উখহি আছে তাক মোত বাহিৰে হেনো আনে নাজানে । বিয়া নকৰোৱা মানুহ হলে মোৰ লিখনীয়ে বহুত ছোৱালীক মোৰ কাষ চপাই আনিব পাৰিলেহেঁতেন । ইত্যাদি । কব নোৱাৰো—মহন্তই মোৰ এনেবোৰ গুণানুকীৰ্ত্তন আনৰ ওচৰত কিয় জাহিৰ কৰি ফুৰে । আছে । এনে কিছুমান মানুহ আছে যিয়ে আনৰ গুণগান কৰিয়েহে আনন্দ পায় । এটা গান গাইয়ে যদি অনাতাঁৰ শিল্পী হব পাৰে, এবাৰ অভিনয় কৰিয়েই যদি চিত্ৰতাৰকা হব পাৰে, তেনেহলে মহন্তই মোৰ ক্ষেত্ৰটো ভুল কৰা নাছিল ।

কিছুমান তিৰোতাইও শহুৰেকৰ ঘৰতকৈ মাকৰ ঘৰৰ গুণ গান গাই বেচ্ আনন্দ পায় । অমুকজন ককায়েক ডাক্তৰ তমুকজন ইঞ্জিনিয়াৰ, প্ৰফেচাৰ আদি তিভাৰ আগত লৈ থাকে আৰু সুবিধা পালেই জাহিৰ কৰে । আভিজাত্য বিচাৰি গলে এইবোৰ ঘাঁহনিৰ তলত প্ৰসৱ কৰা ভায়েক ককায়েকহে । সেইবোৰ কোনোবা এলেকৰ পেলেক । ডাক্তৰ বোলোতে গৰু ডাক্তৰো হব পাৰে আৰু প্ৰফেচাৰ বোলোতে বেচিক স্কুলৰ প্ৰফেচাৰো হব পাৰে ।

কথাত কথা ওলায় । ডাক্তৰ তিনিবিধ । গৰু ডাক্তৰ, হোমিওপ্যেথি

ডাক্তৰ আৰু সাধাৰণ ডাক্তৰ।

প্ৰথম বিধে সন্মান খুউব বিচাৰে। কোনোবা চিঠিৰ ওপৰত তেওঁৰ নামৰ আগত যদি 'ডাঃ' বুলি লিখা নাথাকে তেনেহলে তেওঁ সেই চিঠিকে খপচে ফালি দলিয়াই পেলায়। চাকৰিটো পোৱাৰ পিচতে চাইকেল এখনৰ তেওঁৰ বৰ দৰ্কাৰ। পশুৰ যি কোনো বেমাৰতে কেনাহলৰ ঘটল আগবঢায়।

দ্বিতীয়বিধ ডাক্তৰক বৰ বিশেষ বস্তু নালাগে। কেইটামান বটলৰে সৈতে তিনিটামান আলমাৰী হলেই হ'ল। এওঁলোকে মকৰধ্বজ যোগান ধৰিব পাৰে বেচ। তদুপৰি মোদকৰ ব্যৱসায় এওঁলোকৰ একচেতীয়া।

তৃতীয়বিধ ডাক্তৰে কিন্তু সততাই গাৱঁত থাকিবৰ ইচ্ছা নকৰে। গাৱঁৰ মানুহবোৰ লেতেৰা বুলি এওঁলোকৰ মুখত সঘনাই শুনিবলৈ পোৱা যায়। লেতেৰা ঠাই এখন চাফা কৰিবলৈ শিকোৱাটো যে তেওঁলোকৰে দায়িত্ব তাক নুবুজে। বজাৰত বিক্ৰী কৰা পঁচা মাছ, পঁচা শাক পাচলি এওঁলোকে দেখিলেও নেদেখাৰ ভাও জোৰে। তেওঁলোকৰ দৰ্কাৰ হব সেই পঁচা মাছ বা পঁচা শাক পাচলি খাই কলেৰা মহামাৰীত পৰা বেমাৰীবোৰহে। তাৰ পাছত বেমাৰীৰ মৃত্যু সংখ্যা উলিয়াই চৰকাৰক হিচাব দিয়া। চৰকাৰী ডাক্তৰ কেইজনৰ টকাৰ লোভ অলপ বেছি। যি লোভৰ ফলত মানৱতাৰ কোনোবা খিনিত ক্ষুন্ন হোৱা যেন লাগে। মেডিকেল ফিটনেচ চাৰ্টিফিকেট এখন পাবলৈ হলে ভাল স্বাস্থ্যৰ কোনো প্ৰয়োজন নাই,—পকেটত পাঁচ টকা থকাবহে দৰ্কাৰ। কোনোবা চাকৰীয়ালে ছুটি পোৱা নাই,—এহ টকালৈ ডাক্তৰৰ ওচৰত হাজিৰ হলেই হল। দৰ্কাৰি মিছা চাৰ্টিফিকেটখন তেওঁ চকু মুদি লিখি দিব। তেওঁলোকৰ মতে মিছা চাৰ্টিফিকেট, এখন দিয়াটো হ'ল একোটা ডাঙৰ 'Risk' গতিকে পইছা লাগিবহ। বেমাৰীৰ দৰকাৰী অদৰ্কাৰীটোলৈ তেওঁলোকে নৰা চপৰা নলগাই,—লগাই টকাৰ 'এমাউণ্ট' লৈহে। টকা দিব নোৱাৰা মানুহ দেখিলে চাপ্ৰাই অফিচৰ কেৰাণীৰ দৰে এওঁলোকেও কলমৰ যুৱ ভত্তি বহি থাকে। এনে যদি ডাক্তৰৰ গুণ হয় তেন্তে বিখ্যাত ইংৰাজ লিখক বাৰ্নাড শ'ৱে "ডক্টৰচ্ ডাইলেমা'ৰ দৰে কিতাপ লিখাত কোনো আপত্তি থাকিব নোৱাৰে।

গাৱঁত থকা ডাক্তৰৰ মতে গাৱঁত হেনো পইছা নাই,—নাই লাইফ। সেয়ে ছিলঙত কোনজন মন্ত্ৰী বা বিষয়াক লগ ধৰিলে গাৱঁৰ পৰা চহৰলৈ বদলি হোৱাৰ সুবিধা হব সেইটোহে তেওঁলোকৰ চিন্তা।

ডাক্তৰবোৰৰ তলতে কাম কৰে কম্পাউণ্ডাৰ কিছুমানে। ডাক্তৰ যেনে তেনে কম্পাউণ্ডাৰ আৰু তেন্ তেন্। 'ডাক্তৰ বাবু' বুলি নকলে উত্তৰ বটল

ভাঙিবই নোখোজে। চাৰি শ্ৰেণী মানুহক চাৰি প্ৰকাৰে ভাল লগোৱাৰ উপায় আছে। যেনে,—কম্পাউণ্ডাৰক ডাক্তৰ বাবু, হেণ্ডিমেনক ড্ৰাইভাৰ বাবু, বোড, মহৰীক অভাৰচিয়াৰ বাবু (ইঞ্জিনিয়াৰ নহয় কিন্তু! বেছি হৈ যাব।) আৰু অফিচ এচিষ্টেণ্টক 'চাৰ'। যদি এইখিনি কোনোবাই কৰিব পাৰে তেনেহলে তেওঁৰ কামো আগতে হাচিল হয়।

কথাত কথা বাঢে।

বন্টু আৰু গজাল কাক বোলে আৰু ক'ত পোৱা যায় কব পাৰিলেই অসমত ইঞ্জিনিয়াৰিং পাছ কৰিব পাৰি। এওঁলোকে নতুন কাম আৰম্ভ কৰাতকৈ Repairing কামবোৰ কৰি বেছি ভাল পায়। ৰাস্তাত ফিটা টানি টানি ভাগৰ লাগিলে E N D ৰ পৰা P W D লৈ Transfer লবলৈ যত্ন কৰিব। নাহবা মানুহৰ আগত কৈ ফুৰিব Companyৰ চাকৰিতহে সোঁমাব বুলি। আচলতে কলৈকো নাযায়, মাত্ৰ নিজৰ কষ্টৰ ওপৰতহে খং দেখুৱায়। ফিটা টনা টেকনিকেল কোৱালিফিকেশ্যন খিনি লৈ এওঁলোক যাব বিদেশলৈ। (আজি কালি বিদেশলৈ যোৱাটো এটা চখত পৰিণত হৈছে) বিদেশৰ পৰা ঘূৰি আহি ৰাস্তাৰ কাষত বছৰ বছৰ ধৰি জিলিকি থকা কৈ চাইনবোৰ্ড লগায়,—'Caution Please, Road Under Construction, সাৱধান, ৰাস্তা বহল হোৱা কাম চলি আছে।' এইবোৰ চাইনবোৰ্ড সাময়িক নহয়—চিৰকলীয়া। এইবোৰ চাইনবোৰ্ড কেতিয়া নোহোৱা হব আমিও নাজানো আৰু ইঞ্জিনিয়াৰ বোৰেও নাজানে। বিদেশত যে সাধাৰণ মিস্ত্ৰী এটাইও তেওঁলোকতকৈ বেছি পৰিপাটিকৈ কাম কৰে তাক উপলব্ধি কৰিবলৈ টান পায়। এনেবোৰ ইঞ্জিনিয়াৰৰ আগতে ঠিকাদাৰে নাম মাত্ৰ চিমেণ্ট বালিৰ লগন মিহলাই প্লাষ্টাৰ কৰে। কলগছৰ ওপৰত মাটি দি মথাউৰি বান্ধে। ইঞ্জিনিয়াৰ অভাৰচিয়াৰে চকুত গাগলছ্, হাতত ফিটাৰ ছইলৈ পায়চাৰি কৰে। দেখাত এনে লাগে যেন আৰ্টিষ্টবোৰ চুটিঙলৈ অহা কোনোবা ফিল্ম এক্টৰহে। হাতে কামে লাগিব পৰা ইঞ্জিনিয়াৰ অসমত বৰ কম। ঠিকাদাৰবোৰ হয় এওঁলোকৰ দোস্ত। ইঞ্জিনিয়াৰৰ লগত 'দোস্ত' বান্ধি ঠিকাদাৰবোৰে কামবোৰ 'ভোচ' বনাই থৈ দিয়ে। ইঞ্জিনিয়াৰ জনে যদি কথাটো জানিও ধৰা নাই তেনেহলে তেওঁ ঘোচ খাইছে, যদি ধৰিবই পৰা নাই তেনেহলে তেওঁ নেজানেই।

বাৰিষা ৰাস্তা-পথৰ বৰ দৰ্কাৰ। কিন্তু সেই সময়তে আমাৰ ৰাস্তা-পথবোৰ অদৰ্কাৰী হৈ পৰে। বাৰিষা চিলঙৰ ৰাস্তাৰ কথাকে কৈছো ধৰা। বতাহে টানি আজুৰি মাৰে সৰল গছবোৰক, গছবোৰে হালি জালি কাবুঁছে

পৰে ; আকাশে চকুলো টুকি টুকি ক্লান্ত হয় আৰু বহুত ওপৰৰ পৰা কোনোবা বায়ু দেৱতাই কিৰিলি মাৰি বগা বগা শিলগুটি দলিয়ায়। আলিবাটবোৰ হয় জালি গাঁত। ৰাস্তাত পানীৰ ডোঙা বান্ধে। সেই ডোঙৰ ওপৰেৰে মটৰ গাড়ীৰ চকা বাগৰে। তাৰে পৰাই চেৰেক্ চেৰেক্কৈ ফুট পাথৰ ওপৰেৰে যোৱা মানুহৰ গালৈ ফাকুৱাৰ পিচকাৰি মাৰে। বাতিপুৱা অফিচলৈ যাবৰ সময়ত আহিব খোজা বৰষুণজাক যদি সঁচাকৈয়ে আহে তেনেহলে ছাতিৰেও আগুৰিব নোৱাৰা বৰষুণ জাকত বাককৈয়ে তিতিব লাগে। ছিলঙৰ এই আপদীয়া বৰষুণজাকে বতাহ জাকক লগতলৈ চাৰিওফালৰ পৰা আক্ৰমণ চলায়। তিতিবুৰি অফিচ পোৱাৰ পিচত কেতিয়াবা অৱশ্যে এখন নোটিচ পাওঁ। সিদিনাৰ বাবে হেনো অফিচ অলপ পলমকৈ বহিব। পিছে অফিচ পৈ পোৱাৰ পাছত সেইখন নোটিচলৈ মোহ নোপজে। ওপজিবহে বা কেনেকৈ ? তিতিবুৰি আকৌ ঘৰলৈ উভতি গলেহে হব ?

চিলঙত জোক আৰু বেঙ, মই এতিয়ালৈকে দেখা নাই। অৱশ্যে এইবোৰত মই একো আচৰিতো হোৱা নাই। কিয়নো এইবোৰ আচৰিতক আন কিছুমান আচৰিতে ঢাকি ৰাখিছে। যেনে ধৰা,—যুক্তলৈ বুলি খন্দোৱা ঘৰৰ কাষৰ ট্ৰেঞ্চটোত বৰষুণৰ পানী জমা হোৱাত বক্ৰা চাহাবে Flood Advance ৰ বাবে Apply কৰিছে। বক্ৰা চাহাবক অনুকৰণ কৰিছে কাকতি চাহাবে। তেখেতৰ হেনো চেনিটাৰী লেট্ৰীনটোতে সোপা লাগি পানী উঠিছে। (১৯৬৬ চনৰ জুন মাহত তেতিয়া গোটেই অসমতে বানপানী।) এখেতসকলে Flood Advance পাবনে নেপায় যেনেকৈ কব নোৱাৰো তেনেকৈ জোক, বেঙ, ছিলঙলৈ আহিব নে নাহে তাকো মই কব নোৱাৰো।

নতুন প্ৰফেচাৰবোৰো এক ধৰণৰ প্ৰাণী। এওঁলোকৰ ড্ৰেশচনবোৰ পূৰ্ব্ব কল্পিত যেন লাগে। সাধাৰণতে এওঁলোকৰ কিছুমান Uniform দেখা যায়। যেনে ইংৰাজীৰ প্ৰফেচৰ হলে চুটজোৰৰ সৈতে টাইডালৰ দৰকাৰ। অসমীয়া বিষয়ৰ হলে ধুতীখন পাঞ্জাবীটো (তলৰ বণিয়নটো দেখা); ফিলোচফিৰ প্ৰফেচাৰ হলে চুলিত তেল নিদিয়ে, কেতিয়াবা পেণ্টৰ বৰ দৰ্কাৰী অথচ নেমাবিলেও হয়, তেনেকুৱা অংশত বুটাম নামাৰে, কলমটো খোলা তাগেই জেপত ভৰায়, বৰষুণ দি থকা অৱস্থাতো ছাতিটো হাতত্তলৈ তিতিবুৰি পৈ থাকে। ছাত্ৰই দেখিলে বুজক যে তেওঁ ফিলচফিৰ 'ভাল প্ৰফেচাৰ।' বাকী বিষয়বোৰৰ প্ৰফেচাৰে যি কোনো ড্ৰেছেই কৰিব পাৰে। এওঁলোকে ছাত্ৰ-ছাত্ৰীক কেনে ধৰণে পঢ়িব লাগে তাৰ আভাস দিয়ে বেছি। নিজৰ গুণ গান ছাত্ৰৰ

আগতে প্ৰকাশ কৰে। বি, এ পৰীক্ষাত Substance লিখিয়েই হেনো তেওঁ পুৰা বিশ্ নম্বৰ পাইছিল। কলেজীয়া জীৱনত কিতাপ হাতেৰে চুই নাপালে। 'ক্লাচ ৰেগুলাৰ এটেন্দ' কৰিলেই হয়, ইত্যাদি ইত্যাদি। তেওঁলোকে নিজে বনোৱা নোট ছাত্ৰসকলক দিব নোৱাৰে—ইংৰাজী বাক্য ভুল হব বুলি সন্দেহ। কেইখনমান নোট বুক সংগ্ৰহ কৰি তাৰে ইখনৰ এটা বাক্য সিখনৰ এটা বাক্য গোটাই লৈ ক্লাচত নোট দিয়ে। সেইজন প্ৰফেচাৰেই কিন্তু নোট মুখস্থ কৰিব নালাগে বুলি লেকচাৰ মাৰি পিৰিয়দ এটাৰ আধা শেষ কৰে। এওঁলোকেই টাৰ্মিনেল পৰীক্ষাবোৰৰ বহিবোৰ এনে ধৰণে চাব যে ৰঙা পেঞ্চিলেৰে মাজে মাজে মৰা আঁকটো আচলতে কটা চিনেই নে শুদ্ধ চিন ধৰিব নোৱাৰি। কটা চিন যেনো লাগে, শুদ্ধ চিন যেনো লাগে। এই ক্ষেত্ৰত সকলোৱেই নহয় যদিও এটা বৃহৎ সংখ্যক শিক্ষকে পঢ়ুৱাত ফাঁকি দিয়ে। দৰ্মহা কম হল বুলিয়েই নাইবা নিজৰ অভাৱ অভিযোগ থাকিল বুলিয়েই যদি শিক্ষকে শিক্ষা দানত ফাঁকি দিয়ে তেনেহলে তেওঁ যি গুণৰ অধিকাৰী হব পাৰিলেহেঁতেন তাক সম্পূৰ্ণভাৱে নষ্ট কৰে। শিক্ষা দানত ফাকি দিলে ছাত্ৰৰ, অভিভাৱকৰ, শিক্ষানুষ্ঠানৰ আৰু গোটেই জাতিটোৰে অপূৰণীয় ক্ষতি হয়।

অকল শিক্ষকৰ ক্ষেত্ৰতেই নহয়, আজিৰ ছাত্ৰ সমাজতো বিশৃঙ্খলতাই দেখা দিছে। ৰাজনীতিৰ দলীয় স্বাৰ্থপৰতাই আৰু আত্মকেন্দ্ৰিকতাই আজিৰ ছাত্ৰ সমাজক ভুলপথে পৰিচালিত কৰিছে। সক্ৰিয় ৰাজনীতিত ছাত্ৰক যোগ নিদিবলৈ যিবোৰ নেতাই মেলে মিটিঙে বক্তৃতাৰ মহলা মাৰি ফুৰে সেইবোৰ নেতাই আকৌ প্ৰতি পাঁচ বছৰৰ মূৰত ভোট নামৰ 'যজ্ঞত' ছাত্ৰকে দিয়ে আহুতি। এই আহুতি দেশৰ কাৰণে পৰোক্ষভাৱে হলেও প্ৰত্যক্ষভাৱে দলীয় স্বাৰ্থ আৰু ব্যক্তিগত স্বাৰ্থ তাত জড়িত থাকে। স্বাৰ্থই মানুহৰ উন্নতিৰ সহায় কৰে সঁচা, কিন্তু এই স্বাৰ্থই যেতিয়া হিংসাত্মক ৰূপ লয় তেতিয়া মানুহৰ অধোগতিৰ কথাকে সূচায়। এদল চিন্তাশীল লোকে, ছাত্ৰৰ অধোগতিৰ কাৰণ ৰাজনীতি বুলিও ভাবে। আজিৰ ছাত্ৰই শিক্ষকক শিক্ষাদাতা গুৰু বুলি নাভাবে—ভাবে স্কুলত চাকৰি কৰিবলৈ অহা কিছুমান মানুহ বুলিহে। এনে ক্ষেত্ৰত শিক্ষক-ছাত্ৰৰ মাজত আন্তৰিকতা নাথাকে। আন্তৰিকতা নাথাকিলে শিক্ষা দিবও নোৱাৰি লবও নোৱাৰি। বহুতো ছাত্ৰই Shylock নাইবা Brutasৰ চৰিত্ৰ আলোচনা কৰাতকৈ কোনোবা এজন শিক্ষকৰ বদনাম গাবলৈহে বেছি ভাল পায়। শিক্ষকক বিভিন্ন নাম দিব জানে ইহঁতে। আজি কালি ষ্ট্ৰাইকৰ যুগ। পৰীক্ষা কেতিয়া পাতিব লাগে, কেনেকৈ পাতিব লাগে তাক নিৰ্দ্ধাৰণ

কৰি দিব খোজে ছাত্ৰই। কৰ্তৃপক্ষই জেনে নকৰিলে ক্লাচ নকৰি টুকলিং কৰে। পৰীক্ষাৰ আগতে পাঠ্যক্ৰম আয়ত্ব কৰিব নোৱাৰিলে ঘৰলৈ পৰীক্ষা নিদিওঁ বুলি নজনায়,—জনাৰ পৰীক্ষা ড্ৰপ দিয়া বুলিহে। তেওঁলোকৰ অভাৱ-অভি-যোগৰ কাৰণে দাবীৰ নামত আন্দোলন চলায়। এনেকুৱা আন্দোলনে বিভৎস ৰূপ লোৱা ঘটনাও বিৰল নহয়। ভাল বেয়া বিচাৰ কৰাৰ ক্ষমতা চঞ্চল মনে আৱৰি ৰাখে। চাৰি ঘণ্টাৰ পৰা ছয় ঘণ্টা কিতাপ আগত লৈ আকাশ-পাতাল ভাবি থকা ছাত্ৰ-ছাত্ৰীয়ে পঢ়াত উন্নতি কৰিব নোৱাৰে। তাৰ বাবে তেওঁৰ চঞ্চল মনটো প্ৰধানকৈ দোষী। অভিভাৱকে এনেবোৰ ছাত্ৰ-ছাত্ৰীক পঢ়ি থকা বুলিয়েই ধাৰণা কৰি লোৱাটো ভুল। অনেক স্কুলীয়া লৰা-ছোৱালীয়ে বয়স হৈ অহাৰ লগে লগে পঢ়া যেন দেখুৱাই ফিল্ম-ষ্টেৰৰ ফটো চাই থাকে। বয়সৰ বাধা থকা উপন্যাস পঢ়ে। ঘৰৰ কোনোবাই ফিল্মষ্টেৰৰ চাং থকা দেখিলে দূৰৰৈৰ পৰা ভূগোলৰ বহী বুলি জানিব। পঢ়াত ফাঁকি দিয়া বুলি ধৰৰ মানুহে নাজানে। আনহাতে জানিলেইবা কি কৰিব? অপৈণত বয়স বুলি নৱম মান শ্ৰেণীৰ লৰা-ছোৱালীয়ে ফিল্মষ্টেৰৰ নাঙঠা ফটো চোৱাটো যদি বেয়া মেট্ৰিক পাছ কৰিবলৈ "সীতা হৰণৰ"ৰ সীতাৰ শৰীৰৰ প্ৰতিটো অঙ্গৰ নিখুঁত বৰ্ণনা লিখিব যোৱাটো ভাল জানো? সেয়ে কৈছো, আজি কালি পঢ়াটো ভেজাল। আজি ক্লাচ চেভেনৰ ছাত্ৰী এজনীয়ে লুপ ব্যৱহাৰৰ বিষয় জনা হল। ক্ৰি চাইক্ল স্পঞ্জৰ ব্ৰেচিয়াৰ নহলে মাক বাপেকৰ ওচৰত ঠেহ পাতিব পৰা হল। যৌৱনৰ বতাহে পৰশা এনেবোৰ শিক্ষাৰ্থীয়ে যৌন বিজ্ঞানৰ কিতাপ সমূহত ডাঠ কাগজৰ জিল লগাই 'ভূদান', 'সভ্যতা আৰু সংস্কৃতি' আদি নাম লিখি থৈ দিয়ে। যাতে কোনোবাই দেখা পালেও কিতাপখন সতকাই মেলি চাবৰ ইচ্ছা নকৰে। ওপৰত ইংৰাজীৰ প্ৰশ্নোত্তৰ বুলি লিখি ভিতৰত ইংৰাজী আখৰেৰে অসমীয়া প্ৰেম-পত্ৰ লিখিব জানে এওঁলোকে। অনেক সময়ত শ্ৰেণীতো ছাত্ৰ-ছাত্ৰীয়ে পঢ়াত মন নিদিয়ে। তাৰ প্ৰমাণ হিচাবে মোৰ নিজা ঘটনা এটা মনত পৰি গ'ল।

ইং ১৯৬৪ চন। মই তেতিয়া তৃতীয় বাৰ্ষিকৰ ছাত্ৰ। সেই বছৰ মই আমাৰ কলেজ আলোচনীৰ সম্পাদক। সম্পাদক হিচাবে আলোচনীখন মধুৰ গল্প, মধুৰ প্ৰবন্ধ পাতিবে ধুনীয়াকৈ সজাই-পৰাই উলিওৱাটো মোৰ দায়িত্ব। কিন্তু সময়ত সেইয়া হৈ নুঠিলগৈ। কলেজ ইউনিয়নত হোৱা ভোটত মোক জয়যুক্ত কৰিবলৈ কেনভাচ্ কৰা ৰথীন, জয়ন্তইতে নিজৰ নিজৰ দাতাৰক লৈ যি গল্প কবিতা লিখা আৰম্ভ কৰিলে,—সিইতৰবোৰ আৰু দুই এজন বাহিৰ

থকা প্ৰফেচাৰৰ লিখা প্ৰকাশ কৰোঁতেই আলোচনীৰ পাত শেষ হ'ল। জয়ন্ত-ইতৰ লিখনিবোৰ গল্প কবিতা নাছিল—আছিল সাময়িক উত্তেজনাৰ লিখনি। তথাপি বন্ধুত্ব খাতিৰত প্ৰকাশ নকৰিলেই নহয় বাবে প্ৰকাশ কৰিলো। অথচ কবিতা লিখি নিজৰা যোৱাই দিব পৰা কুমাৰী বন্না দেৱীৰ কবিতা গল্প এটাও প্ৰকাশ নহল। তাই মোক খুউব বেয়া পালে। আনকি লগৰ ছোৱালীবোৰে। মই হেনো পাৰ্চিয়েলিটি কৰিছো।

বন্নাইত আমাৰ লগতে পঢ়ে। এদিন আমাৰ ক্লাছ কমলৈ যাওঁতে দেৱী হোৱাত এই বন্না বোলা ছোৱালীজনীয়েই চিয়াহীৰে বেঞ্চত এলোটাকৈ 420 লিখি থৈ দিছিল। সদায়েই বহা ঠাইডোখৰত দুৰ্ভাগ্যক্ৰমে সিদিনাও ময়েই বহিছিলো। ক্লাছ শেষ হোৱাৰ পিছত আমি আটাইবোৰেই যেতিয়া বাহিৰ ওলাইছিলো তেতিয়া মোৰ বগা পেণ্টটোৰ তপিনাত স্পষ্টভাবে জিলিকি উঠা 420 টো চাই চাই সকলোৱে হাঁহি দিছিল। বন্ধু কেইজনমানে কোৱা কুই কৰিছিল—'হ কাৰবাৰ দুঃসাহস।' কবলৈ পাহৰিছো। কেইদিনমান আগতে বন্নাই মোৰ পেণ্টৰ জেপত সৰু পুতলা এটা সুমুৱাই দি মোক ঠাট্টা কৰিছিল : 'আই ঐ দেহি! কিছুমানৰ যে খাপেক হওঁলৈ ইমান হচ্ছা।' মোৰ লাজতে মৰি যোৱা যেন লাগিছিল। অনুসন্ধান কৰি গম পালো যে 420 লিখা আন কোনো নহয়,—বন্না দেৱীহে। পিছে ইয়াৰ প্ৰতিশোধ লোৱা যায় কেনেকৈ? "আচলটোকে জোকাই লৈছ" বুলি ছোৱালী মহলৰ কোনো কোনোৱে বন্নাক সজাগ কৰি দিছিল। মুঠতে ছোৱালীৰ মহলত হুলস্থূল এটা লাগি পৰিল। হবেন, জয়ন্তইতৰ প্ৰেমিকা বিনাতা, শতিকাইতৰ হতুৱাই মোক কলে যে বন্নাৰ ওপৰত মই যেন কোনো ধৰণৰে প্ৰতিশোধ নলওঁ। তাই হেনো কলেজ কেন্টিনত মোৰ ওচৰত ক্ষমা খুজিবলৈ সাজু। সেয়ে মই ক্ষমা কৰিব লাগে। কাৰণ বন্নাই ঠাট্টাৰ চলেৰে কৰা কুকাৰ্য্যখিনি আছিল এটা হঠাতে হোৱা Accident. ছোৱালীবোৰৰ এই অনুৰোধ মই নেৰাখিলো। সিইতক প্ৰত্যুত্তৰ দিলো : "এৰা, Accident বোৰ সদাই হঠাতেইতো ঘটে, নহলে দেখোন মানুহে Accident বুলি নকৈ আন কিবা বুলি কলেহেঁতেন।" বহুত স্ত্ৰৈণ মানুহ দেখিছো যিবোৰে নিজৰ ঘৈণীয়েকৰ কাপোৰ ধুই দিয়ে বা ঘৈণীয়েকৰ হতুৱাই টকা পইচা খৰছ কৰাই ভাল পায়। কিন্তু সেইটো কথা বেলেগ আৰু বন্নাৰ লগত মোৰ সম্বন্ধ বেলেগ। সেয়ে কোনো কাৰণৰ পৰাই বন্নাক মই ক্ষমা কৰিব নোৱাৰিলো। —ভাবোপৰি নোৱাৰো মাইকী মানুহৰ ওচৰত হাৰ মানিবলৈ।

বন্না শকত ছোৱালী। খোজ কাঢ়োতে পিছৰ পিনে পাটো কেলটৈয়া

কেনটেক্স ট্ৰাংশত জিকাৰ খায়। বৰ শকত বস্তাক বাতাত জোকোৱা নাম দিছিলো 'দানলুপ টায়াৰ', 'বেবী এলিফেন্ট', টুনটুন আদি। ভাবিলো, জোকা-যেই নেকি? ওহো মোক দিয়া লাজৰ প্ৰতিশোধ অকল জোকালেই নহব। তাৰ পিছত ভাবিলো, এদিন ক্লাছতেই বেঞ্চত ধৰি টানিম। পিছে বেঞ্চত ধৰি টানিলে কি হব? প্ৰফেচাৰে দেখিলে মোকহে ক্লাছৰ পৰা বাহিৰ কৰি দিব? গতিকে সেইটোও নহল। এদিন ভাবিলো, তলিনাত পৰাকৈ বড়া চিয়াহীঁ পাছফালৰ পৰা ঢুটিয়াই দিওঁ। পিছে তাতো সকলোৱে দেখিব। মোৰ বুদ্ধিয়ে ঢুকি নোপোৱা হ'ল। দুপিনে বস্তাই দিয়া লাজৰ ওচৰত মই কেতিয়াও সেও মানিব নোৱাৰো। এদিন হঠাতে আবিষ্কাৰ কৰি পেলালো। মই বজাৰৰ পৰা এটা সৰু পুতলা কিনি জেপত ভৰাই ক্লাছলৈ গলো। ক্লাছ শেষ হোৱাৰ পিছত কলেজ বিল্ডিঙৰ ওপৰ মহলাৰ পৰা তল মহলালৈ খট্‌খটিৰে বস্তা যাব ধৰোতেই পুতলাটো তাই দুই ভৰিৰ মাজেৰে সোৱাকৈ মেখেলাৰ তলেৰে পেলাই দিলো। লগে লগে চিঞৰি উঠিলো,—Delivery হ'ল, Delivery হ'ল" বুলি। লগে লগে মোৰ সৈতে থকা খঁৰেনে কেঁচুৱাই কন্দাৰ দৰে "টোহা-টোহা" শব্দ কৰিব ধৰিলে। বস্তা লাজত আৰু খঙত একো নাই হৈ তল-মূৰাকৈ প্ৰায় দৌৰি যোৱাৰ দৰে কমন ৰুমত সোমালগৈ। তাই বুজি পাইছিল সেইটো মোৰেই প্ৰতিশোধ বুলি। এনকি আজিও লতাইছেও। বস্তাই মোক বহু দিনলৈ নামাতিলে।

ছাত্ৰ সমাজত এনেকুৱা বহুত ঘটনা ঘটি থাকে যি মোৰ ছাত্ৰক পঢ়াত ব্যাঘাত জন্মায়।

বৰ্ত্তমানে এক শ্ৰেণীৰ ছাত্ৰ ওলাইছে যিবোৰে তৃতীয়া বুলি, অনুন্নত শ্ৰেণীৰ বুলি বৃত্তি পোৱা টকাৰে কাগজ কিতাপ কিনিবলৈ বাদ দি টেৰিলিনৰ চুট একযোৰ অৰ্ডাৰ দিব আগতে। লগতে নেকটাই এডালৰ প্ৰয়োজন নহব জানো? প্ৰতি ৰবিবাৰে চিনেমা চোৱা ভদ্ৰলোকৰ সংখ্যা এওঁলোকৰেই বেচি। মাহেকত বিশ টকা অকল চিগাৰেটতেই খৰচ কৰিব পাৰে অথচ আলোচনী এখন নাইবা ভাল কিতাপ এখন কিনিবলৈহে পইচা নাই। চন্দন-ভূষণ-উৰণত কোনে কব এওঁলোক তৃতীয়া বা অনুন্নত শ্ৰেণীৰ বুলি? এনেবোৰ ছাত্ৰক কিতাপৰ দাম দিয়াতকৈ কিতাপৰ যোগান ধৰাটোহে কৰ্ত্তৃপক্ষই চিন্তা কৰি চাব লাগে। অনুন্নত সম্প্ৰদায়ৰ মানুহক উন্নত কৰাটো ভাল কথা কিন্তু সেই বুলি উন্নতসকলৰ গাত হেঁচা পৰিব নালাগে। উন্নতসকল আৰু উন্নত হওঁক আৰু অনুন্নতসকলক তেওঁলোকৰ শাৰীলৈ আনিবলৈ চেষ্টা কৰা হওঁক। আজি

অনুন্নত সম্প্ৰদায়ৰও বহুত চহকী লৰা-ছোৱালী আছে,—যিয়ে সুবিধাৰ ওপৰত সুবিধা ভোগ কৰি আছে। আনহাতে উন্নত সম্প্ৰদায়ৰ বহুতো লৰা-ছোৱালী আছে যিয়ে টকাৰ অভাৱত শিক্ষা এৰি দিব লগা হৈছে। অৱশ্যে বিশেষ মেধাৱী শিক্ষাৰ্থীয়ে চৰকাৰী নোপোৱা নহয়। পৰীক্ষাৰ নম্বৰে যদিও ছাত্ৰ এজনৰ জ্ঞানৰ পৰিচয় দিয়ে তথাপি অকল পৰীক্ষাৰ নম্বৰ কেইটাই ছাত্ৰজনৰ সম্পূৰ্ণ জ্ঞানৰ পৰিচায়ক নহবও পাৰে। এই বিষয়ে কাগজে পত্ৰই চিঠি লিখিব খোজো। কিন্তু কিবা কামত আহিব জানো?

চিঠি দুবিধ। সাধাৰণ আৰু ব্যক্তিগত। প্ৰথম বিধে বাহিৰৰ কথা কয় আৰু দ্বিতীয় বিধে নিজৰ কথা কয়। প্ৰথম বিধক বহুতেই আওকাণ কৰে। কিন্তু দ্বিতীয় বিধ চিঠি কোনে লিখিছে জানিব পাৰিলেই ভিতৰৰ বিষয় বস্তু নপঢ়াকৈ কৈ দিব পাৰি। যেনে ধৰা,—মাক-দেউতাকে লিখা চিঠি হলে তাত থাকিব,—"পঠোৱা টকা কেইটা পাইছো। পাৰিলে এই মাহতে আৰু মাটি টকামান পঠাবি। এই মাহত টকাৰ বৰ টান।" (এই মাহত বুলি প্ৰত্যেক মাহতে লিখে।) যদি শহুৰ শাহুৱে লিখিছে—"আপোনাক বহুদিন দেখা নাই। পূজাত যেনেতেনে লৈ আহিবা।" যদি বন্ধুৱে লিখিছে,—D P. I. অফিচত মোৰ ট্ৰেন্সফাৰৰ খবৰটো আৰু A G. অফিচত মোৰ Pay Slipখন এই বছৰত পঠাব নে নাই যেনেতেনে জনাব।" যদি ছোৱালী খুলশালীয়েকৰ চিঠি হয়,—"ভিনদেউ, আপুনি বাইদেউৰ বিয়াৰ সময়তে দিয়া পাটৰ চেটযোৰ ফালিলে। সেইযোৰ মোৰ বৰ মৰমৰ আছিল, জানা।" (তাৰমানে আৰু এজোৰ লাগে।) বিয়া কৰোৱা নাই কিন্তু কৰাম কৰাম বুলি দাম বঢ়াই থকা ডেকাবোৰলৈ মাজৰ মানুহে (ঘটক) লিখে—"ছোৱালী ঠিক হৈ আছে। তুমি আহি পচন্দ কৰি গলেই হয়। টকা পইচাৰ কথা চিন্তা কৰিব নালাগে। ছোৱালী ফালৰ পৰাই সকলো দিব বুলি কৈছে।" ভালকৈ লিখিব পঢ়িব নজনা গাৱলীয়া ঘৈণীয়েকে লিখে,—"গোন্ধ তেলৰ বোটলটো ঘৰি থাকোতেই শেষ হ'ল। কিহত আহো বুলিও আপুনি নাহিলি দেখোন। যেনেতেনে ছুটীখিনি লৈ আহিবা।"

অৱশ্যে তোমাৰ চিঠিখন সম্পূৰ্ণ বেলেগ। চিঠিত লিখিছিলা যে তুমি মোক কি বুলি সম্বোধন কৰিবা। মৰমৰ 'অমুকদা' বুলি বিয়া হোৱাৰ পিছত তোমাৰ লিখিবৰ মন নোযায় হেনো। কিবা নতুনকৈ লাভত পৰি লিখা চিঠি যেন লাগে। আৰু কি লিখিছিলা? প্ৰিয়তম, বুলি সম্বোধন কৰোতে যাত্ৰা-পাৰ্টিত নাৰীয়ে বজাক মতা যেন লাগে। এৰা, আমাৰ অসমীয়া মাত-কথাত

এইখিনিতেই দিগ্‌দাৰ। স্বামী হলেও ঘৈণীয়েকে গিৰিয়েকক স্বামী বুলি মামাতে। গিৰিয়েকেও ঘৈণীয়েকক ঘৈণী বুলি আৰু বোৱাৰীয়েকেও শহুৰেকক 'শহুৰ' বুলি নামাতে। ভিনিহিয়েকে খুলশালীয়েকক 'ঐ খুলশালী' বুলি সম্বোধন নকৰে। এইবোৰ এনেযে কিছুমান নিয়ম হৈ গল যিবোৰে সম্বন্ধ বুজালেও মাতিব নোৱাৰি।

"ভাই" শব্দটো পুংলিঙ্গ। কিন্তু যেতিয়া ছোৱালীয়ে ছোৱালীক ভাই বুলি মাতে তেতিয়া ই হয় স্ত্ৰীলিঙ্গ। মাইৰণী বাইদেউৰ গিৰিয়েকজন ভিনিদেউ নহয় কিয় বাৰু। সেইজন কাৰ ল'ৰা বা কাৰ ছোৱালী বোলোতে আমি সাধাৰণতে বাপেকৰ নামটোহে কওঁ। শিশুটো অকল জানো বাপেকৰেই? মাকৰ ভাগ নাই জানো? বিয়াৰ আয়োজন তেখন ঘৰত হব বুলিয়েই এজন দৰা আৰু এজনী কন্যাৰ মাজত তেখন বিয়া হব নোৱাৰে। —বিয়া এখনেই। চাহ বাগানত থকা মাইকী মহৰীজন মাইকী মানুহ নহয়—তেওঁ মাইকী বন্ধুৱা-বোৰৰহে মহৰী। আমাৰ বহুতো মাতুহে কাৰৈজনী বুলিহে কয়। আচলতে সকলোবোৰ কাৰৈ মাত্ৰ জানো মাইকী? ডেকা উপাধিটোৱে যুৱক আৰু বুঢ়া-গোঁহাইৰ উপাধিটোৱে বুঢ়াক সুবুজায়। চকু এটা কণা হৈয়ো যদি পদ্মলোচন নাম পাব পাৰে, কিৰকিৰিয়া দেহৰ মানুহ এজনৰ নাম ভীমসেন হোৱাটো একো আচৰিত নহয়। উজনি অসমৰ ঠায়ে ঠায়ে ব্যৱহাৰ হোৱা 'মতা লৰা' আৰু 'মাইকী ছোৱালী' বোলাৰ কোনো প্ৰয়োজন নাই। লৰা হলে মতা আৰু ছোৱালী হলে মাইকী হবই লাগিব। আজি-কালিৰ নামবোৰতো মতা-মাইকী একো ধৰিব নোৱাৰা হ'ল। এই নামৰ গণ্ডগোলৰ কাৰণেই আমাৰ কলেজত এটা সাধাৰণ ঘটনা ঘটি গৈছিল।—

কলেজৰ দ্বিতীয় বাৰ্ষিকৰ বিমলা শৰ্মা নামৰ লৰা এজনে কলেজ চৌহদৰ মাইনিত পৰি থকা ফাউণ্টেন পেন এটা পালে। পেনটোত নাম লিখা আছিল 'কামিনী ফুকন'। পেন পোৱা লৰাটোৰ গাত তত নাই। পেনটো ঘূৰাই দিয়াৰ চলেৰে নতুনকৈ এজনী (কামিনী ফুকন) ছোৱালীৰ লগত চিনাকি হব পৰাটো কিমান গৌৰৱৰ কথা। বিমলা শৰ্মাই ইতিমধ্যে কলেজৰ নোটিচ বৰ্ডত এখন নোটিচ আৰি দিলে যে 'কামিনী ফুকনে' তেওঁৰ হেৰোৱা পেনটো শনিবাৰে ক্লাছ শেষ হোৱাৰ পাছত কলেজ কেণ্টিনৰ ডেৰ নম্বৰ কমটোৰপৰা নিব পাৰে। নোটিচখন পাই কামিনী ফুকনৰো ভাল লাগিল। যি হওঁক পেনটো যেয়ে সেয়ে পোৱা নাই—ছোৱালী এজনীয়েহে পাইছে। "বিমলা শৰ্মা"—কিমান ধুনীয়া নামটো। বৈদ্য 'চিজ' হব নিশ্চয়। পেন অনাৰ চলেৰে চিনাকিটো হ'লে অশেষ ধন্যবাদ দি কেণ্টিনত চাহ খুৱাব লাগিব। নোটিচ বৰ্ডত লিখা আখৰবোৰ

ইমান ধুনীয়া ! ধুনীয়া হাতৰ আখৰ লিখিব পৰা মানুহবোৰ বোলে বৰ মৰমিয়াল। বিমলা শৰ্মা ছোৱালীজনীও বৰ মৰমিয়াল হব চাগৈ।

শনিবাৰে ক্লাছ ছুটীৰ পিছত বিমলা শৰ্মাগৈ কলেজ কেন্টিনৰ তেৰ নম্বৰ কমত অলপ আগতীয়াকৈ সোমাই থাকিল। 'এই আহিব' 'এই আহিব' বুলি ভাবি থাকোতেই দহ মিনিট গলেই। নিজকে সান্ত্বনা দিলে—হাজাৰ হওঁক ছোৱালী মানুহ, আহোতে অলপ পলম হবই। আমাৰ লৰাৰ দৰেতো দপ্‌দপাই খোজ কাঢ়ি নাহে নহয়। এনেকৈ ভাবি থাকোতেই কামিনী ফুকন নামৰ লৰাজন আহি কলেজ কেন্টিনৰ তেৰ নম্বৰ কমটোত সোমাই পৰিল। সোমাইয়ে দুয়ো দুয়োৰো চকুৰ পিনে কিছুপৰ চাই থাকিল। কামিনী ফুকনে বিমলা শৰ্মাৰ পকেটত নিজৰ পেনটো দেখি ধন্যবাদেৰে সৈতে হাতখন আগবঢ়ালে। বিমলা শৰ্মা মনে মনে অগ্নি শৰ্মা হৈ উঠিল। লৰাৰ বুলি জনাইছেতেনতো সি পেনটো ঘূৰাই নিদিলেহেঁতেন। বিমলা শৰ্মাই কামিনী ফুকনক ইমান প্ৰশ্ন সুধিলে যে পেনটো, পেনটো পাৰিলে নিদিবলৈকে ইচ্ছা। পিচে যেন পেনটো দি 'ধেৎতেৰি' বুলি এটা স্বস্তিৰ নিশ্বাস পেলালে। ভৱা কথাবোৰ এনেকৈয়ে ওলোটা হৈ যায়। মানে যিটো হব লাগে সেইটো নহয়। তবে কিছুমান সাধাৰণ উদাহৰণ চোৱা—জুং হুমুৱা অফিচত পানীৰ টিংবোৰত 'Fire', 'অগ্নি' অৰ্থাৎ জুই বুলি লিখা থাকে। কিন্তু সেই টিনবোৰত জুই নাথাকে, —থাকে পানীহে। শস্য উৎপাদন কৰে যেতিয়া খেতিয়ক বিলাকৰ খোৱা মুঠিৰ চিন্তা নাই বুলি ভবাটো ভুল। খেতিয়কে খাবলৈ নাপায়, তেলিৰ মূৰত তেল নাথাকে, গোৱালে গাখীৰ খাবলৈ নাপায়, মুচিৰ ফটা জোতা, দৰ্জীৰ কাপোৰৰ অভাৱ, ড্ৰাইভাৰৰ নিজা গাড়ী নাই, হাউচিং অফিচৰ নিজা ভাল ঘৰ এটা নাই, কমাৰৰ ঘৰত ভাল দা-কুঠাৰ নোপোৱা, সোণাৰীৰ ঘৰত সোণ নাই, ইঞ্জিনিয়াৰৰ ঘৰত ইঞ্জিন নাথাকে, মিস্ত্ৰীয়ে ভগা ঘৰত থাকে তেনেদৰে অভিনেতাবোৰে নাটকত যেনেকৈ অভিনয় কৰে তেনেকৈ তেওঁলোকৰ সঁচা জীৱনটোৰ অভিনয় কৰিব নাজানে।

এইবাৰ আহা, নাট্যজগতৰ কথা কওঁ। এই কথা গোটেই অসমতে খাটে যদিও ছিলঙত ই বেছি প্ৰযোজ্য। ছিলঙত বছৰটোৰ ভিতৰত অসমীয়া নাটকৰ অভিনয় দুখনমানহে হয়। চাবৰ ইচ্ছা থাকিলেও টিকতৰ হাৰ দেখি মনটো সেৰেকি যায়। টিকটবোৰ হয় একোখন "ইনভাইটেশ্যান কাৰ্ড।" নহলে যে চেলটেক্স দিব লাগিব। নাটক অভিনয় কেতিয়াবা চাবলৈ গলে কিছুমান আপদীয়া দৰ্শকৰ উৎপাতত মুকত থকাটোৱেই অসম্ভৱ হৈ পৰে। এবাৰ জ্যোতি প্ৰসাদ আগৰৱালা দেৱৰ ৰচিত 'কাৰেঙৰ লিগিৰী' নাটৰ অভিনয় চাবলৈ গলো।

নাটক অভিনয় আৰম্ভ হল নিৰ্দ্ধাৰিত সময়তকৈ দেৰ ঘণ্টা পিচত। যি হওঁক নাটকৰ অভিনয় আৰম্ভ হোৱাৰ আগে আগে এজনী গায়িকাই আৰম্ভনি গীত এটি গালে। গীতটি আধামান শেষ নোহওঁতেই মোৰ কাষত বহা ভদ্ৰলোকজনে অলপ জোৰেৰে মুখখন মেলিলে: 'আহা হা কি গলা!' লগে লগে পিছ ফালৰ পৰা চিঞৰ আহিল,—'গলা নহয় ঐ—নলা, নলা।' গীতটি সিমানতে শেষ কৰি গায়িকা মঞ্চৰ পৰা গুচি গ'ল। তাৰ পিছত নাটকৰ অভিনয় চলিল। এবাৰ ৰজাই ৰাজমাওক ক'লে—"কাবেঙৰ লিগিৰীক মই কাবেঙৰ কুঁৱৰী কৰিম।" দৰ্শকৰ মাজৰ পৰা কোনোবা এজন ডেকা দৰ্শকে চিঞৰি উঠিল—"ঐ কৰ নবীন, কৰ। আমাকো দিবি।" ৰজাৰ ভাওলোৱা মানুহ-জনৰ নাম নবীন আছিল হবলা। ৰজাৰ প্ৰস্থানৰ পাচত কাবেঙৰ লিগিৰীজনী মঞ্চত প্ৰবেশ কৰিলে। আকৌ কোনোবাই চিঞৰা শুনিলো— "এক্সৰ, এক্সৰ, অলপ আমাৰ পিনেও চাবা বাঁণা।" তাৰ চিঞৰতে কাৰোবাৰ কেঁচুৱাৰ কান্দোন ভাঁহি আহিল। আকৌ চিঞৰ বাখৰ আৰম্ভ হ'ল—"পিয়াহ খুড়ীৰা, বাহিৰত লৈ যোৱা, কেঁচুৱা তুলিব জানিলেই নহয়, ৰাখিবও জানিব লাগে। সেউতাক নাহ যদি মোৰ কোলাতে দিয়া।" আৰু লগে লগে পি, প্যা, স্বইট্-স্বইট, কিছুমান বিকট শব্দ। —ভাবিলো ওলাই গুচি যাওনেকি। কিন্তু থিয়েটাৰৰ মোহ এৰিব নোৱাৰি আকৌ বহি থাকিলো। এই চিঞৰ-বাখৰ লগোৱাবোৰ কোন জানানে? ইহঁতক থিয়েটাৰত পাৰ্ট দিয়াৰ কথা আছিল কিন্তু নিদিলে বা ভাগত নাপালে। নাইবা কোনো দিনে টিকট কাটি নোপোৱা ইহঁতৰ পৰা হয়তো গেট কিপাৰে টিকট বিচাৰিছিল, পিছত যেনিবা জোৰকৈ সোমালে ইত্যাদি ধৰণৰ। তদুপৰি অভিনেতা, অভিনেত্ৰীবোৰক নাওঁচ কৰাটো ইহঁতৰ আন এটা প্ৰধান উদ্দেশ্য। ভাল অভিনেতা অভিনেত্ৰী কেতিয়াও নাওঁচ নহয়। কিয়নো নাওঁচ নোহোৱাটোৱেই অভিনেতা-অভিনেত্ৰীৰ বিশেষ গুণ। আচলতে থিয়েটাৰ চোৱা কিছুমান নিৰ্দিষ্ট মানুহ আছে, যানে অসমীয়া থিয়ে-টাৰ চোৱা। কিছুমান সমালোচকৰ মতে অসমীয়া অভিনেতা আৰু অভিনেত্ৰী-বোৰে প্ৰেম কৰিব নাজানে। তেওঁলোকৰ প্ৰণয় মধুৰ দৃশ্যটো ভিনিকুটিমানৰ আঁতৰত আৰম্ভ হৈ শেষ হয়। অসমীয়া বুজি নোপোৱা দৰ্শক যদি থাকে তেনেহলে অভিনেতা-অভিনেত্ৰীৰ প্ৰণয় মধুৰ দৃশ্যটো কোনোবা ভায়েক ভনীয়েকৰ 'কিবা' বুলিহে ভাবি ল'ব। অসমীয়া কথাচবিটো এনে কিছুমান ভুল সৰ্ব-সাধাৰণতে ধৰা পৰে। টকা-পইচা নহলেও শিল্পী মনৰ অভিজ্ঞতাৰে

এই ভুলবোৰ সংশোধন কৰি লব পাৰে। 'অসমত শিল্পীৰ আদৰ নাই' বোলা কথাষাৰ সম্পূৰ্ণ সঁচা নহয়। আচলতে ভাল শিল্পীৰহে অভাৱ। দৰ্শকে সেইজন শিল্পীকহে আদৰিব যিজনে, খৰছ কৰা ধনৰ পৰিমাণতকৈ অধিক মনৰ খোৰাক যোগাব পাৰে। শিল্পীৰ প্ৰধান উদ্দেশ্য হব লাগে—সৰ্ব্বসাধাৰণক মনৰ খোৰাক যোগোৱাটো। সুন্দৰৰ সাধনা শিল্পীৰ একানপতীয়া গুণ। যুগৰ লগত খাপ খুৱাই শিল্পীয়ে এই সুন্দৰক সুন্দৰতম কৰিব পাৰিব লাগে। "প্যাৰ", "মহব্বত" এই শব্দ দুটা নাথাকিলে হিন্দী গান এটা যেনেকৈ সকলোৰে ভাল নালাগে তেনেদৰে সময়ৰ লগত খোজ মিলাব নোৱাৰা শিল্পীকো ভাল নালাগে। অভিনয় জগতত মানুহৰ চৰিত্ৰ বেয়া হয় বুলি কোনো কোনো মহলে বৰকৈ সমালোচনা কৰে। কিন্তু তেওঁলোকে এইখিনি কথা ভাবি নাচায় যে অভিনয় জগতত নথকাও বহুত মানুহ আছে যাৰ চৰিত্ৰৰ অৱনতিয়ে চৰমসীমা পাইছেগৈ। চৰিত্ৰ হ'ল মানুহৰ নিজা সম্পত্তি। কোনোবাই অভিনয় কৰক বা নকৰক তাৰ যদি চৰিত্ৰ বেয়া, এনেযে বেয়া। অভিনয় কৰিবলৈ যাওঁতে যদি চৰিত্ৰ বেয়া হয় তেনেহলে তাৰ চৰিত্ৰই বেয়া। অভিনয় কাৰ্য্য তাৰ বাবে দোষী হব নোৱাৰে। এইখিনিতে আমাৰ শৰত আৰু দীপিকাৰ কথা মনত নেপেলোৱা কিয়?

ডেকা শৰতক বিয়া কৰালে দীপিকাই। সি অভিনেতা নাছিল। অথচ সি চৰিত্ৰহীন। নিজৰ ভাই ভাতিজাকতকৈও খুলশালী বেছি আপোন। খুলশালীয়েকক ঘৰত ৰাখি ভতিজাকক ভাত ৰান্ধিবলৈ দিয়া উদাহৰণো অনেক দেখিছো। খুলশালীয়েক ছোৱালী হলেতো কথাই নাই—তাই আৰু বেছি আপোন। তাই লাগে ভিনীয়েকক শুটি খাবক। তুমিতো জানাই, ইউৰোপীয়ান চাহাবৰ দৰে দেখাত ফটকটীয়া মোৰ বন্ধু ইঞ্জিনিয়াৰ শৰতক নাপালে দীপিকাই হেনো বিয়াকে নকৰায়—চিৰ জীৱন কুমাৰী হৈয়ে থাকিব। শৰত বন্ধু হলেও দীপিকা সম্বন্ধত মোৰ খুলশালী। তাই শৰতকৈও বেছি আপোন। সেয়ে তাইক দঢ়াই দঢ়াই কৈছিলো—চৰিত্ৰহীন শৰতৰ লগত বিয়াত নবহিবলৈ। তেতিয়া তাই মোৰ কথালৈ আওকাণ কৰিছিল। কেইদিনমান আগতে দীপিকাৰ পৰা চিঠি এখন পাইছিলো। তাই লিখিছে—সিহঁতৰ বিবাহিত জীৱন বোলে বিষময় হৈ পৰিছে। মোৰ কথা শুনি হেনো, তাই জীৱনত বৰ ডাঙৰ ভুল কৰিলে। মই তাইলৈ লিখিছো—"বিলাতী দমৰা নহলে বোলে বিয়াকে নকৰাৱ, থাক এতিয়া বিলাতী বগা দমৰাৰ লগত।" তুমিয়েই কোৱাচোন বাৰু তাইলৈ মই ইয়াৰ বাহিৰে আৰু কি লিখিব লাগিছিল। সিহঁতৰ সংসাৰ সিহঁতৰ কথা।

তাক আনক জনোৱাটো ভুল। ভুল কথা এটা কোৱা বিমান দোষ ভুল কথা এটা লিখা তাতোকৈ বেছি দোষ। সুখৰ সংসাৰ এখন গঢ়ি তুলিবলৈ লাগে পতি-পত্নীৰ অনেক চেষ্টা—আকুল হেঁপাহ। পতি-পত্নীৰ মনৰ মাজত তৃতীয় ব্যক্তি প্ৰৱেশ কৰিলে সেই সংসাৰ বিষময় হৈ উঠে। সুখৰ সংসাৰ এখন গঢ়ি তোলাটো পতি-পত্নী উভয়ৰে যুটীয়া দায়িত্ব। তাকে নকৰি শৰতে দীপিকাক মূৰ্খৰ দৰে মোৰ ওচৰলৈ পঠাব খোজে কি সতে? এনেয়েনো কয়নে মূৰ্খ বন্ধুতকৈ জ্ঞানী শত্ৰু বেছি ভাল। শৰত আৰু দীপিকাৰ মাজত হোৱা মতভেদ সিহঁতৰ সংসাৰিক জীৱনৰ এটা ডাঙৰ দুৰ্ভাগ্য। শৰতেও হয়তো জীৱন সঙ্গিনীৰূপে আকৌ এজনী আনিব পাৰিব আৰু দীপিকাকও হয়তো নতুনকৈ এজনৰ ওচৰত অৰ্পন কৰিব পাৰিম। কিন্তু তুমি জানানে নিকা?—এবাৰ শুকাই যোৱা ফুল এপাহত পানী দিলে সি সজীৱ নহয়,—পচিহে যায়। শৰতে দীপিকাৰ দৰে ছোৱালী পাইও ৰাখিবৰ ইচ্ছা নকৰে আনহাতে তোমালোকৰ ঘৰৰ ওচৰৰ ৰমণী প্ৰফেচাৰে নাৰ্চ এজনীকে বিয়া কৰাই ভুত নাপায়।

: ৰমণী প্ৰফেচাৰে নাৰ্চ কিয় বিয়া কৰাব লগা হ'ল?

: এৰা, নকৰা বুজিছা। ইও এক অদ্ভুত ৰহস্য। ক'ৰ প্ৰফেচাৰ আৰু ক'ৰ নাৰ্চ। প্ৰফেচাৰৰ প্ৰেম শ্ৰেণীৰ ছাত্ৰীৰ লগত সম্ভৱ হব পাৰে, সেইবুলি নাৰ্চ এজনীৰ লগত কেনেকৈ সম্ভৱ হ'ল? গোটেই ছাত্ৰ জীৱনটো অভিভাৱকৰ কঢা শাসনৰ তলত থাকি পঢ়ি অহা কিছুমান ভদ্ৰলোক যেতিয়া নতুনকৈ প্ৰফেচাৰ হয় তেতিয়া ক্লাছত দেখা ছোৱালীবোৰক তেওঁ কোনোদিনেই নেদেখা কিবা বস্তু যেন দেখে। সেইবোৰ ছোৱালীয়ে 'চাৰ' বুলি মতা শব্দটোত তেওঁলোকে ফুল সৰি পৰা যেন দেখে। "এইটো বুজিছানে নাই" বুলি ছোৱালী বোৰলৈহে চায়। এই চাৱনিত থাকে মৰম মিহলি ভয়।

কিন্তু,—

ৰমণী প্ৰফেচাৰ তেনেকুৱা মানুহ নাছিল। তাতে আকৌ ৰমণী প্ৰফেচাৰ হ'ল গুৱাহাটীতে চাকৰি কৰা মানুহ। বিয়া কৰোৱা নাৰ্চ গৰাকী আছিল ছিলঙৰ কোনোবা এখন হস্পিতালৰ। পাহাৰৰ ওপৰতে ডাঙৰ হোৱা ছোৱালী, ভৈয়াম বুলি ঠাই এডোখৰৰ কল্পনা কৰিব নোৱাৰা বিধৰ। তেনেকুৱা ছোৱালী এজনীয়ে ৰমণী প্ৰফেচাৰক বিচাৰি উলিওৱা বুলি কলে কোনেও পতিয়ন নাযায়। সেয়ে মনতে প্ৰশ্ন জাগে—ৰমণী প্ৰফেচাৰে 'লাইলা' বোলা নাৰ্চ গৰাকীক কেনেকৈ চিনি পালে? ইও এক ৰহস্য। ৰহস্যৰ মাজেৰেই মানৱ জীৱনৰ গতি আৰম্ভ হয় আৰু শেষও হয়। ৰহস্যৰ মায়াজালত আহি—মকৰা জালত

আৰম্ভ হোৱা একোটা পকৰাৰ দৰে।

খোৰতে কৰলৈ হলে ৰমণী প্ৰফেচাৰৰ বন্ধু ডাক্তৰ নীহাৰ দত্ত ইয়াৰ ঘাই শিপা। ডাঃ নীহাৰ দত্ত ছিলঙৰ ৰবার্ট হাস্পাতালৰ এজন নামজলা ডাক্তৰেই নহয়, সমাজত প্ৰতিপত্তি থকা মানুহ। বাগিছাৰ কুলী-ছোৱালীবোৰৰ ওপৰত মেনেজাৰৰ যেনে হাত থাকে তেনেদৰে ডাক্তৰ বোৰবো নাৰ্চবোৰৰ ওপৰত হাত থাকে। ৰমণী প্ৰফেচাৰ প্ৰায়েই বন্ধু ডাক্তৰৰ ঘৰলৈ আহে। তেওঁ ইমান সঘনে আহিছিল যে বনৰ ওপৰেৰে খোজ কাটি অহা হলে এটা বাট পৰি গলহেঁতেন। ডাক্তৰ দত্তই প্ৰফেচাৰ বন্ধুক অপ্যায়িত কৰে 'লাইলা' নামৰ নাৰ্চ গৰাকীৰ হতুৱাই। লাইলাৰ যৌৱনৰ দেহভঙ্গিমাই তেতিয়াও 'মোক খা, মোক খা' কৰি থকা সময়। ভোক নপলালেও তৃপ্তি পোৱা বস্তুবোৰ উপভোগ কৰি বেছি ভাল লাগে। সেয়ে ভাল লাগিছিল ৰমণী প্ৰফেচাৰৰ। অৱশেষত তেওঁ নাৰ্চ গৰাকীক বিয়া কৰাবলৈ আগ বাঢ়ি আহিছিল। লাইলাই বুজিছিল,—যিবোৰে দুৰ্ব্বলতাক বেমাৰ বুলি ভাবে সেই-বোৰক আনে পৰিচালিত কৰিবলৈ বৰ সহজ। লাইলাই এই সুযোগক স্বাগতম্ জনাইছিল। গতিকে তাই ৰমণী প্ৰফেচাৰৰ লগত বিয়াত সোমোৱাত অকনো বিঘিনি নাছিল। ইয়াত তুমি কাক দোষ দিবা? নাৰ্চজনীক? প্ৰফেচাৰক? নে ডাক্তৰক? সমাজিক দোষ ইয়াত থাকিব পাৰে কিন্তু প্ৰকৃতিগত দোষ ইয়াত নাই। ভাল পোৱা প্ৰকৃতি। মানুহৰ এটা সময় আছে, যি সময়ত পৃথিৱীলৈ অমৃত বৰষে। গছে-পাতে কথা কয়, ফুলে ফুলে মৰম বিলায়। ৰমণী প্ৰফেচাৰেও দেখিলে—পৃথিৱীলৈ বসন্ত নামিছে। তেওঁৰ এই বসন্তৰ উৎস হল নাৰ্চজনী। শেষত তেওঁৰ প্ৰেমৰেই জয় হল,—লাইলা নাৰ্চজনীক বিয়া কৰাই ঘৈনী কৰি ললে।

ঘৈণী দুবিধ। নগদ-ঘৈণী আৰু বাকী-ঘৈণী। সামাজিক ভাবে বিয়া পাতি যি জনীৰ লগত বৈধ মিলন হয় সেয়ে নগদ-ঘৈণী। এনেবোৰ ঘৈণী গিৰিয়েকৰ দুখতে দুখী আৰু গিৰিয়েকৰ সুখতে সুখী। দুদিন খাবলৈ নাপালেও মুখেৰে নামাতে।

দ্বিতীয় বিধ ঘৈণী কিন্তু তেনে নহয়। তেওঁ অবৈধ মিলনৰ প্ৰতি বেচ সঁহাৰি যোগাব পাৰে। এদিন খোৱা লোৱাত কষ্ট পালেই অথবা পিন্ধন উৰণত অসুবিধা পালেই গিৰিয়েকৰ গাত জপিয়াই পৰে। কোনোবাই নিজৰ ভুল যদি বুজিব পাৰি বাকী-ঘৈণীক এৰি দিব খোজে তেনেহলে তেওঁ চিৰ-দিনৰ বাবে ভৰণ পোষণ দিবলৈ বাধ্য হব লাগে। নহলে বাকী-ঘৈণীয়ে যদি

সন্তান কোলাতলৈ নগদ-ঘৈণীৰ ওচৰত হাজিৰ হব লাগিল তেওঁৰ পিনে অখ্যা পৰিধ। বিয়া নকৰোৱা স্বত্বেও চিৰদিনৰ বাবে পোহপাল দিব লগা হয় বাবেহ এনেবোৰ ঘৈণীক বাকী-ঘৈণী বোলে।

ছিলঙত বাকী-ঘৈণী বহুতো পোৱা যায়। যি ছিলঙৰ বজাৰ বোম আনাই বাকীত চলে সেই ছিলঙতে বাকী-ঘৈণী থকা বুলি অনেকে হয়তো বিশ্বাস কৰিবলৈ টান পাব। বিশ্বাস কৰিবলৈ টান লাগিলেও ই কিন্তু আখৰে আখৰে সঁচা। ছিলঙত চাকৰি কৰা ভৈয়ামৰ বহুত মানুহ আছে যিয়ে ঘৰৰ নগদ ঘৈণীলৈ লিখা চিঠিৰ কোলাত কলমৰ ওঠৰ ক'লা থুৰে চুমা খাচে আৰু ইয়াতে থকা বাকী-ঘৈণীৰ গালত নিজৰ ওঠৰ বগা থুৰ চুমা নাচে। ফলত দৰ্মহাৰ টকাৰে নুকুলাহ। ধাৰ লাগে। ঘৰৰ এজনী ঘৈণীয়েক আৰু লৰা এটিক পোহ পাল দিয়াটোৱে তেওঁৰ বাবে দুৰূহ হৈ পৰে। দেখা শুনা মানুহে প্ৰশ্ন বিচাৰে—মানুহজনে টকাবোৰলো কি কৰে? —তেওঁলোকেতো নাজানে, কুৰি শতিকাত যে 'বাকী-ঘৈণী' বুলি এবিধ নতুন ঘৈণী বাহিৰ হৈছে? বাকী-ঘৈণী থকা মানুহবোৰ দেখাত শান্ত, পোছাকত সাধাৰণ আৰু কথাত মৌ ৰৰষা। যেন তেওঁৰ দৰে ভদ্ৰ মানুহ আৰু ইহ সংসাৰত নাই। এনেবোৰ মানুহে বৰ ভয় ভয়কৈ চলে। সেই ভয় আনলৈ নহয়,—নিজৰ মনটোৰ ওপৰতে এটা ডাঙৰ ভয়। জানোচা হঠাতে কিবা হৈ যায়।

ভয় তিনিবিধ। চৰম ভয়, মৰম ভয় আৰু গৰম ভয়। জীৱনৰ নিৰাপত্তালৈ মানুহে যি ভয় খায় তাকে চৰম ভয় বোলে। আৰু মৰমৰ ডোলদাল চিঙি যাব বুলি মানুহে যি ভয় খায় তাকে মৰম ভয় বোলে। বাঘৰ আক্ৰমণ—চৰম ভয়ৰ এটা উদাহৰণ। পুত্ৰই পিতা-মাতালৈ কৰা ভয়, ছাত্ৰই শিক্ষকলৈ কৰা ভয়, আদি মৰম ভয়ৰ ভিতৰত পৰে। বাকী-ঘৈণী থকাবোৰে মৰম ভয়খিনি কেতিয়াবা চৰম ভয়লৈ ৰূপান্তৰিত হব পাৰে বুলি নিজৰ অন্তৰতে এটা সেই পুৰি মৰা ভয় খায়,—ইয়াক কোৱা হয় গৰম ভয়।

: আপুনি আকৌ আনৰ দোষবোৰ খুচৰিহে ভাল পায়?

সেইবাবেই কৈছো—সামাজিক দোষবোৰ কেতিয়াবা কেতিয়াবা ইচ্ছাকৃত ভাবে নহয়। আমাৰ ঘৰুৱা কথা কিছুমানকে চোৱাচোন বাৰু। ধৰা এঘৰ মানুহৰ ঘৰলৈ নিমন্ত্ৰণ খাবলৈ গ'লা। প্লেটত দিয়া সকলো বস্তুকে যদি তুমি খাই শেষ কৰা তেনেহলে মানুহে ভাবিব—"কি ৰাক্ষস। নোপোৱাই পোৱাৰ দৰে খায়।" আনহাতে প্লেটত যদি এৰি অহা তেনেহলে কব—"নালাগে দিয়কচোন অগ্ৰামিটো দেখুৱাব' সেইখিনি খালে পেটতো ফাটি নাযায়।" ধৰি-

লোৰা এখন আসনো খালি নথকা চিটি বাচ এখনত এজনী গাভৰু উঠি থিয় হৈ আছে। ওচৰতে বহি থকা ডেকা লৰাজনে পুতৌ কৰি বেচেৰীক চিটটো এৰি দিলে। মতা মানুহৰ চকুৰ আগত তিৰোতাই দুখ কৰাটো কেতিয়াও সহ্য নহয়। আৰু সেয়ে হবলা লৰাজনে চিটটো এৰি দিছিল। কিন্তু দেখা মানুহে কথাটো তেনেকৈ নাভাবে। তেওঁলোকে ভাবিব ছোৱালীজনীৰ মুখলৈ চাইহে অৰ্থাৎ ভাল পাওক বুলিহে লৰাজনে চিটটো এৰি দিছে।

এনেকুৱা ক্ষেত্ৰত দোষগুণ বিচাৰিবৰ সময় নাথাকে। বিশেষকৈ তিৰোতাৰ সান্নিধ্যত। সন্মানসূচক ব্যৱহাৰ নাৰীয়ে সদাই পাই। সেয়ে সকলো ক্ষেত্ৰতে তিৰোতাই প্ৰথম সুবিধা পায়। স্কুল কলেজত লৰাৰ বাবে নাথাকিলেও ছোৱালীৰ বাবে 'কমন ৰুম' এটা থাকিবই। চিটিবাচত চিট নাথাকিলেও ছোৱালীৰ কাৰণে ড্ৰাইভাৰৰ ওচৰত চিট এটা ওলাবই। চিট নপাব নথকা কোনোবা চিনেমা হলত কিছুমান লৰাই কাষৰ চিটটোত ৰুমাল বান্ধি কোনোবা থকা বুলি আনক বহিবলৈ নিদিয়ে। কিন্তু কোনোবা ছোৱালী সোমাই আহিলে লাহেকৈ ৰুমালখন তাৰ পৰা আতৰাই থয়। তাৰ অৰ্থ এয়েই যে খালি চিটটো দেখি ছোৱালীজনী বহে যদি বহক। এনে এটা ঘটনাএ............। এহ, নকওঁ দিয়া।

: কওকচোন, কওকনা।

: শুনা বাৰু। চিনেমা হল এটাত চিনেমা চাবলৈ গৈছিলো। মোৰ আগৰ শাৰীৰ চিট এটাত বহা ডেকা লৰা এজনে এনেকৈ তাৰ কাষৰ চিটটো ৰাখি থৈ দিছিল। চিনেমা আৰম্ভ হ'ল। কিন্তু সি ৰাখি থৈ দিয়া চিটটোত বহিবলৈ আৰু কোনো নাহিল। চিনেমা আৰম্ভ হোৱাৰ লগে লগে আন্ধাৰে মূধাৰে মূৰে গায়ে কাপোৰ মেৰোৱা বিহাৰী কুলী এজন আহি তাৰ কাষৰ চিটটোতে বহিলহি। ওৰণি লোৱা কোনোবা মাইকী বুলি ভাবি লৰাজন ভজৰজাই আহিল। এবাৰ সি নিজৰ নিনিওকৈ হাতখন বিহাৰীজনৰ বাউসীত লগাই দিছিল। বিহাৰী কুলীটোৱে পকেটমাৰ বুলি চিঞৰত গগণ ফালিলে। চিনেমা কন্তেকৰ কাৰণে বন্ধ হল আৰু দেখিলো মানুহে গতিয়াই গতিয়াই লৰাজনক বাহিৰ কৰি পুলিচক সোধাই দিলে। চিনেমা হলৰ কোনো মানুহেই বুজি নাপালে যে সি আচলতে পকেটমাৰ নে আন কিবা? তিৰোতাক সুবিধা দিবলৈ গৈয়েই তাৰ বিপদখন হলগৈ।

আজি কালি চৰকাৰেও তিৰোতাক দিহে প্ৰথম সুবিধা দিয়া হৈছে— মতাবোৰৰ ফালে আথ্যা পৰিব যেন পাইছো। মটৰ যাত্ৰীয়ে মটৰ চৈওত

নিজৰ নিজৰ ঘৈনীয়েকইতক আগবঢ়াই দিব টিকট কিনিবলৈ। তেতিয়াহে যদি টিকট পোৱাৰ আশা। ঘৈণী নোহোৱাবোৰৰ চাৰিওকালে মৰণ। ঘৈণী-জনী যেন ঘৈণী নহয়, য'তে ত'তে সুবিধা পোৱা এখন পাচপোৰ্টহে। ঘৈণী থাকিলে ঘৰৰ পাৰ্ট ভাৰা পায়, টিউশ্যন পায়, থিয়েটাৰত সহ অভিনয় কৰিব পাৰি, চৰকাৰৰ কোৱাৰ্টাৰ পাব পাৰি, ঘৈণীৰ Advance Stage হ'লি সখনে ছুটীলৈ থাকিব পাৰি। তদুপৰি গাড়ীৰ টিকট লোৱা সুবিধাকনো কম ডাঙৰ সুবিধা নহয়। পিছে গাড়ীৰ টিকট কিনিব পৰা ঘৈণীয়ে বা অসমত কিমানজনী আছে। তিৰোতাই টিকট কিনা ঘটনা এটা কওঁ শুনা।

গাঁৱৰ অশিক্ষিত ছোৱালী বিয়া কৰোৱা ভদ্ৰলোক এজনে ঘৈণীয়েকক টিকট কিনিবৰ বাবে ভিতৰ দুৱাৰেদি পঠিয়াই দিলে। লৰা-ছোৱালী তিনিটা, ঘৈণীয়েক আৰু নিজৰ বাবে মুঠ পাচোটা টিকট কিনিবৰ বাবে গিৰিয়েকে ঘৈণীয়েকৰ হাতত পইছা দি ভতৰলৈ পঠিয়াই দিলে। বেচেৰীয়ে ভিতৰ দুৱাৰেদি সোমাই গৈ Booking Clerkক টিকট খুজিলে। Booking Clerk এ পইছাৰ কথা কোৱাত টিকটৰ দাম অলপ কমকৈ ধৰিবলৈ কলে। খোপতে পাচোটা টিকট কিনিব যেতিয়া অলপ কম দামত নিদিলে কেনেকৈ হব? Booking Clerk জনে কথাটো বুজি পাই ৰগৰ কৰি কলে—"ইয়াতকৈ কমত দিব নোৱাৰো, আমাৰ কিনা দামেই নহয়, লাভটো দূৰৰ কথা। কিনা দামেই হুঠে। আপুনি তিৰোতা মানুহ বুলিহে সিমানতে দিছো।" তিৰোতা গৰাকীয়ে কলে—"জানো আপোনালোকে কিয় ইমান দাম দৰ কৰে? মোক ভোদা বুলি ভাবিছে হবলা? মই কিন্তু ইমানতকৈ বেছি নিদিওঁ।" সকলুৰা তৰ্কাতৰ্কি হোৱাত গিৰিয়েকে যেনিবা ভিতৰলৈ সোমাইগৈ ঘৈণীয়েকক লৈ আহিল। বেচেৰাৰ তেতিয়া বৰ লাজ লাগিছিল চাগৈ।

এই তিৰোতা মানুহবোৰে কেতিয়াবা বৰ লাজত পেলায় বুজিছানে? সিবাৰ ৰমলা পেহী ছিলঙলৈগৈ মোক জানো অলপ লাজ দিলে?

আমাৰ গাৱঁৰ ৰমলা পেহীৰ বৰ অসুখ হৈছিল নহয়? পেহীক চাওঁতা কোনো নাই বাবে মই ছিলঙলৈ নিয়াই হাস্পাতালত ভৰ্ত্তি কৰি দিছিলো। পেহীৰ বেমাৰটোও বৰ মন কৰিবলগীয়া আছিল। কিবা এটা বস্তুই বোলে পেহীৰ বুকুৰ পৰা ওলাই গুম্ গুম্ গুম্ গুমকৈ গোটেই গাটোত দৌৰি ফুৰে, মাজে মাজে বোলে বুকুৱে-পিঠিয়ে শেল মাৰি ধৰে আৰু তলপেটটোত হান্ মাৰি ধৰি হুম হুম, হুম হুমকৈ বহি যায়। পেহীয়ে বোলে তেতিয়া চকুৰ্বী পৰপৰীত বৰ নোৱাৰে। কি অদ্ভুত বেমাৰ!

যি হওক দুমাহৰ পিচত যেনিবা পেহীৰ বেমাৰ ভাল হ'ল। ভাল হোৱাৰ পিচত এদিন মোক মাতিলে—ছিলং চহৰখন হেনো ভালকৈ দেখুৱাব লাগে। দেখুৱাব ওলালো এদিন। ৰাস্তাত ভৰি দিয়াৰ লগে লগে লগ পালো কেইজনমান চিলেটী বঙালী ভদ্ৰলোক। ঠিক আমাৰ আগে আগে তেখেত-সকলে কথা পাতি গৈ আছে।
: গৌহাটীত যাইতে চোটোমোটো কৰিয়া একটু ডৰ লাগে, বুট্‌ছন্‌নি ? ঐখানে বেছি তেৰি বেৰি কৰিচনাযে। আচামী চেলেৰা বামবুঁ দিবুঁ হালা।"—পেহীয়ে মোক সেইবোৰ ইংৰাজ মানুহনেকি বুলি সোধে। মই হয় বুলি কওঁ। সন্ধিয়া হলত ৰাস্তাৰ বিজুলি-চাকি জ্বলি উঠিল। পেহীয়ে সোধেঃ হাউৰে বাপা! ইগ্‌লাখান গোটাই চাতিয়ে জল্‌ ছিনা ? আইদে মোৰ, তেলবা আছে ক'ত, শীহা বা আছে ক'ত—জলছি আহি ক'ত।" মই "ওঁ" বুলি কৈ থৈ দিওঁ।

আকৌ,—

একোজনী মাইকী মানুহৰ সাজ-পাৰ দেখি পেহীয়ে নাক-মুখ কোঁচাই "আউলা পচু" দিয়ে। পেহীয়ে ৰাস্তাত যিখনহে কৰে মোৰ লাজত মৰি যোৱা যেন লাগে। পেহীয়ে বহুতো দেখিলে,—কাৰোবাৰ পেটৰ মেদ ওলাই থকা, কাৰোবাৰ টেৰিলিনৰ শাৰীৰ মিছা আৱৰণ, পিন মাৰি মাৰি তপিনা টাইটকৈ বন্ধা ক্ৰীনৰ ভাঁজ, চেলোৱাৰ চুইচ পায়জমা ইত্যাদি ইত্যাদি। পেহীৰ কাণ্ড কাৰখানাবোৰ দেখি লগত ফুৰিবলৈ লাজ লাগিলেও মই এটা কথা লক্ষ্য কৰিছিলো যে—পেহীয়ে এখন মাত্ৰ চাদৰেৰে গোটেই গাটো ধুনীয়াকৈ মেৰাই ৰাখিব পাৰিছে, মূৰত এহাত ওৰণিৰ লৈছে, অথচ ৰাস্তাৰে যোৱা প্ৰায়বোৰ তিৰোতাই পাঁচখন কাপোৰ পৰিধান কৰিও গাটো ঢাকিবলৈ সক্ষম হব পৰা নাই। অতীজতে মানুহে ভালকৈ কাপোৰ পৰিধান কৰিব নোৱাৰিছিল বাবে আমি সিহঁতক অসভ্য বুলি বুৰঞ্জীত অঙ্কন কৰি আহিছো। সেইবুলি আজিৰ অৰ্দ্ধনগ্ন দেহ এটাক আমি অসভ্য আখ্যা দিব নোৱাৰো। "টপ লেচেই" হওক বা "বটম লেচেই" হওক আটাইবোৰেই অসভ্যৰ ভিতৰত নপৰে,—পৰে আধুনিকতাৰ ভিতৰতহে। একে অৰ্দ্ধনগ্ন অৱস্থাক এসময়ত কোৱা হৈছিল অসভ্য আৰু এতিয়া কোৱা হৈছে আধুনিক। অসভ্য কোনবোৰ জানা ? যিবোৰক অৱস্থাই অৰ্দ্ধনগ্ন হবলৈ বাধ্য কৰাইছে আৰু আধুনিক হ'ল সিবোৰ যিবোৰে ইচ্ছা কৰিয়ে অৰ্দ্ধ নগ্ন হৈছে। ৰাস্তাৰে গৈ থাকোতে পেহীয়ে মোক সুধিছিল—"নিলাজীবোৰেনো সেইখন কি কাপোৰ পিন্ধিছে অ' নিপিন্ধিলেও হয় দেখোন।" মই কৈছিলো—"চহৰত কাপোৰৰ বৰ দাম নহয় পেহী! সেয়েহে।" ছিলঙৰ

ওৱাৰ্ড লেকৰ পাৰত পেহীয়ে দেখিলে—কোনোবা ডেকাই গাভৰু এজনীৰ কোলাত মূৰ দি শুই আছে। কেইজনমানে আকৌ এজনীকে বেৰি্লৈ বহি আছে, এঠাইতবা আকৌ এজন ডেকা আৰু এগৰাকী গাভৰুৱে পিঠি পিঠি লগাই আউজি আছে। এনে একে ধৰণৰ আৰু ভিন্ ভিন্ দৃশ্য দেখিলে গল্‌ফ লিঙ্ক পথাৰত। পেহীৰ মতে এইবোৰ হ'ল—ছিলঙত শ্ৰীকৃষ্ণৰ ৰাসলীলা। পেহীৰ কথাবোৰত হাঁহিম নে কান্দিম ?

পেহী গাঁৱৰ ঘৰলৈ গুভতি যোৱাৰ তিনিদিনমানলৈকে মই এটা কথা লক্ষ্য কৰিছিলো যে ইন্দুমতীৰ প্ৰেতাত্মাটো ছিলঙত নাই। মানে মই দেখা নাই বা মোক লগ ধৰা নাই। ভাবিছিলো আপদ এজনী গ'ল। কিন্তু সেইয়া আছিল মোৰ মিছা ধাৰণা। পেহী যোৱাৰ চতুৰ্থ দিনৰ পৰা আকৌ ইন্দুমতীৰ প্ৰেতাত্মাৰ লগত মোৰ দেখাদেখি হ'ল।—ৰাতিৰ আন্ধাৰত। সেই একেই কথা সেই একেই সকলো কাৰ্য্যকলাপ।

ইন্দুমতীক বাদ দি তোমাক যে ইমানবোৰ কথা কলো সেই আটাইবোৰেই দৈনন্দিন ঘটি থকা ঘটনা। আমি ঘটনাৰ মাজেৰে জন্ম গ্ৰহণ কৰো, ঘটনাৰ মাজেৰে ডাঙৰ-দীঘল হওঁ আৰু ঘটনাৰ মাজেৰেই মৃত্যু মুখত পৰো। জন্মৰ পৰা মৃত্যুলৈকে এই সময় ছোৱাৰ ঘটনাবোৰৰ লগত জৰীত আছে—মানৱ জীৱনৰ সুখ-দুখ। দুখ আছে বাবেই আমি সুখখিনি উপলব্ধি কৰিব পাৰো। অকল সুখ হোৱা হলেই আমাৰ কিমান ভাল লাগিল-হেঁতেন তাক হয়তো কব নোৱাৰো, কিন্তু দুখ থকাৰ কাৰণেহে সুখক পাবলৈ আমি ইমান হাবিয়াস কৰো। সুখক আৰু বেছি ভাৱে উপলব্ধি কৰিব পাৰো এই বাবেই যে সুখ ক্ষন্তেকীয়া। ক্ষন্তেকীয়া বস্তুটো অতি মধুৰ। তুমিতো জানাই নতুনকৈ বিয়া কৰোৱা মানুহৰ ৰাতি মাহৰ লেখীয়া বাগিৰে এৰাতিও নোজোৰে। এবাগৰ দিওঁতেই শেষ হয়। চকুৰ নিমিষতে ৰাতিটো শেষ হোৱা যেন লাগে, সখনে দৰা-কইনাৰ ঘুমটি ভাগে। লাহেকৈ খিড়িকী খন খুলি দি দূৰ নিলীমাত থকা জোনটোলৈ চাই চাই তেওঁলোকে কি ভাবে বাৰু ? সেই জোনটোৰ স্নিগ্ধ জোনাকৰ চৌত এহাল দৰা-কইনাই দুয়ো দুয়োকো সাৱতি ধৰি যুগ যুগ কটাই দিব বুলি নেভাবেনে বাৰু ? কিন্তু পাৰে জানো ? যদি পাৰে কেইজনে ? —সেয়ে কৈছো সুখৰ ছায়াবাজীত মানুহ ভোল যাব নালাগে কাৰণ আমি জানো যে সুখ ক্ষন্তেকীয়া।

মানুহবোৰক মগনীয়াৰ লগত বিজাব পাৰি। মগনীয়াবোৰে আনৰ ওচ-ৰত হাত পাতি থাকে কিবা অলপ পোৱাৰ আশাত। কোনোবাই হয়তো

দিয়ে, কোনোবাই হয়তো নিদিয়ে। তথাপি সিইত হতাশ নহয়। তেনেদৰে আমি মানুহ জাতিটোৰেও অনাগত ভৱিষ্যতৰ ওচৰত হাত পাতি থাকো। মনে বিচৰা বস্তুটো কেতিয়াবা হয়তো পাওঁ কেতিয়াবা হয়তো নাপাওঁ। নাপালেও আমি হতাশ হব নেলাগে। মানুহ আশাবাদী। আশাকে বুকুত বান্ধি আমি আগবাঢ়ি যাব লাগিব। কিয়নো যাৰ আশা নাই তাৰ উৎসাহো নাই। নিৰুৎসাহী মানুহে জীৱনৰ বাটত আগবাঢ়িব নোৱাৰে। Shalley ৰ কবিতা এফাঁকি মনত পৰিছে If winter comes, can spring be far behind

সুখ দুখ মানুহৰ মনৰ ভাৱ। দৰাচলতে সুখ পোৱা কোনোটোৱেই সিমান চিন্তা কৰিবলীয়া কথা নহয়। আমি দুয়োটাকে গ্ৰহণ ক.ৰবলৈ শিকিব লাগিব। লাগে সেই সুখ যিমানেই মধুৰ নহওক—লাগে সেই দুখ যিমানেই কঠোৰ নহওঁক। আমি আমাৰ সুদুৰ ভৱিষ্যতৰ কথা চিন্তা কৰিবলৈ শিকিব লাগিব। মানুহৰ ভাগ্য কেতিয়া কোনফালে ঢাল খায় তাক কোনেও নেজানে। কিন্তু কৰ্ম্মযোগেৰে আমি আমাৰ ভাগ্যৰ গতি নিয়ন্ত্ৰণ কৰিবলৈ শিকিব লাগিব। সেইটো মুঠেও উজু নহয়। কিন্তু যত্ন কৰিলে উপযুক্ত সময়ত আমি তাক আয়ত্ব কৰিব পাৰো। আমি ভগৱানকে ধিয়াই থকাটো উচিত নহয়। ভগৱানক সম্পূৰ্ণ ভৰষা কৰি চলাটো অকল ভুলেই নহয়, ই এটা ডাঙৰ মুৰ্খামিও। ভগৱান বুলি কিবা এটা বস্তুয়ে নাই সেইটো ঠিক কিন্তু ভগবানৰ অস্তিত্বও যে নাইকীয়া নহয় এইটোও ঠিক। আচলতে সত্যই ভগবান। সত্যম্ শিৱম্, সুন্দৰম্। ভগবান নাং বুলি কাম কৰিলে মানুহে হয়তো অসত্যৰ পথত আগবাঢি কু-কাৰ্য্যত লিপ্ত হব পাৰে। তেতিয়াহ মানুহ ধ্বংসৰ মুখলৈ আগবাঢি যায়। ধ্বংসই আকৌ ভগ-ৱানৰ কথা সোঁৱৰাই দিয়ে। কু-কাৰ্য্যই মানুহৰ দুখ-বেদনাৰ পথ মুকলি কৰে।

তোমাক বিমানবোৰ মানুহৰ চৰিত্ৰৰ কথা কৈ আছিলো সেই আটাইবোৰেই আমাৰ ওচৰে-পাজৰে থকা এইখন পৃথিবীৰ মানুহ। চৰিত্ৰবোৰ ভালকৈ বিচাৰ কৰি চালে দেখিবা—প্ৰায় সকলোবোৰ মানুহেই যেন একো একোটা ফাঁকিৰ মাজেৰে জীৱনটো অতিবাহিত কৰিছে। যদি ফাঁকিৰ মাজেৰেই দিনবোৰ পাৰ কৰি দিব লগা হয় তেনেহলে ভাবি বোলোৱা কিয় মানব জীৱনটোৱেই এটা মস্ত ফাঁকি বুলি ?

আজি তোমাৰ আগত ইমানবোৰ কথাৰ আঁহ টানিব লগা হল কিয় বাৰু ? ভাবিছিলো, পাৰ নোৱা এতালেও মুগুনক। মোৰ কথা আছিল,—

যিটো বস্তু দেখালেও হয় তাক নোদেখোৱাই ভাল, যিটো কথা কলেও হয় তাক নোকোৱাই ভাল। কিন্তু সেইয়া হৈ নুঠিল। ইমানদিনে যিবোৰ ঘটনা কেৱল চকুৰেহে দেখি আহিছো, যিবোৰ ঘটনা মুখ ফুটাই কাৰো আগতেই প্ৰকাশ কৰা নাছিলো, যি কথা কোনেও জনা নাছিল, সেইবোৰ কথাই আজি তোমাৰ আগত কৈ পেলালো। কিয়? কিয়?? কিয়???

আজি তিনিদিনেই তুমি ভাত-পানী খোৱা নাই, কেৱল কান্দিছাহে, কান্দি কান্দি তুমি তোমাক ধ্বংস কৰিবলৈ ওলাইছা। পাগলী হোৱা নাই যদিও পাগলী হবলৈ আগবাঢ়িছা। তুমি পঠোৱা টেলিগ্ৰামখন মই পলমকৈ হলেও পাইছিলো। কব নোৱাৰো অফিচত কাম বেছি থকাৰ বাবেই কোনোবাই লুকুৱাই ৰাখিছিল নে পোষ্ট অফিচতে কিবা গণ্ডগোল হৈ পৰি আছিল। তথাপি যোৱা কালি সন্ধিয়া ত'ৰখন পাইয়েই মই গুচি আহিলো। আৰু মোৰ দুৰ্ভগীয়া জীৱনৰ চতুৰ্থ ঘটনাটোও মুৰৰ ওপৰেদি হেলাৰঙে পাৰ হৈ গ'ল,—দীপাক মই শেষবাৰৰ বাবেও দেখা নাপালো। তাৰ বাবে মোৰ অকনো খেদ নাই, কোনো দুখ নাই। থাকিবই বা কিয়? যিজনে ইমানদিনে কেৱল মাত্ৰ কান্দিবই জানিলো সেইজন মানুহে আৰু নতুনকৈ কি কান্দিম? চকুলো টুকি থাকোতেই যাৰ দিন গল তাক আকৌ কি দুখে স্পৰ্শ কৰিব পাৰে?

মই দুৰ্ভগীয়া। দুৰ্ভাগ্যই মোৰ পাছ লোৱাটোৱে জানো স্বাভাৱিক নহয়? সদায় এবুকু বেদনাৰে ভৰা অন্তৰ এখন লৈয়ে জানো জীয়াই থাকিব নেলাগিব? মোৰ বুকুভৰা বেদনা, হিয়াভৰা বিষাদেই হব জীৱনৰ চিৰ সংগী। আৰু সেই বেদনাবোৰৰ ফাঁকে ফাঁকে গঢ়ি উঠা কুণ্ডলিবোৰত মই বিচাৰি লম সুখ আৰু আনন্দ চেকুঁৰা। সেয়ে আকৌ কৈছো নিকা। কান্দি-কাটি শৰীৰ দুৰ্ণীয়া কৰাটো নিজেই নিজলৈ মাতি অনা শাস্তিৰ বাহিৰে আন একো নহয়।

......দীপা আমাৰ কোন আছিল? ফুলশয্যাৰ পিচৰ মাত্ৰ চাৰিটা ৰাতিৰ মিলনতে আমি দুয়ো মাক-দেউতাক হবৰ আশাৰে হাত বাউল দি মাতিছিলো এটি শিশুক। সেইটো ৰাতি আজিও মনত পৰে। তোমাক বুকুৰ মাজত আলফুলকৈ সাৱটি ধৰি কৈছিলো:

: এটা চুমা দিয়ানা।

: চাকিটো নুমাই দিয়া।

: নিদিবা।

: তেনেহলে চকু দুটা মুদি দিয়া। মোৰ লাজ লাগে পায়।

তাৰ ঠিক পাঁচ মাহমানৰ পিচতে কোনোৱা এটা শুক্লা-দশমীৰ নিশা ওঠত ওঠ লগাই তোমাৰ গাতো পিহি পিহি পেটত ঘুট-মুটাই দি কৈছিলো "তুমি আজি ধৰকৈ ভাত খালা হবলা, পেটতো দেখোন ধৰকৈ শকট হৈছে।" "ইঃ অকৰাটো কৰবাৰ" বুলি তুমি মোক সাৱতি ধৰি কাণৰ কাষত কিবা এটা কৈছিলা। তেতিয়া মই আনন্দতে আত্মহাৰা হৈ মোৰ সোঁহাতৰ দুটা অঙুলি জোকাৰি জোকাৰি তাৰে এটা তোমাক ধৰিবলৈ কৈছিলো। লৰা হবৰ আশাৰে তুমি জোকাৰি থকা আঙুলি দুটালৈ চাই চাই থাপ মাৰি মোৰ যিটো আঙুলিত ধৰিছিলা সেইটো মোৰ বাবে আছিল—ছোৱালীৰহে। দুয়ো বহুবেলি কথা কটা-কটি কৰাৰ পাছত ছোৱালীজনীৰ নাম কি থব লাগিব থিৰাং কৰিছিলো। সেইমতে নৱজাত ছোৱালীজনীৰ নাম থলো দীপা। এইয়া আজি ডেৰ বছৰ আগৰ কথা যদিও এইবোৰ কথা আমাৰ বাবে সদায় নতুন।

দীপাক আমি পাইছিলো।

এইখিনিতে কোনেও নভবা প্ৰশ্ন এটি উঠে। আমি দীপাক পাবৰ বাবেই যৌৱনৰ খেল খেলিছিলো নে যৌৱনৰ খেল খেলাৰ বাবেই দীপাক পাইছিলো। আচলতে দুয়োটাই সত্য। এফালে যেনেকৈ যৌৱনৰ মাদকতাত আছে তৃপ্তি আনফালে পিতৃ-মাতৃ হব পৰাটো আছে অনেক স্পৃহা, হেজাৰ গৌৰৱ। সেয়ে বোধহয় বন্ধ্যাৰ সুখ নাই।

মৰমে আমাৰ সম্বন্ধৰ এনাজৰীডাল বেছি টান কৰে। সেয়ে মৰম হৈছে মানৱ জীৱনৰ পৰম ধৰ্ম। মৰমে মানুহৰ যশস্যা বঢ়ায় আৰু মৰমেই মানুহক বশ কৰে। তুমি মোৰ কি হোৱা? ময়েইবা তোমাৰ কোন? আৰু দীপাইবা আমাৰ কোন আছিল? দৰাচলতে আমি কোনো কাৰো একো নহওঁ। ছোৱালীজনী আমাৰ ঘৰত জন্মগ্ৰহণ কৰা বাবেহে দীপা আমাৰ হ'ল। দীপা আমাৰ হবৰ বাবেই ছোৱালী এজনীয়ে জন্ম লাভ কৰা নাছিল। পৃথিৱীৰ স্নেহ, পৃথিৱীৰ মৰম—পৃথিৱীতে উৎপত্তি আৰু পৃথিৱীতেই লয় হয়। মৰমৰ ডোলেৰে আমি বান্ধ খাব লগা হয় বাবেই আমি সম্বন্ধৰ জৰীৰে গঁঠা যাওঁ। আমি দুয়ো দুয়োকে ভাল পাব খুজিছিলে;— ভাল পাইছিলো। আমি দুয়ো দীপাৰ পৰা মৰম বিচাৰিছিলো—মৰম পাইছিলো। কিন্তু দীপাই হয়তো আমাৰ পৰা মৰম বিচৰা নাছিল,—সেয়ে তাই আমাৰ মৰমক নেওচি আঁতৰি গ'ল। নহয়, আঁতৰি যাবলৈ বাধ্য হ'ল। সেইবুলি আমি নিঠৰুৱা হলো বুলি ভৰাতো ভুল হব। দীপা আছিছিল, গুছি গ'ল। ঘূৰাই আনিব নোৱাৰো, নোৱাৰিম। কিন্তু তোমাৰ মোৰ মৰমে পুনৰ এটি শিশুক আহ্বান কৰিব পাৰো। হয়তো

সেই শিশুৰ নাম দীপা নহৈ অন্য কিবা হব । এয়েটো । সেয়েহে কৈছো দীপাৰ কথা ভাবি ভাবি শৰীৰ বেয়া কৰাৰ কোনো কাৰণ নাই । যিদিনা আন এটি শিশু আহিব সিদিনা আকৌ হাঁহিবা । সুখ-দুখ সংসাৰত কালৰ চকৰী ।

: ....   ।

: কান্দিছা কেলেই । আকৌ শুনা ।

আচলতে হয়তো দীপা আমাৰ কাষৰপৰা যাব খোজা নাছিল । তাইক জোৰকৈ আঁতৰাই নিছিল—ইন্দুমতীয়ে । কিয় ? চকু দুটা দেখোন বহলকৈ মেলি দিলা ?

: আকৌ সেই ইন্দুমতী ?

: এৰা, আকৌ সেই ইন্দুমতী ।

তুমিটো নাজানা, দীপাক যে ইন্দুমতীয়েই হত্যা কৰিছে । তুমি কোৱাযতে দীপাৰ বিচনাতে অহেতুক মৃত্যু হোৱা কথাটো সঁচা । দীপাক নেলুত চেপি মাৰিছে,—ইন্দুমতীয়ে । টোপনিৰ ভালত তোমাৰ দুবাহুৰ মাজৰ একৰাই দীপাক হত্যা কৰিছিল । মন কৰিব লগীয়া যে সিদিনাই বমলাপেহীও ছিলঙৰ পৰা আমাৰ গাওঁ পাইছিলহি । পেহীৰ লগতে আহিছিল ইন্দুমতী । আৰু সেই ইন্দুমতীয়েহে মোৰ ওপৰত প্ৰতিশোধ লৈছিল—দীপাৰ মাজেৰে । ইতিমধ্যেই মোৰ এখন সৰু সংসাৰ গঢ়ি উঠা বুলি ইন্দুয়ে হয়তো জনা নাছিল । কিন্তু বমলাপেহীৰ আগমনে তাইক মোৰ বস্তুত কথাৰ সন্ধান দিব পাৰিছিল । সেয়ে তাই গুচি আহিছিল বমলাপেহীৰ লগত আৰু হত্যা কৰিছিল দীপাক । ...... তথাপি মোক চালনা কৰিবলৈ ইন্দুমতীয়ে এতিয়াও এৰা নাই ।

: নিকা !

:

: নেমাতা কিয় ?

: কিহ ।

: এটা সঁচা কথা কওঁ । বেয়া নেপাবা তুমি ।

ইন্দুমতীৰ কুমাৰী দেহটোক মই অপমান কৰিছিলো । সেইয়া ইন্দুমতীৰ মৃত্যুৰ কেইদিনমান আগৰ ঘটনা । সেই দিনা কেঁচা যৌৱনৰ তৃপ্তিলৈ সুখভোগ কৰিছিলো সঁচা, কিন্তু সেই সুখেই মোক চিৰদিন দুখী কৰি ৰাখিলে ।

: আপুনি এইবোৰ কি কৈছে ?

: মই ঠিকেই কৈছো, নিকা । ইন্দুমতীয়ে মোৰ জীৱনত এটা গভীৰ দাগ বহুৱাই দিলে । ইন্দুমতীয়ে মোৰ জীৱনটো বিষাক্ত কৰি তুলিলে । এই বিষাক্ত মই

দুখৰ উপৰি দুখ পাইছো। মোৰ অনুৰোধ নিকা, তুমি পাহৰি থাকিবা,— ইন্দুমতীৰ লগত মোৰ সম্বন্ধৰ কথা ; পাহৰি থাকিবা ইন্দুমতীৰ কথা আৰু মনে মনে সাৱধান হোৱা ইন্দুমতীৰ পৰা। তাই মোক তিল তিলকৈ দুখ দি মাৰিবলৈ উদ্যত হৈছে। —তাই তাই যে মোক ক্ষমা নকৰে। কেতিয়াও।

*   *   *   *

জীৱনটো কিছুমান ঘটনাৰ মালা এডাল মাথোন। ইয়ান পৰে তোমাক কৈ অহ' সকলো ঘটনাই মানুহৰ সুখ-দুখৰ বাবেই সম্ভৱ হব পাৰে। মইও ইয়াৰ পৰা বাদ পৰা নাই। অতিপাত সুখে মানুহৰ চৰিত্ৰত প্ৰভাৱ পেলায়, সেই প্ৰভাৱে কিছুমান ন ন অভাৱ আনে আৰু অভাৱ হলেই স্বভাৱত কালিমা লাগে। মনৰ কিবা এটা অভাৱ হোৱা মানেই—মানুহ এজনে দুখৰ ফালটো দেখা। তেন্তে প্ৰকৃত সুখ-শান্তি পোৱাৰ পথ কোনটো ? ইয়াৰ উত্তৰ হিচাবে মই তোমাক কব পাৰো যে বৰ্ত্তমান অৱস্থাৰ লগত নিজৰ তৃপ্তি মিলাই দি আনৰ প্ৰাচুৰ্য্যৰ প্ৰতি অনাশক্ত হব পাৰিলেই প্ৰকৃত সুখ-শান্তি পোৱাৰ পথ সুগম হব পাৰে।

দীপাৰ মৃত্যুৰ কথা পাহৰাবলৈ সুখ-দুখৰ কথা বৰ্ণাই যাওঁতে তোমাক আজি বহুত ঘটনাই কৈ পেলালো। তাৰে কিছুমান নিজৰ আৰু কিছুমান আনৰ। কিছুমান ঘটনা শুনি পাবামানে হাঁহিলা আকৌ কিছুমান ঘটনা শুনি মুখখন এপাচিমান কৰি ওকোন্দাই উঠিলা। উঠা বাৰু, কথা নাই। কিন্তু এইবোৰ ঘটনা তুমি আনক কেতিয়াও নকবা দেই মোৰ সোনজনী। তুমি কাকো নকবা বুলি বা আনে গম নাপওক বুলিয়েই মই আজি তোমাক মোৰ জীৱনৰ সকলো কথা "কাণে কাণে কৈ গলো।"

সমাপ্ত